জীবন রেখা

লেখক—শ্রীব্রজেন দাস

"Jiban Rekha" a novel in Assamese written by Brajen Das of Guwahati, Dhirenpara & Published by Smt. Sabitri Das Guwahati-25.
Price Rupees Thirty five only.

প্ৰকাশিকা – শ্ৰীমতী সাবিত্ৰী দাস
গুৱাহাটী-২৫

পৰিবেশক – অনামিকা প্ৰকাশন
বিক্ৰবাৰী, গুৱাহাটী

প্ৰথম প্ৰকাশ – নবেম্বৰ ১৯৯৬

প্ৰচ্ছদ – শ্ৰীনয়ন বড়ো

মুদ্ৰণ – মেধি আৰ্ট চ প্ৰেছ
মানপাৰা, গুৱাহাটী-২৫

বিনিময় – ৩৫/– টকা

জীৱন ৰেখা সম্পৰ্কে একেষাৰ

ইতিমধ্যে কবিতা লিখি সাহিত্যৰ জগতত প্ৰৱেশ কৰা শ্ৰীব্ৰজেন দাসে এখনি উপন্যাস লিখিছে। নাম 'জীৱন ৰেখা'। ইয়াত গ্ৰামীণ চিত্ৰ মনোগ্ৰাহী হৈছে আৰু ঘটনা পৰিক্ৰমাও বিশ্বাসযোগ্য। ঘটনাৰ বাহুল্যই উপন্যাসখনক যথেষ্ট গতি দিছে আৰু এটা অজ্ঞাতপূৰ্ব অঞ্চল ইয়াত মূৰ্ত্ত হৈ পৰিছে। সাধাৰণতে পশ্চিম অসমৰ গ্ৰামাঞ্চলৰ পটভূমিত ৰচিত অসমীয়া উপন্যাসৰ সংখ্যা নিচেই কম। এনে পৰিস্থিতিত পৰিশ্ৰমী লেখক শ্ৰীব্ৰজেন দাসে এটা অভাৱ পূৰণ কৰিছে।

'জীৱন ৰেখা'লৈ মোৰ আন্তৰিক মৰম আৰু শুভেচ্ছা আগ-বঢ়াইছোঁ আৰু আশা কৰিছোঁ, শ্ৰীদাসৰ প্ৰথম উপন্যাসখনে পাঠক সমাজৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিব।

কিমধিকমিতি —

ইতি—

গুৱাহাটী

১বহাগ, ১৯১৮ শক

[signature]

সভাপতি, অসম সাহিত্য সভা

পাতনি

শ্ৰীব্ৰজেন দাসৰ 'জীৱন ৰেখা' নামৰ উপন্যাসখন পাণ্ডুলিপি অৱস্থাতে পঢ়ি চাবলৈ সুযোগ পালো। শ্ৰীদাস গল্পকাৰ আৰু কবি হিচাবে ইতিমধ্যেই সুখ্যাতি লাভ কৰিছে। এনে পৰিপ্ৰেক্ষিতত দেখা যায়—ঔপন্যাসিক হিচাবেও তেওঁ জনপ্ৰিয় হোৱাৰ পথ এটা সুগম কৰি লবলৈ সক্ষম হ'ব। "জীৱন ৰেখা" খন পঢ়ি এনে ধাৰণা আমাৰ মনলৈ আহিছে।

জীৱন ৰেখাৰ ঘটনা — গাৱঁৰ পাৰিবাৰিক জীৱনৰ ঘটনা। আমাৰ সমাজত ঘটি থকা ঘটনা। অমৰাপুৰ গাৱঁৰ যুৱক শৰত উপন্যাসৰ মূল চৰিত্ৰ। কলেজীয়া শিক্ষা লব নোৱাৰি শৰতে গাৱঁত খেতি কৰে। তেওঁ ভাল পাই গাৱঁৰে এজনী ছোৱালী দীপালীক। কিন্তু শৰতৰ দেউতাক সদানন্দৰ বাল্য বন্ধু মৌজাদাৰ ৰত্নকান্ত চৌধুৰীৰ কন্যা ৰেখাৰ লগত বিয়া হয়। কিন্তু ভাগ্যৰ বিৰম্বনাত ৰেখা শৰতৰ ঘৰৰ পৰা তেওঁৰ অনিচ্ছা স্বত্তেও বাপেকৰ লগত গুছি যাব লগীয়া হয়। ইয়াৰ মূলতে শৰতৰ মাহীমাক। ৰেখা ইয়াৰ পিছত নানা কষ্ট, আৰু বিপৰ্য্যয় অতিক্ৰম কৰি প্ৰবেশিকা পৰীক্ষা পাছ কৰি গ্ৰামসেৱিকাৰ চাকৰি কৰে।

আনফালে দীপালীৰ লগত শৰতৰ আকৌ বিয়া হয় আৰু কন্যা সন্তান এটি জন্ম হয়। শৰতৰ প্ৰথম বিবাহিতা পত্নীয়ে গ্ৰাম সেৱিকাৰ চাকৰি কৰি জীৱনত পোৱা দুখ, দুৰ্ভাগ্যৰ পৰা সান্ত্বনা

লভিবলৈ চেষ্টা কৰে যদিও শৰতৰ পৰা বিচ্ছেদ হোৱা ঘটনা স্মৰণ কৰি মনত সৰ্ব্বদা বেদনা অনুভৱ কৰে। শৰতেও নাজানে ৰেখা ক'ত থাকে আৰু ৰেখাইও শৰতৰ কোনো খবৰকে নাপায়।

এদিন হঠাতে ৰেখাই লগ পাই শৰতৰ মাহীয়েকৰ ছোৱালী ভনীয়েক চপলাক এখন অনাথ আশ্ৰমত। কথা প্ৰসঙ্গত চিনাকি হওঁতে পৰস্পৰে সম্বন্ধৰ কথাটো জানে। ৰেখাৰ মনৰ সকলো কথা চপলাৰ আগত খুলি কয়। চপলাই শৰতলৈ এখন চিঠি লিখি ৰেখাৰ সকলো খবৰ শৰতক জনাই। চিঠি পঢ়ি শৰত বৰ বিব্ৰত হৈ পৰে আৰু ৰেখাৰ স্মৃতি সুৰঁৰি চকুলো টুকে।

"জীৱন ৰেখা"ৰ ঘটনা থুল-মূলকৈ এয়েই। শ্ৰীব্ৰজেন দাসৰ উপন্যাস সাহিত্যত এয়া প্ৰথম পদক্ষেপ হলেও উপন্যাসখন সুখ-পাঠ্য হৈছে। উপন্যাসখনৰ অন্তৰ্নিহিত সোঁতটোৱে পাঠকৰ মন টানি নিব। ইয়াৰোপৰি "জীৱন ৰেখা"ত গ্ৰাম্য জীৱনৰ, গ্ৰাম্য প্ৰকৃতিৰ বৰ্ণনা, প্ৰেম-ভালপোৱাৰ বিৰহ-বেদনা, আঘাত-সংঘাত এইবোৰৰ বৰ্ণনা যথাযথ। জীৱন দৰ্শনৰ ভালেমান স্বাভাৱিক বৰ্ণনাৰ পৰাও দাস ফালৰি কাটি যোৱা নাই। মূল চৰিত্ৰ— শৰত, দীপালী, ৰেখা আৰু চপলাৰ যোগসূত্ৰ ধৰি ৰাখিবলৈও ঔপন্যাসিক সক্ষম হৈছে। গাৱঁৰ কৰ্ম জীৱনৰ চিত্ৰ, 'নৈসৰ্গিক আৰু প্ৰকৃতিৰ চিত্ৰ অঁকাতো দাস পৈণত। উপন্যাসখনত চৰিত্ৰৰ আদৰ্শ গাৱঁৰ জীৱনৰ লগত ওতঃপ্ৰোত সম্পৰ্ক থকা। ৰবীন্দ্ৰনাথ আৰু প্ৰেমচন্দৰ উপন্যাসৰ দৰে শ্ৰীদাসৰ উপন্যাসতো ঘটনাৰ কোনো জটিলতা নাই। চৰিত্ৰবোৰে জীৱনৰ নানা সংঘাতৰ মাজতো আদৰ্শক ভ্ৰষ্ট হবলৈ দিয়া নাই।

উপন্যাসখনৰ বাক্যৰ গাঠনিত দুই এটা সাধাৰণ ভুল আছে। যথেষ্ট কামৰূপীয়া শব্দৰ প্ৰয়োগ হোৱা বাবেও বাক্য গাঠনিত কিছু

আউস লাগিছে। এইখিনি ব্যতিক্রম একা-থকা কৰিলে "জীৱন ৰেখা" এখন সুন্দৰ উপন্যাস বুলি কবৰ থল আছে। শ্ৰীব্ৰজেন দাসৰ এয়া প্ৰথম প্ৰচেষ্টা হিচাবে পাঠক সমাজে নিশ্চয় আগ্ৰহেৰে পঢ়িব তথা আদৰি লব।

শ্ৰীদাসৰ আমি উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

আমবাৰী
গুৱাহাটী ২৫
২১ মে' '৯৬ চন

বিজু হাজৰিকা

লেখকৰ দুআষাৰ

জীৱন বেথা মোৰ ছাত্ৰ অৱস্থাতে লিখা। সেই সময়ত আমি আহৰি পালেই আবেলি নৈৰ পাৰত ফুৰো, মুকলি আকাশৰ তলত সেউজীয়া ঘাঁহনিত বহি বহু কথা পাতো। বহু গল্প-গুজৱ কৰো। শৰত কালৰ আবেলি ঠিক বেলি বুৰ যাওঁ যাওঁ পৰত নৈৰ পাৰত মুক্ত বায়ু পান কৰি ভাল লাগে। অস্তগামী সূৰ্য্যৰ শেষ হেঙুলীয়া ৰহনজাক গালে-মুখে সানি দুবৰি-দলিচাৰ ওপৰত বহি অন্তৰঙ্গ বন্ধুৰ লগত সুখ-দুখৰ কথা পাতি কিমান ভাল লাগে !! ঠিক তেনে এটি মুহূৰ্ত্ততে এদিন বন্ধু এজনে এটি কাহিনী কৈছিল — জীৱনৰ সঁচা কাহিনী। লগতে অনুৰোধ কৰিছিল এইবুলি — তইতো গল্প-কৱিতা লিখা মানুহ ভাই, পাৰ যদি এই কাহিনীটো লিখি ৰাখিবি — ভাল লাগিব। নেজানো, বন্ধুৰ অনুৰোধ ৰক্ষা কৰিব পাৰিছো নে নাই। চেষ্টা কৰিছো। পিছে, মোৰ জীৱন বেথাক পোহৰলৈ অনাত বহু পলম হৈ গ'ল। আৰু হ'লহেঁতেন যদিহে মোৰ বিশিষ্ট বন্ধু, কৱি-সাহিত্যিক কুমাৰ অনুকূল দাস আৰু 'বঙিনী বাৰ্ত্তাৰ' সম্পাদক বন্ধুবৰ শ্ৰীযুত মহেশ মেধিয়ে মাজে মাজে সোঁৱৰাই দি নাথাকিলহেঁতেন।।

জীৱন বেথাক পোহৰলৈ অনাৰ মানসেৰে এদিন শ্ৰদ্ধাস্পদ অসম সাহিত্য সভাৰ সভাপতি ড' লক্ষ্মীনন্দন বৰাদেৱক কিতাপখনি হাতেলিখা অৱস্থাতে চাই দিবলৈ কলো। তেখেতে নানা কৰ্মব্যস্ততাৰ মাজেৰেও কিতাপখনি

চাই মেলি দুকলম আশাব্যঞ্জক ভাষ্য লিখি দিলে। ইয়াতে মই উৎসাহিত হলোঁ। এদিন শ্রদ্ধেয় শ্রীযুত বিজু হাজৰিকাদেৱক লগ পাই কিতাপৰ পাণ্ডুলিপিটো দেখুৱালো। তেখেতেও বৰ আগ্ৰহেৰে আশ্বাস দিলে যে কিতাপখনি চাই মেলি এখনি পাতনি লিখি দিব। মোৰ উৎসাহ দুগুণে বাঢ়িল। এইদৰেই মই জীৱন ৰেখাক প্ৰকাশৰ পথত আগবঢ়াই দিলোঁ।

বন্ধু শিল্পী, কবি শ্ৰীযুত নয়ন বড়োক মোৰ উপন্যাসৰ কাহিনীৰ পৰিণতিৰে খাপ খোৱাকৈ এটি বেটুপাত আঁকিবলৈ অনুৰোধ কৰিলো। তেখেতেও অতি কম সময়ৰ ভিতৰতে কামটো কৰি দি মোক সহায় কৰিলে।

ওপৰোক্ত ব্যক্তিসকলোলৈ মোৰ শ্ৰদ্ধা ও ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে প্ৰকাশক, পৰিৱেশক, মুদ্ৰক সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ থাকিল।

ইয়াত আৰু এষাৰি কথা উনুকিয়াই থোৱা ভাল হ'ব যে উপন্যাসখনিত সন্নিৱিষ্ট চৰিত্ৰসমূহ সম্পূৰ্ণ কাল্পনিক। কাৰোবাৰ জীৱনধাৰা যদি কেনেবাকৈ মোৰ উপন্যাসৰ চৰিত্ৰৰ লগত মিলে— সেয়া মোৰ অজ্ঞাত।

সৰ্ব্বশেষত সহৃদয় পাঠক সমাজলৈ এই লেখকৰ বিনম্ৰ অনুৰোধ — উপন্যাসখনি প্ৰকাশত আমাৰ অজ্ঞাতে বানান আদিত ভুল হৈ যাব পাৰে তাৰ বাবে যেন ক্ষমা কৰে।

ইতি—

ৰঘুনাথ পথ
ধীৰেণপাৰা, গুৱাহাটী-২৫

ৰজেন দাস
১০/১১/৯৬

লেখকৰ আন আন গ্ৰন্থ

১। ধূপ নীৰৱে জ্বলে (কাব্যগ্ৰন্থ) প্ৰকাশিত

২। পৰিণতি (গল্প সংকলন) প্ৰকাশৰ পথত

৩। নিৰ্মালি (সামাজিক উপন্যাস) প্ৰকাশৰ পথত

৪। ৰংমনৰ পৃথিৱী (শিশু গল্প সংকলন) প্ৰকাশৰ পথত

উৎসর্গা

সমাজৰ যিবোৰ জীয়ৰী-বোৱাৰী
উপেক্ষিতা, অবাঞ্ছিতা,—সেইবোৰ
অকিঞ্চন, অৱহেলিত জীয়ৰী
বোৱাৰীৰ হাতত মোৰ
এই জীৱন-ৰেখা
উৎসৰ্গা কৰিলোঁ।

ব্ৰজেন দাস।

(এক)

পাগলাদিয়া নৈ।

এই নৈৰ পাৰতে এখন সৰু ধুনীয়া গাওঁ। নাম অমৰাপুৰ। গছে-বনে সেউজীয়া সবাতোকৈ ধুনীয়া এই গাওঁখন।

এই গাঁৱৰে ডেকা ল'ৰা শৰত। সুন্দৰ সুঠাম দেহ তাৰ। মন প্ৰফুল্ল। চকুত সুদূৰ ভৱিষ্যতৰ সোণালী সপোন। ৰূপে ৰসে-ৰঙে ভৰা এখন পৃথিৱী।

ভাদ মাহ। ভৰ বাৰিষা। খেতি পথাৰ শস্যৰে ভৰা। এই সময়ত মানুহৰ মনত কাম কৰিবলৈ দুগুণ উৎসাহ জন্মে। কৰ লগা বিলাকে ৰোৱে। কাটিব লগা বিলাকে কাটে। সকলোৱে মাত্ৰ কাম কৰি যায় — হেঁপাহেৰে-আনন্দেৰে।

এটা ৰাতিপুৱা। পানীৰে চপ্‌চপীয়া এখন খেতি পথাৰ।···

··· 'বুৰ-ঘূৰ বুৰ' — শৰতে হালোৱা গৰু হালক নিৰ্দেশ দিয়ে। হালৰ মুঠিত ভালদৰে খামোচ মাৰি ধৰি সি খেতিৰ মাটি বোকা কৰি তোলে। তাৰ গা সোণালী বোকাৰে লুতুৰি-পুতুৰি হৈ পৰে। এই খেতি পথাৰতে হালৰ মুঠিত ধৰি আগে আগে সুধন। পাছে পাছে শৰত। দুয়ো ভাই ককাই। শৰত ডাঙৰ, সুধন সৰু। দুয়োৰে বৰ মিল — যেন ৰাম লক্ষ্মণ।

সুধনৰ গৰুহাল বৰ চোকা। কামত সকলোৰে আগত। শৰতৰ হালো কম নহয়। গৰুৰ উৎসাহ নেথাকিলেও মানুহৰ উৎসাহে গৰুক কাম কৰিবলৈ শক্তি যোগায়। আজি কিন্তু শৰতে আগতকৈ দুগুণ উৎসাহেৰে কাম কৰিছে। তাৰ গৰুহালেও আজি নতুন উদ্যম পাইছে। আজি শৰতহঁতে কৰবলৈ থকা আৰুকৰা মাটিডৰা কই শেষ

কৰিব। আজি নহলে সমস্ত হৈ নুঠিবও পাৰে। সেই কাৰণে দুই ভাই ককাইয়ে বৰ উৎসাহেৰে কাম কৰিছে।

…… 'ঘূৰ-ঘূৰ-ঘূৰ' সুধনে গৰুহাল খেদে। লগে লগে চাট্‌কৈ এচাৰি ডালেৰে কোব এটা মাৰে। কোব পাই গৰুহালে বেগেৰে খোজ লয়। ইফালে শৰতেও তাৰ হালক ইঙ্গিত দিয়ে। লগে লগে সিহাল গৰুও গৈ আগৰ হালক লগ ধৰেগৈ। এনেকৈ দুয়ো হাল বাই থাকে।

কিন্‌কিন্‌কৈ বৰষুণ আহে। খেতি পথাৰ পানীৰে উপচি পৰে। কিযে আনন্দৰ দিন। সোণ যেন বতৰ খেতিৰ বাবে বৰ উপযোগী। আনন্দ লাগি যায় সকলোৰে।

কামৰ মাজতে শৰতে একোবাৰ ভাবে দীপালীৰ কথা। দীপালী, তাৰ গাৱঁৰে একজনী ধুনীয়া বাংচালী ছোৱালী। ওঠৰ বছৰীয়া সেই-জনী দীপালীক বৰ ভাল লাগে শৰতৰ। বৰ মৰম ওপজে শৰতৰ তাইৰ প্ৰতি। দীপালীৰ কথা মনত পৰিলে শৰতৰ সৰুকালৰ বং-সনা দিনবোৰলৈ উভটি যাবলৈ মন যায়।

টোপ্‌টোপ্‌কৈ পৃথিৱীৰ বুকুত বৰষুণৰ টোপাল পৰে। শৰতৰ মন আকাশত স্মৃতিকণাৰ কুঁৰলি উৰে। হেজাৰ স্মৃতিকণাৰে আচ্ছা-দিত হয় তাৰ মন আকাশৰ সুগম পথ। মাত্ৰ উৰে শুকুলা পাখিৰে ভৰা অনেক কুঁৰলি।

শৰত আৰু দীপালী। একেখন অমৰাপুৰ গাৱঁৰে ছোৱালী দীপালী। ঘৰো ওচৰা-ওচৰি।

…… তেতিয়া সি নিচেই সৰু। সাত কি আঠ বছৰীয়া ল'ৰা। আৰু দিপালী? দীপালী তাতকৈ দুবছৰে সৰু ছোৱালী। দীপালীৰ সৈতে ওমলিছিল সি। তেতিয়া তাৰ জীৱন আছিল আদি বাগত বৰ্দ্ধিত। দীপালীয়েও তাৰ লগত ওমলি বৰ ভাল পাইছিল। তাই প্ৰতি-দিনেই শৰতৰ লগত ওমলিবলৈ আহিছিল।

এদিন ৰাতিপুৱা। দেওবাৰ। দীপালীৰ গাটো ভাল নাছিল সিদিনা। কিবা অসুখ হৈছিল। গতিকে শৰতৰ লগত ওমলিবলৈ অহা নাছিল। ইপিনে শৰতে দীপালীৰ কাৰণে বাট চাই চাই অধৈৰ্য্য হৈ পৰিছিল। সি আৰু বেছি সময় ধৰ নোৱাৰি দীপালীহঁতৰ ঘৰ-লৈ গৈছিল। দীপালী তেতিয়া বিছনাত শুই আছিল। সি গৈ তাইৰ কাষতে বহিছিলগৈ। তাক দেখি দীপালীয়ে মিছাকৈয়ে চকু দুটা মুদি দিছিল। সি 'দীপা দীপা' বুলি মিঠা মাতেৰে আলফুলকৈ তাইৰ হাতত ধৰিছিল। দীপালীৰ হাঁহি উঠি গৈছিল। তাই খিল্ খিলকৈ হাঁহি চকু মেলি তাৰ পিনে চাইছিল। সি কৈছিল—

"বল, ওমলিবলৈ যাওঁ।"

"নেযাওঁ।" দীপালীয়ে উত্তৰ দিছিল। দীপালীৰ এনে উত্তৰ পাই তাৰ বেয়া লাগিছিল। মুখখন ওন্দোলাই কৈছিল—"কিয় নেযাবা? তই নগলে মই কাৰ লগত ওমলিম।" শৰতৰ কথা শুনি শিশুমতি দীপালীৰ কোমল অন্তৰত মৰম উপজিল। তাই গাৰ জ্বৰ পাহৰি গৈছিল। তাৰ মৰমত তাই আপ্লুত হৈ পৰিছিল। তাই তৎক্ষণাত বিছনাৰ পৰা নামি তাৰ হাতত ধৰি লাহে লাহে ওলাই আহিছিল ওমলিবলৈ। দুয়ো কৃষ্ণচূড়া গছৰ তলত ওমলিছিল। বালিৰ ঘৰ সাজিছিল। পচলাৰ দৰা-কন্যা সাজি বিয়া পাতি দিছিল। শৰতৰ মনত আনন্দৰ পুলক জাগিছিল। লাহে লাহে সি দীপালীৰ প্ৰতি দুৰ্ব্বল হৈ পৰিছিল। সি একেথৰে দীপালীৰ ধুনীয়া মৰমলগা মুখ-খনিলৈ চাই ৰৈছিল। সি তেনেকৈ চাই থকাত দীপালীৰ লাজ লাগিছিল। লাজতে তাই তাক সুধি পেলাইছিল—

"কি চাইছ?"

"তোক।" শৰতে দ্বিধাহীনভাৱে উত্তৰ দিছিল।

"কিয়?" দীপালীয়ে পুনৰ প্ৰশ্ন কৰিছিল।

সি নিৰবে কেৱল দীপালীৰ পিনে অপলক দৃষ্টিৰে চাইয়েই ৰৈছিল।

কিছু সময় তেনেদৰে থকাৰ পিছত কিবা ভাবি হঠাতে সি কৈ পেলাইছিল "তোক মই বিয়া কৰাম দেই দীপা"

"ভাল পাব যদি কৰিবি। তেনেকৈ চাই নাথাকিবি। মোৰ খুউব লাজ লাগে"। এইবুলি দীপালী তাৰ কাষৰ পৰা দৌৰি গৈছিল কিবা এটা অবুজ লাজত।

......শৰতৰ আকাশত অলেখ কুঁৱলি উৰে। অসংখ্য স্মৃতিকণা উটি ভাহি ফুৰে। ..... ধেৎ ... সেই কথা মনত পৰিলে শৰতৰ আজিও বৰ লাজ লাগে। সি কেনেকৈ দীপালীৰ আগত স্পষ্টকৈ কৈছিল — 'তোক মই বিয়া.......'। ......সি ভাবি যায়...।

গাওঁৰ মধ্যবিত্ত শ্ৰেণীৰ লোক সদানন্দৰ পুত্ৰেক সি। তাৰ দেউতাকৰ ধনৰ অভাৱ নাই।

দীপালীৰ দেউতাক তাই সৰু থাকোতেই ঢুকাইছে। মাকে ধুনি ভাগি ভাইক ডাঙৰ কৰে। হওঁতে দীপালীহঁতৰ অৱস্থা সিমান ভাল নহয়। সময়ত ভাত কাপোৰৰ অভাৱ অনুভৱ কৰিবলগীয়াতো পৰে।

দীপালীয়ে তাৰ লগ কেতিয়াও নেৰিছিল। খাওঁতে, ফুৰোঁতে, স্কুললৈ যাওঁতেও একেলগেই গৈছিল। তাক দেখা নাপালে দীপালীয়ে দুখ কৰিছিল।

দিনবোৰ বাগৰি গৈছিল।

সময়ৰ সোঁতৰ লগে লগে দুয়ো যৌৱন পথত ভৰি দিলেহি। শৰতৰ দেউতাকৰ ইচ্ছা আছিল তাক বি, এ, এম, এ পাছ কৰাবলৈ। কিন্তু মাহীয়েকৰ ইচ্ছা সম্পূৰ্ণ বিপৰীত। হওতে এনেয়ে মাহীমাক। তাতে কি থাকুৰে নিৰ্মিত এইজনী তিৰোতা। কব নোৱাৰি। নিজৰ একেবাৰে গৰ্ভজাত সন্তানৰ বাহিৰে আন কাকো ভাল ভাবে লব নোৱাৰা এইজনী মাহীমাক।

বেচেৰা শৰত। সিও দুৰ্ভগীয়া। সকলোৱেই আকৰ হেকৰাৰ

লগীয়াত পৰিল। শৰতৰ বয়স যেতিয়া পাঁচ বছৰ তেতিয়াই তাৰ মাক দুৰাৰোগ্য বেমাৰত পৰি মৰি থাকিল। শৰত আৰু সুধন ৰ'ল পৃথিৱীৰ বুকুত নিৰ্য্যাতন ভুগিবলৈ।

মাহীমাকে শৰতক ভাল নেপায়। সদায় কেহেৰা জেঙেৰাকৈ থাকে। এই অসুবিধাৰ কাৰণে সি পঢ়াত মন দিব নোৱাৰে। ঘৰত থাকি পঢ়াত অসুবিধাৰ কাৰণে সি টাউনলৈ গ'ল। গাৱঁৰ পৰা টাউনলৈ প্ৰায় ছয় কিলোমিটাৰ দূৰ। এখন চৰকাৰী ডাক্তৰখানা, দুটামান সৰু-সুৰা চৰকাৰী অফিচ, এখন কলেজ, দুখনমান হাইস্কুল, দোকান-পোহাৰ এইবোৰ লৈয়েই এই টাউনখন। এই টাউনতে থাকি শৰতে মনোযোগেৰে পঢ়িব। সি টাউনলৈ গুচি যোৱাত দীপালী অকল-শৰীয়া হ'ল। বুকুখন সুদা সুদা লাগিল। তাইৰ একমাত্ৰ মৰমৰ শৰত নোহোৱাত তাই থাকে কেনেকৈ? কিন্তু থাকিবই যে লাগিব। তাই থাকিল ঘৰতে। গাৱঁতে।

দীপালী আজি কালি অকলে টাউনৰ স্কুললৈ যায়। দীপালী শৰততকৈ এ শ্ৰেণী তলত। শৰত দশম শ্ৰেণীত আৰু দীপালী নৱম মানত। স্কুলত দীপালীৰ শৰতৰ সৈতে দেখা সাক্ষাত হয়। কথা পাতে। মনৰ কথাবোৰ দুয়ো খোলাকৈ আলোচনা কৰে। দিনবোৰ এইদৰে সময়ৰ সোঁতত লুকাই পৰে।

শৰতৰ মেট্ৰিক পৰীক্ষা হৈ গ'ল। দুৰ্ভাগ্যবশতঃ শৰতে পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰিলে। সি কৃতকাৰ্য্য হব নোৱাৰাত তাৰ দেউতাকে মনত বৰ দুখ পালে। দুখ পালে যদিও এইবোৰ সব ভাগ্যৰ বিড়ম্বনা বুলি মনে মনে ৰ'ল।

বাহুঁৰক দেউতাকে শৰতক আকৌ পঢ়ুৱাব খুজিছিল। কিন্তু মাহীমাকৰ কূট কৌশলৰ বাবে সি ইমানতে পঢ়া শেষ কৰিবলগীয়া হ'ল। দুখত সি চকুপানী টুকিলে।

পৰীক্ষাৰ খবৰ বেয়া বুলি জানিব পাৰি দীপালীৰ মনটো বৰ

দুখ লাগিল। শৰতৰ অপূৰণ কামটো পূৰণ কৰিবলৈ তাই পূৰ্ণোদ্যমে পঢ়াত লাগিল। দিনবোৰ আগুৱাই গ'ল।

কৰ্ত্তব্যৰ তাড়নাত শৰতে হালবাৰ লগীয়াত পৰিল। সি হাল বায়। খেতি কৰে। আই অসমীৰ সোণৰ মাটিত সোণ ছটিয়াই দিয়ে। বোকা পানীৰে লুতুৰি-পুতুৰি হৈ সি কাম কৰে। কামত তাৰ একাগ্ৰতা বাঢ়ে। উৎসাহ উদ্দীপনাৰে সি কেৱল কাম কৰি যায়। ধাননি পথাৰ সোণ বৰণীয়া ধানেৰে তিৰ্‌বিৰাই উঠে। ...... শৰতৰ আকাশত অনেক কুঁৱলি উৰে।

দিন যায়। ইফালে দীপালী গৈ দশম শ্ৰেণীত ভৰি দিলেগৈ। তাইৰ পঢ়াত একাগ্ৰতা দেখি বিধবা মাকৰ মনত অসীম আনন্দ জাগে। জীয়েকক মেট্ৰিক পাছ কৰাবলৈ তাই মনতে কল্পনা কৰে।

'মনে খেদে ৰজা হ'ব, বিধাতাই নিদিয়ে খুজি খাব।' দীপালীৰ পঢ়া পূৰাদমে চলিবলৈ ধৰে। কিন্তু এই সময়তে হঠাৎ মাক বেমাৰত পৰিল। বহুত চিকিৎসা কৰা স্বত্ত্বেও ভাল হৈ নুঠিল। নিৰুপায় হ'ল বেচেৰী দীপালী। তাইৰ একেজন সৰু ভায়েক আছে সিও অজলা। কি কৰিব তাই অকলে!! বৰ্ত্তমান হাতত যে তাইৰ টকা এটিও নাই। চিন্তা আৰু ভাবনাত তাইৰ শৰীৰ জৰ্জৰিত হ'ল। মুখ শুকাই আমঠু যেন হ'ল।

এনে দুৰ্দ্দশাত পৰি তাই স্কুললৈ যাবলৈ একেবাৰে বন্ধ কৰি দিলে। নিজৰ ভাগ্যকে ধিয়াই দুখমনে বহি থাকিল।

যাহওক ভগৱানে এফেৰি দয়াৰ চকুৰে চালে। প্ৰায় তিনিমাহ মানৰ মূৰত মাকৰ বেমাৰ ভালৰ ফালে আহিল আৰু প্ৰায় পষেক দিনৰ ভিতৰতে মাক সম্পূৰ্ণ সুস্থ হৈ উঠিল। কিন্তু দীপালীৰ পঢ়া আৰু নহ'ল। ইমানতে শিক্ষা সাং কৰি ঘৰুৱা কামত লাগি গ'ল।

ধাৰ নিছিগা পানীৰ সোঁতৰ নিচিনাকৈ শৰতৰ স্মৃতিবোৰো ঐতিহ্য ... আৰু এটা ... আছিবোলে ধৰিলে। স্মৃতিৰ আঁত

বিচাৰি যাওঁতে একোৰাৰ হালৰ আঁত হেকৰাব লগীয়াত পৰে। তথাপি নাঙলৰ ফালৰ জোঙা মুখখনে মাটিত খামোচ মাৰি ধৰে। ফালৰ জোঙা মুখখনে যেনেদৰে তলৰ মাটি ওপৰলৈ আৰু ওপৰৰ মাটি তললৈ নমাইছে — ঠিক সেইদৰে যেন শৰতৰ মনৰ মাটি-ডৰাতো স্মৃতিৰ নাঙলখনে হাল বাবলৈ আৰম্ভ কৰি দিছে। অতীত আৰু ভৱিষ্যত — দুটি বাংটালী পখিলা যেন ডেউকা কোবাই উৰি ফুৰিছে। সি ভাবে—দীপালী জীৱনৰ প্ৰথম লগৰী তাৰ। জীৱনৰ আদি পুৰাতে দীপালীয়ে যেন তাৰ হৃদয়ত এচেৰেঙা পোহৰ বিলাবলৈ আৰম্ভ কৰি দিছে আৰু সেই পোহৰতেই যেন উদ্ভাসিত হব তাৰ ভৱিষ্যতৰ সোণৰ সংসাৰখনো।

জীৱনৰ দাবী — ভৱিষ্যতে সি এখন সৰু সংসাৰ পাতিব লাগিব। আৰু তাৰ কাৰণে কাষত লাগিব তাক এজনী সঙ্গিনী। কিন্তু দীপালীয়ে জানো তাৰ ভৱিষ্যতৰ জীৱন সঙ্গিনী হব ? !! … …. বতাহ এচাটি গাৰ ওপৰেৰে পাৰ হৈ যায়। কাষৰ ধাননিডৰা বতাহত 'খচ্‌মচ্‌' কৰে। শৰতৰ বুকুখনতো কিহবাই খচ্‌মচাই উঠে।

বেলি আহি প্ৰায় মূৰৰ ওপৰ পাওঁ পাওঁ হ'ল। আজি শৰতৰ মাটিডৰাত কঠিয়া গুজিব। অলপ পিছতে যোৰনীয়াক আহি পাবহিয়েই। আজিয়েই যদি শৰতে কই নলয় পিছলৈ তেনে সুবিধা আৰু নাপাব। ……শৰত আৰু সুধনে খৰকৈ হাল খেদে…।

দূৰৈত বিশিকি বিশিকি দেখিবলৈ পালে এজাক গাভৰু। গাভৰুজাক সিহঁতৰ ফালেই আগুৱাই আহিছে। শৰতৰ মনত কিবা এটি শিহঁৰণ বৈ গ'ল। গাভৰুজাকৰ মাজত দীপালী আহিছেনে নাই ? সি ভাবে।

অলপ পিছতে গাভৰুজাক খিলখিলকৈ হাঁহি হাঁহি শৰতৰ যোকামন মাটিডৰাতে নামি পৰিল। আটাইয়ে মনৰ আনন্দত কঠিয়া গুজিবলৈ ধৰিলে। লগৰ এজনীয়ে মনৰ আনন্দতে নামকে

একাকি লগাই দিলে। আটাইয়ে নাম ফাঁকি ধৰিলে। শৰতে দেখিলে দীপালীৰ আজি মনটো মৰা। নামফাঁকি ধৰাত কিবা যেন তাই লাজহে কৰিছে। নেচাও বুলি ভাবিও শৰতে বাৰে বাৰে তাইৰ পিনেহে চায়। দীপালীয়েও শৰতৰ পিনে চায়। দুয়োৰে চকুই চকুই পৰে। ...এনেতে লগৰী এজনীয়ে কলে—'দীপালী, এটি বিহুকে লগাই দেচোন। বিহু নাচিবলৈ বৰ মন গৈছে।' লগে লগে বাকীবোৰেও একেমুখে কলে "হয় দীপা। বিহু এটিকে লগাই দিয়ানা ভাই আমি গাও। দীপালীয়ে আপত্তি কৰিবলৈ নৌপাওঁতেই কোনোবা এজনীয়ে চিকুটি দিলেহি। ক্ষন্তেক সময়ৰ পিছতে দীপালীৰ মধুৰ কণ্ঠস্বৰ ভাহি উঠিল

কপিলী ঘাটতে কাপোৰ ধুই আছিলোঁ।—
তুমি বাই আছিলা নাও
মোৰে ঐ চেনাইটি তোমাকে দেখা পাই
বিহু নাম একাকি গাওঁ।"

লগে লগে আটাইয়ে গিৰিপাই ধৰিলে। খেতি পথাৰ যেন লগে লগে বিহুতলিহে হ'ল। বিহুগীতৰ লগে লগে গাড়কইঁতৰ হাতো চলিছে খৰকৈ। এডৰা ডুডৰাকৈ কেইবাডৰাও ভুঁই কৰি শেষ কৰিলে। এনেদৰে বং ধেমালীৰে শৰতৰ মাটি ৰোৱা শেষ হ'ল।

—✱—

(দুই)

গাঁওখনৰ নাম ৰূপহী। অময়াপুৰ গাঁৱৰ পৰা প্ৰায় পোন্ধৰ কিলোমিটাৰ আঁতৰত। গাঁওখন পুৰণি আৰু ডাঙৰ।

ৰতন মৌজাদাৰৰ ঘৰ। সন্মুখত বিৰাট দালান এটা। পুৰণি-কলীয়া। দালানটো কেইখাপো টালীও সংযুক্ত। মৌজাদাৰৰ পিতা নাম বসন্তকান্ত চৌধুৰী। তেওঁৰ ধনৰ অভাৱ নাই। ধনে-প্ৰাণে, লাকবে-নাকবে জয়-জয়, ময়-ময় ঘৰখন।

চৌধুৰীৰ প্ৰথমা জীয়েক ৰেখা। ধনী মানুহৰ জীয়ৰী হলেও ৰেখাই দুৰ্ভাগ্যবশতঃ উচ্চ শিক্ষা নাপালে। অষ্টম শ্ৰেণীলৈ উত্তীৰ্ণ হৈছিল। কিন্তু হঠাতে এবাৰ ডাঙৰ অসুখত ভুগি বহুদিন স্কুল খতি হোৱাৰ কাৰণে তাই স্কুল এৰি পেলালে। আজি কালি তাই ঘৰতে থাকে এনেয়ে। মনে চিন্তে বিলা দৰা পালে বিয়াত বহিবৰ মন। চৌধুৰী-চৌধুৰাণীয়েও তাকেই ভাবিছে মনে মনে।

অতি সৰু কালৰ পৰাই ৰূপহীৰ বসন্তকান্ত চৌধুৰী আৰু অময়াপুৰৰ সদানন্দৰ ভিতৰত বন্ধুত্ব আছিল। তেওঁলোকৰ বন্ধুত্ব তাহানি ক্লাচ কোৰৰ ছাত্ৰ হৈ থকা অৱস্থাৰ পৰাই। সেই বন্ধুত্বৰ জৰী বৰ্তমানলৈও ছিণ্ডা নাই। বৰং গাঢ়হে হৈছে।

সোমবাৰ। আজি সদানন্দই এটা বিশেষ সকামত টাউনলৈ গৈছে। তেওঁ টাউনত এটা বাস্তাৰে বৰ্থনে আগুৱাই গৈ থাকে। এনেতে হঠাতে লগ পালে পুৰণি বন্ধু বসন্তকান্ত চৌধুৰীক। দুই বন্ধুৰ মিলন বাগত দুয়ো দুয়োকে হাঁহি সম্ভাষণ জনালে। তেওঁলোকৰ ভিতৰত প্ৰথমতে আলোচনা চলিল ঘৰ-সংসাৰৰ। লগে লগে চলিল পুতেক-জীয়েকৰ। বহু সময় আলোচনাৰ পিছত দুয়ো বিদায় লৈ দুইকালে ঘৰমুৱা হ'ল।

সন্ধিয়া ঘৰ পায়েই সদানন্দই ঘৈণীয়েকৰ লগত শৰতৰ বিয়াৰ বিষয়ে আলোচনা কৰিবলৈ ধৰিলে—

"হেৰা, তুমি শৰতক কথাটো ভালদৰে বুজাই কবা।" —সদানন্দই কয়।

"কব পাৰো। কিন্তু সি ......"

"ও, দীপালীৰ কথা কব খুজিছা। ঘৈণীয়েকৰ কথা শেষ নৌহওঁতেই সদানন্দই কথাৰ নেজত ধৰে।

"হয়। দীপালীক সি খুউব ভাল পায়।"

দীপালীক বিয়া কৰালে আমি সিহঁতৰ পৰা একোৱেই নাপাম। কাৰণ সিহঁত দুখীয়া। যদি বিয়াৰ খৰছো আমিয়েই দিব লাগে— তেনেহলে লাভতকৈ লোকচানহে হ'ব। বুজিছা, আজিকালি পুতেকৰ বিয়া পতা মানে ধনৰ কিছু অংশ নিজৰ হাতলৈ অনা। ৰত্নকান্ত চৌধুৰীৰ নিচিনা এজন সম্পত্তিশালী লোকৰ ছোৱালী বিয়া কৰা মানে ধনটো পায়েই লগতে সন্মানো। তাতেই তেওঁ নিজেই কৈছে— এই বিয়াৰ সকলো খৰছ তেওঁ বহন কৰিব। তাৰোপৰি উত্তৰপাৰৰ মাটিডৰা শৰতৰ নামত লিখি দিব। —এইদৰে কথাপাতি থাকোতে প্ৰণীতা সোমাই আহে। প্ৰণীতা সদানন্দৰ কনিষ্ঠা জীয়েক। শৰতৰ ভনীয়েক আৰু উচ্চ ইংৰাজী স্কুলৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী। দেখাত ৰূপহী। হওঁতে সদানন্দৰ এইজনীয়েই মৰমৰ জীয়েক। আৰু নাই। জীয়েকক ভিতৰ সোমাই অহা দেখি তেওঁলোকে কথা বন্ধ কৰিলে।

ৰাতি ভাত খাবৰ সময়ত মাহীমাকে শৰতক ধৰকৈ বুজালে। দীপালীৰ কুৎসা ৰচনাও গালে। মাহীমাকৰ বুজনিত শৰত মান্তি হ'ল যদিও খাটাং উত্তৰ দিয়া নাই। মাকে কলে—

"বুজিছ শৰত। দুখীয়াৰ ছোৱালী বিয়া কৰোৱাতকৈ ধনীকৰ ছোৱালী বিয়া কৰোৱাত লাভ বহুত। ভৱিষ্যত সুন্দৰ হৈ

থাকে। লাগ বুলিলেই সহায় পায়।"

"ভৱিষ্যতে কি হ'ব, কি সহায় কৰিব — এইবোৰ এতিয়াই কব নোৱাৰি মা। ভৱিষ্যত হ'ল নেদেখা, সুতনা কিবা এটা সপোন যেন লগা বস্তু। সুন্দৰ ভৱিষ্যত মই আশা নকৰো। পিছে......" শৰতে দীঘলকৈ সুৰ এটি টানে।

"পিছে খাটাং উত্তৰ পালে বিয়াৰ যোগাৰ........."

"নহয় —। মই আৰু দুবছৰ বিয়া নকৰাওঁ।"

মাহীমাকে দেখিলে শৰত নিজৰ কথাত অলৰ-অচৰ। তাই নানা বুদ্ধি সাজি ছোৱালীৰ ৰূপ-গুণৰ কথা বৰ্ণনা কৰিবলৈ ধৰিলে। ফলে —

"ছোৱালীক বহুত মানুহে চাবলৈ আহিছিল। কিন্তু কালৈকো দিয়া নাই। দেউতাক মাকৰ তোলৈহে দিবৰ ইচ্ছা।" শৰতে মাহীমাকৰ কথাবোৰ নীৰৱে শুনি থ'ল। বহুত সময়ৰ পিছত সুধিলে —

"ছোৱালীৰ নামটোনো কি ?"

"ৰেখা।" মাহীমাকে উত্তৰ দিলে। শৰতে পুনৰ একো প্ৰশ্ন নকৰিলে। নীৰৱে খোৱাত লাগি গ'ল।

ভাত খোৱা শেষ হোৱাত হাতমুখ ধুই শৰতে বিছনাত দীঘল দি পৰিলগৈ। "ৰেখা" নামটোৱে তাৰ মনত বাৰে বাৰে ৰেখা-পাত কৰিবলৈ ধৰিলে। ভাবি চিন্তি সি শুই থাকিল। মনত পৰিল, দীপালীলৈ। দীপালীক এৰি সি আদৰি লব — কোনোবা অচিনাকী ৰেখাক। সকৰে পৰা যাক সি ভাল পাই আহিছিল — যাৰ সহচৰ্য্যত গঢ়িব খুজিছিল এখনি সুন্দৰ সংসাৰ — তাইকেই বিসৰ্জন দিব লাগিব সি। হায়!! ...... ভাবি ভাবি তাৰ মনত দুখ লাগি যায়। দীপালীৰ ৰূপ-যৌৱনসম্পন্না দেহটো আৰু মুখৰ মিচিকি হাঁহিটো তাৰ চকুৰ আগত ভাহি উঠে। এক অব্যক্ত বেদনাত

চকুপানী টোকে।

পিছদিনা ৰাতিপুৱা সি দীপালীহঁতৰ ঘৰলৈ গ'ল। ঘৰত তেতিয়া দীপালীৰ বাহিৰে কোনো নাই। দীপালী তেতিয়া মুঢ়া-টোত বহি কমালত ফুল তুলি আছিল। শৰতক দেখি তাই অতি আদৰ সাদৰেৰে বহিবলৈ কলে। দীপালীৰ এনে মিঠা ব্যৱহাৰত শৰতৰ অন্তৰ পমি গ'ল। কিযে মৰমীয়াল এই দীপাজনী। — সি ভাবে আৰু দীপালীৰ পিনে একেৰাহে চাই থাকে। এটি করুণ হুমুনিয়াহ অন্তৰ ভেদি ওলাই আহে। বতাহত চুলিকেইদাল কঁপি উঠে।

"আজি দেখিছো ককাইদেউৰ মনটো মৰা।" দীপালীয়ে কয়।

"ভাৱৰ দেখিছা?" — শৰতে সোধে।

"বৰষুণ নামিব বোধকৰো।"

"এৰা দীপা কেৱল বৰষুণেই নহয় — শৰতৰ হৃদয়ত তীব্ৰ ধুমুহাৰ সৃষ্টি হব। সেয়েতো দেখিছা আজি ভাৱৰৰ নীৰৱ অভি-ব্যক্তি।" শৰতে সকৰুণ কণ্ঠে কৈ গ'ল। দীপালী আচৰিত হ'ল। আজি শৰতে ইমান দুখ লগাকৈ কিয় কলে বাৰু? কিয়বা তাৰ মাতত কৰুণতাৰ সানমিহলি!! তাই আচৰিত হৈ সোধে।

"কি হ'ল আপোনাৰ? মোক সঠিককৈ কওঁক।"

"এমাহৰ পিছত মোৰ বিয়া।"

"বিয়া" উচপ খাই উঠে দীপালী। উৎকণ্ঠাৰে সোধে — "কাৰ লগত?"

শৰত মনে মনে ৰ'ল। তাৰ পাছত লাহেকৈ কলে — "ৰূপহী গাওঁৰ ৰমাকান্ত চৌধুৰী মৌজাদাৰৰ জীয়ৰী ৰেখা চৌধুৰীৰ লগত।"

"উস্ ......।" দীপালী হঠাতে বহি পৰিল। শৰতে আলে ফুল হাতেৰে তুলি ললে। নীৰৱ কেইটিমান মুহূৰ্ত পাৰ হৈ গ'ল ...... বহু সময়ৰ পাছত দীপালীয়ে সকৰুণ মাতেৰে লাহে লাহে

কৈ গ'ল "আপুনি বিয়া কৰাওক শৰতদা। বিয়া কৰাই সুন্দৰ সংসাৰ ৰচনা কৰক। মোৰ আপত্তি নাই। কিন্তু শৰতদা, আপোনাক অনুৰোধ কৰো — যাতে সুখ উপভোগৰ মাজতো — এই দীপালী-জনীক পাহৰি নেযায় ...... ।"

"দীপা ! দীপা।।" কম্পিত স্বৰে মাত লগায় শৰতে।

"আৰু কথা নাই শৰতদা। শৈশৱৰ ধুলা খেলা সকলো পাহৰি যাওক। এটা নতুন জীৱন আৰম্ভ কৰক।"

"কিন্তু মই যে তোমাক ...."

"বুজিছো শৰতদা। আপুনি মোক ভাল পায়। মানুহে মানুহক ভাল পায় — ই চিৰ প্ৰচলিত ৰীতি। এখন হৃদয়ে আন এখন হৃদয়ক আপোন কৰি লবলৈ বিচাৰে — ইয়ো মানুহৰে ৰীতি। কিন্তু সব যে নোৱাৰে — তাতে বৈচিত্র্য। তাতে আছে সৌন্দৰ্য্য।"

"তেনেহলে তুমি সঁচাকৈয়ে মত দিলা ?"

"নিশ্চয় শৰতদা।। সঁচাকৈয়ে মত দিলো।"

শৰত কিছু সময় মনে মনে ৰ'ল। হঠাৎ গদ্‌গদ্‌ কণ্ঠে কৈ উঠিল — "মই আছিলো দীপা। যদি তুমি সঁচাকৈ মোক ভাল পোৱা, তেনেহলে এদিন, এদিন নিশ্চয় তোমাক পাম।"

ধীৰে ধীৰে শৰত বাহিৰলৈ ওলাই আহিল। বাহিৰত জেউতিয়া চোকা বদৰ বেঙুণি। শৰতৰ অন্তৰ ৰাজ্যত ৰঙা-কলা বৰণৰ খেলিমেলি জেউতি।

—*—

(তিনি)

ফাগুনৰ ৰংচঙীয়া দিনবোৰ। চাৰিওফালে বসন্তৰ কোমল সজীৱতা। গছৰ ডালে-পাতে উলাহ লহৰ। প্ৰকৃতিৰ সৰস শোভা।

শৰতৰ ঘৰত বিয়াৰ ধুম-ধাম চলিল। আজিৰ পৰা সাতদিন পিছত শৰতৰ বিয়া। গাৱঁৰ বুঢ়া-বুঢ়ীকে আদি কৰি কণ কণ ল'ৰা-ছোৱালী সকলোৱে অহা-যোৱা কৰিবলৈ ধৰিলে — দৰাঘৰীয়া পলুলিলৈ।

আজি শৰতৰ বিয়া। গাৱঁৰ বুঢ়া-বুঢ়ী, ডেকা-ডেকেৰী, ল'ৰা-ছোৱালীৰ মনত আনন্দৰ সীমা নাইকীয়া। যুৱতীসকলে কলহে কলহে পানী আনিবলৈ ধৰিলে। আয়তীসকলে উৰুলি জোকাৰেৰে গোটেই ঘৰ মুখৰিত কৰি পেলালে। গাৱঁৰ বায়নেৰে গোটেই ঠাই-ডোখৰ ৰজন-জনাই গ'ল।

খুব আনন্দ উলাহেৰে বিয়াখন পাৰ হৈ গ'ল। সকলোৱে হাঁহি ধেমালি কৰিলে। গীত গালে। আৰু যে কত কি নকৰিলে!! কিন্তু দীপালী? — তাইতো ধেমালি কৰা নাই। হঁহা নাই। আনবোৰ ছোৱালীৰ দৰে গীত গোৱা নাই। আনকি সমনীয়াৰ লগত মাত-বোলো কৰা নাই। মুখখন শুকান-মলিন।

তাইৰ মন আজি তিমিৰাচ্ছন্ন। হৃদয় ক্ষত-বিক্ষত। যাক তাই প্ৰাণৰ দেৱতা বুলি ইমান দিনে পূজা কৰি আছিছিল — যাৰ সৰল বাহুৰ মাজত কল্পনা কৰিছিল — এখন সোণৰ সংসাৰ, সেই শৰতেই আজি তাইক এৰি অন্য এখন হৃদয়ক আদৰি ললে। তেনেস্থলত তাই কি সুখেৰে ৰং-ধেমালি কৰিব। কি সুখেৰে মাৰিব মুখৰ মিচিকি হাঁহিটি। তাই আজি লজ্জাহতা। অবাঞ্ছিতা—বিষাদগ্ৰস্তা—শাপভ্ৰষ্টা নাৰী।

বিয়াৰ উখল-মাখলৰ মাজতো শৰতে নিৰলে দীপালীৰ মুখলৈ চায়। দেখে — তাইৰ মুখখন শুকাই গৈছে। চকু দুটাত সকৰুণ চাৱনি মূৰ্ত্ত হৈ উঠিছে। মনটো সেমেকি পৰিছে। .... তাৰ দুখ লাগি যায়। অজানিতে কৰুণ হুমুনিয়াহ সৰি পৰে। বেণ্ড-পাৰ্টিৰ মাত যেন তাৰ কাৰণে তিক্ত আৱাজ।

বাতি হোমৰ জুইত বহি শৰতে ভাবে — দীপালীৰ কথা। দীপালীৰ নিৰস মুখাকৃতি তাৰ চকুৰ আগত ভাহি উঠে। মনটো মৰহি যাব খোজে।

সি ভাবে — যদি এই বিয়া ৰেখাৰ সৈতে নহৈ দীপালীৰ সৈতে হ'লহেঁতেন! কিমান যে আনন্দ পালেহেঁতেন সি!! ...... বেচেৰী দীপালীজনী! কিমান যে দুখ পাইছে তাই!! হয়তো তীব্ৰ আঘাতে তাইৰ হৃদয় ভাঙি চুৰমাৰ কৰিছে!!!

ইফালে দীপালীয়ে ভাবে — শৰতে তাইক ফাঁকি এৰিলে! যি শৰতে তাইক ইমান মৰম কৰিছিল — যি শৰতক তাইও প্ৰাণতকৈও অধিক ভাল পাইছিল — যি শৰতেই, আনকি তাইক 'বিয়া কৰিম' বুলিও কৈছিল — সেই শৰতেই আজি তাইক পাহৰি গ'ল!! ...... দুখ আৰু অভিমানত তাইৰ বুক আচম্বাই কৰে।

—✱—

(চাৰি)

নিয়া পাৰ হৈ গ'ল।

অজানিত দুটি প্ৰাণী এটি হৈ পৰিল। অজ্ঞাত দুখন হৃদয় একনষ্ঠ পৰিণত হ'ল।

শৰত আৰু ৰেখা। শিল্পী শৰত হ'ল ৰেখাৰ হৃদয়দেৱতা। অৰ্দ্ধাঙ্গিনী ৰেখা হ'ল শৰতৰ প্ৰাণৰ কবিতা। মন আকাশৰ উজ্জ্বল সবিতা। যি সবিতাই কৰিব শৰতৰ সংসাৰ আলোকোজ্জ্বল।

শিল্পী শৰত। এবা শৰত শিল্পী। যাৰ হাতৰ কোমল পৰশত শুকান ধাননি সজীৱ হৈ উঠে, সোণালী ধাননি তিৰবিৰাই উঠে—তাক শিল্পী বুলি থাকিব নোৱাৰি। সেই কাৰণেই কোৱা হৈছে—শৰত শিল্পী। শৰতে হাল বায়/সোণসেৰীয়া বোকাৰে তাৰ গা পুতুৰি-পুতুৰি হয়। কৰ্মময় জীৱনটো কৰ্মত বিলাই দিয়ে।

তেতিয়া সন্ধ্যা। বনৰ পশু-পক্ষী আটাইয়ে নিজ নিজ স্থানত আশ্ৰয় লৈছে তেতিয়া। দিনত আহাৰৰ বাবে চিকাৰ, আত্মৰক্ষাৰ বাবে সংগ্ৰাম—ইত্যাদিৰ অন্তত সন্ধ্যা সকলোৰে বাবে বিশ্ৰামৰ প্ৰয়োজন। ই প্ৰকৃতিৰ ৰীতি।

আজি শৰতে দিনত অশেষ পৰিশ্ৰমৰ পিছত এই সন্ধিয়াতে অলপ বিশ্ৰাম লৈছে মাত্ৰ। জিৰণি ঘৰৰ চকীখনত গাটো হেলাই বহি পৰিছে। এনেতে ৰেখা সোমাই আহিল। এহাতে এটা চাহৰ কাপ আৰু আনহাতে জলপানৰ প্লেট। টেবুলৰ ওপৰত চাহৰ কাপটো থৈ দিলে। তাৰ পাছত জলপানখিনি বিধে বিধে সজাই দিবলৈ লাগি গ'ল। শৰতে হেঁপাহেৰে চাহ-জলপান খাবলৈ লাগিল।

.... আকাশত চন্দ্ৰমাৰ ৰূপালী আভা। তলত নিৰ্জন

মৰমৰ নীৰৱ আনন্দ। শৰতে খোৰাক মন দিলে। খোৰাক খাওঁতে শৰতে এবাৰ ভাবিলে—যদি এই জলপান দীপালীয়ে সজাই দিলে-হেঁতেন !!" —যেং অভিধাত ন'কালিব সুপোন মায়া থাকিবা নাই।" সি নিজকেই জবাব দিলে। ৰেখাৰ প্ৰতি তাৰ মৰম ওপজে। এবাৰ সি খিড়িকিৰে দূৰ নীলিমাত জিলিকি থকা জোন-টোলৈ চাই পঠিয়ালে। বহু সময় পিছত লাহে লাহে চকু ঘূৰাই সমাই আনি ৰেখালৈ চাই কলে —

"তুমি মোৰ কাৰণে ইমানবোৰ জলপান সজাইছা?"

"ও" চুটিকৈ উত্তৰ দিলে ৰেখাই।

"মোক ইমানকৈ খুৱাই তুমি কি পাবা?"

"পুৰুষ সন্তুষ্ট হলেই নাৰীৰ সুখ।"

শৰতে পুনৰ একো প্ৰশ্ন নকৰিলে। সি নীৰৱে খোৱাত লাগিল। ৰেখাই তাৰ কাষতে থিয় হৈ তামোল কাটিবলৈ ধৰিলে।

সাংসাৰিক জীৱনৰ প্ৰথম দিনবোৰ ৰেখাৰ কাৰণে খুউব মধুময় হৈ পৰিল। তাই আনন্দ উৎসাহেৰে পতি সেৱাত ৰত থাকিবলৈ ধৰিলে। শহুৰ, শাহু, দেৱৰ ননদহঁতো আপোনভাৱে আকোৱালি ললে।

ইপিনে শৰতেও পুৰণি কথা পাহৰি নতুনৰ পাতনি মেলিলে। নতুন দিনৰ বাতৰী আৱেশে তেওঁলোকৰ প্ৰাণত অজান সানি দিলে। দিনবোৰ যাবলৈ ধৰিলে। ....

সেইদিনা দুপৰীয়া। শাওনৰ তপত দিন এটা। ৰেখা ঘৰৰ ভিতৰত কিবা কামত ব্যস্ত আছিল তেতিয়া। এনেতে [illegible] ক'ৰবাৰ পৰা আহি উধা-মুধাকৈ মাত লগালে—"বৌ-বৌ!"

"কি? ... কি হ'ল?" —ৰেখা তৎক্ষণাৎ ভিতৰৰ পৰা ওলাই আহি [illegible] কাষ পালে। [illegible] উধাতু-খাই আহা-[illegible] হাঁহি মাৰি কলে —

"কতা? কি হোৱা দেখিলা। মোৰ একেবাৰেই হোৱা নাই দেখোন।"

"ইস্ —মগজ কম ল'ৰাটো। সদায় ঔষধ লগায়।" ৰেখাই কৃত্রিম খং দেখুৱাই কয়। সুধনে হাঁহি থাকে। ৰেখাই পুনৰ কলে—"পিছে কি লাগে কোৱা।"

"কিনো লাগিব আৰু? লাগে তোমাক।" সি বৌয়েকৰ কাষ চাপি আহিল। এনেতে বৌয়েকে কলে—

"যোৱা মজিয়াত ভাত সাজি থৈছো। খোৱাগৈ।" কথাষাৰ কয়েই তাই অন্যফাললৈ গুছি গ'ল।

পিছদিনা। বেলিটো অলপ হালিছে মাত্র। শৰতে ভাত খাই উঠি অলপ জিৰণি লৈছে তেতিয়া। এনেতে হাতত চুট্‌কেচ এটা লৈ এজন মানুহ উপস্থিত হ'ল তেওঁলোকৰ ঘৰত। মানুহজনৰ সাজপাৰ সাধাৰণ। অনুমানত ধৰিব পাৰি তেওঁৰ বয়স পশিচ বছৰৰ বেছি নহব। শৰতে তেওঁক সুধিলে—

"আপুনি কাক বিচাৰিছে?"

মানুহজনে শৰতৰ মুখলৈ চালে। সুধিলে—"ককাইদেউ! আপুনি ধীৰেন দাসৰ ঘৰ কোনখিনিত জানেনে? মই ধীৰেণৰ বন্ধু হওঁ। মোৰ নাম বসন্ত। গুৱাহাটীৰ পৰা আহিছোঁ।"

"হয়, জানো। পাছে ধীৰেন আজিকালি ইয়াত নাই নহয়। ৰেল বিভাগত চাকৰি পাইছে। তিনিচুকীয়াত থাকে।"

"বাৰু, অলপ জিৰণি লব পাৰিমনে?" বসন্তই সোধে।

"পাৰিব, পাৰিব—কিয় নোৱাৰিব।" শৰতে কলে আৰু ভিতৰলৈ মাতি নি বহিবলৈ দিলে। চাহৰ কাৰণে বৌয়েকক আদেশ দিলে। তাৰ হাত ধুবৰ বাবে পানী এলোটা আনি বসন্তক কলে—

"ভরি হাত ধুই লওঁক। বহুত দূৰৰ পৰা আহিছে। ভাগৰ লাগিছে হবলা।" বসন্তই কৃতজ্ঞতাসূচক চাৱনিৰে শৰতলৈ চালে।

চালে। পাৰ্ব্বতীলতা লৈ ভৰি হাত ধুবলৈ বাহিৰলৈ ওলাই গ'ল।

চাহ জলপানৰ পিছত দুপৰীয়াৰ ভাতৰ কাৰণে শৰতে তেওঁক অনুৰোধ কৰিলে—

"ধীৰেনৰ ঘৰ মানে মোৰেই ঘৰ বুলি ধৰি লওক। ধীৰেনৰ মাক মোৰ পেহীদেউ হয়। গতিকে ধীৰেনৰ ঘৰ আৰু মোৰ ঘৰ একেই। তাৰ্হে আৰু বাৰ নালাগে। দুপৰীয়াৰ ভাত সাজ ইয়াতেই গ্ৰহণ কৰক।"

"হৰ বাক। তেনেহলে কৰাইকেউৰ ঘৰতেই সোমাল্লো। কি ভাগ্য।" ...... সামান্য এটা হাঁহিৰ ৰোল উঠিল। ৰেখাও আহি হাঁহিত যোগ দিলে।

আবেলি। কৃষ্ণচূড়া গছৰ তলত ছাঁ ঘনিভূত হৈছে। ঝিৰ-ঝিৰকৈ শীতল বতাহ বৈ আছে। দুপৰীয়াৰ আহাৰৰ পিছত এই গছৰ তলতে বহি শৰতে বসন্তৰ সৈতে আলাপ কৰিছে। বসন্তই গাৱঁলৈ অহাৰ উদ্দেশ্য শৰতৰ আগত ব্যক্ত কৰিলে। তেওঁ কলে— "ধীৰেনৰ লগত মই বেছিভাগ সময় আমাৰ অসমৰ পিছপৰা গাওঁবোৰৰ কথাকেই আলোচনা কৰিছিলোঁ। গাৱঁৰ সুন্দৰ প্ৰাকৃতিক দৃশ্যবোৰ, বিশেষকৈ গাৱঁৰ সহজ সৰল মানুহবোৰক মোৰ খুব ভাল লাগে।" ধীৰেনৰ লগত একেলগে বহুতো গাৱঁলৈ ফুৰিবলৈ গৈছিলোঁ। গাৱঁৰ মানুহবোৰৰ সৈতে কথা-বতৰা পাতিছিলোঁ। তেতিয়াই ইচ্ছা হৈছিল — এদিন কলেজীয়া শিক্ষা শেষ কৰি গাওঁ উন্নয়নৰ কামত ব্ৰতী হ'ম। কলেজীয়া শিক্ষা শেষ কৰিলোঁ ধীৰেনৰ লগত একেলগে। ধীৰেন গাৱঁলৈ উভতিল। কিন্তু মোক দেউতাই বিশ্ববিদ্যালয়ত পঢ়িবলৈ দিলে। দুবছৰ তাত কেনেবাকৈ কটালোঁ। এম, এ পৰীক্ষাটো দিয়েই মই ধীৰেণৰ গাৱঁলৈ বুলি এইখিনি পালোহি। ধীৰেণে প্ৰতিশ্ৰুতি দিছিল। দুয়ো একেলগে গাৱঁৰ উন্নতিৰ হকে কাম কৰিম বুলি। কিন্তু সি মোক অপেক্ষা নক-

দিলে। এনে নৱজোৱানক চাকৰিটো গুছি গ'ল। বোধকৰো সি মোক পাহৰিলে।"

"—আপোনাৰ উদ্দেশ্য মহান। আপোনাৰ দৰে শিক্ষিত যুৱক এজন পালে আমিও ধন্য মানিম।"

"জানো, সময় আৰু সুযোগে কি কৰে।" বসন্তই মন্তব্য কৰে।

এমাহৰ পিছৰ কথা। শৰতহঁতৰ ঘৰত থাকিয়েই বসন্তই এই মাহটো কটালে। সেইদিনাৰ দৰে আজিও কৃষ্ণচূড়া গছৰ তলত দুয়োৰো আলোচনা চলিল। আজি এমাহ ঘূৰি গাওঁ সম্বন্ধে যি অভিজ্ঞতা লাভ কৰিলে সেই অভিজ্ঞতাৰ কালৰ পৰাই বসন্তই কবলৈ আৰম্ভ কৰিলে। —"মই ভাবিছিলোঁ গাওঁ এখন শান্তিৰ সৰগ। দেউতাৰ মুখে শুনিছিলোঁ। বাপুজীৰ প্ৰধান শিষ্য সন্তো বিনোবাৰ যত্নত গাওঁবোৰ হেনো ৰামৰাজ্যত পৰিণত হব ধৰিছিল। মানুহৰ মাজত দলাদলি, খিয়লাখিয়লি নাইকীয়া হৈছিল। শিক্ষাৰ প্ৰচাৰ ভালদৰে চলিছিল। বুঢ়া-বুঢ়ী সকলোৰে শিক্ষাৰ বোল ভালদৰে বৃদ্ধি উঠিছিল। কিন্তু দেখা গ'ল গাওঁ আজি আৰু সেই শান্তিৰ সৰগ হৈ থকা নাই। গাৱঁৰ মানুহ কিবা এক হিংসা-হিংসি ভাবত মত্ত হৈ পৰিছে। একতাৰ দোল ছিঙি চুৰমাৰ হৈছে" —বসন্তই কৈ যায়। শৰতে গম্ভীৰভাবে চিন্তা কৰে।

"গাৱঁৰ বাস্তা পদূলিবোৰ ভাঙি-ছিঙি পদচালনাৰ অনুপযোগী হৈ পৰিছে। বাস্তাত দলং বুলিবলৈ মাত্ৰ খ'কাটোহে আছে। মানুহে নিজৰ জীৱিকা উপাৰ্জনৰ পথকে পাহৰি গৈছে। শিক্ষাৰ প্ৰতি মানুহৰ ধাউতি নোহোৱা হৈছে। গাৱঁৰ নামত একশ্ৰেণী মানুহে সমাজৰ লাইখুটা ভাঙিব খুজিছে।" .... বসন্তই পুনৰ কয়। শৰতে একান্ত মনে শুনি যায়। "গাৱঁৰ পাঠশালাৰ দেখিছেনে? শোচনীয় অৱস্থা! গাৱঁৰ ল'ৰা-ছোৱালীক শিক্ষা দিবলৈ যে স্কুল ঘৰটো তাৰ্কিবে মেৰামতি কৰিব লাগে— তাৰ্ক

কোনেও ভাবি নাচায়” বসন্ত... কিছু সময় কিবা ভাবি থাকে। তাৰ পাছত পুনৰ আৰম্ভ কৰে – “খোৱা পানীৰ ব্যৱস্থা কৰা দূৰৈৰ কথা, নিজহাতে কৰা খেতিৰ ভাতকেইটাকো তেওঁলোকে পেট ভৰাই খাবলৈ নাপায়।” ... বসন্ত অলপ সময় তলকা মাৰে। শৰতে এই ছেগতে আৰম্ভ কৰিলে — “আপুনি ঠিকেই কৈছে। মহাত্মা গান্ধীৰ নিৰ্দেশ সৰ্বোবিনোৱাই ভূদান, শ্ৰমদান, মুষ্টিভিক্ষা আদিৰ আদৰ্শৰে সমাজক এক নতুন দিশলৈ আগুৱাই নিব ধৰিছিল। সেই আদৰ্শ যৎকিঞ্চিত কাৰ্যপ্ৰাপ্ত হব ধৰোতেই সমাজৰ জাইখুটা সংগ্ৰামী জনতাৰ ভৰিৰ গছকত থৰক্‌-বৰক্‌কৈ কঁপি উঠিল। ছেদেলি ভেদেলি হৈ গ'ল জনতা। অকালতে বিলীন হৈ গ'ল আদৰ্শৰ মূলতত্ব। বোমা ফাট, অগ্নিসংযোগ, মাৰপিট, জাতি সংগ্ৰাম ইত্যাদিৰে ধৰণী কঁপি উঠিল। শোষক গোষ্ঠীয়ে বলপূৰ্বক গাওঁবাসীৰ ওপৰত জাপি দিলে নিৰ্যাতন। অত্যাচাৰত তিষ্ঠিব নোৱাৰি গাৱঁৰ বহুতো উধাও হ'ল —কোনেও নেদেখা নজনা ঠাইলৈ। কিছুমানে অকালতে মৃত্যুবৰণ কৰিলে। বহুতো ঘূণীয়া হ'ল। সেই মৃতপ্ৰায় ভগ্ন গাওঁক আক কেনেকৈ সঞ্জীৱিত কৰি তুলিব ?!”

“তেনেকৈ নকব ককাইদেউ! আজি শান্তিকামী স্বাধীন ৰাষ্ট্ৰত গাওঁবোৰ এনে হৈ থাকিব নোৱাৰে। গাওঁবোৰ হব লাগিব— স্নেহৰ আলয়। মহাত্মা গান্ধীয়ে কৈ গৈছে— “গাওঁ জাতিৰ ৰাজহাড় স্বৰূপ।”—এনেস্থলত এই ৰাজহাড় স্বৰূপ গাওঁবোৰেই যদি পিছ পৰি থাকিবলগীয়া হয় জাতিৰ অস্তিত্বইবা থাকিব ক'ত? এইক্ষেত্ৰত আমি গাওঁবাসীক উৎসাহিত কৰিব লাগিব। গাওঁবোৰক উন্নতিৰ পথত আগবঢ়াই নিবলৈ যত্ন কৰাটো নিতান্ত প্ৰয়োজন হৈ পৰিছে। ভগ্ন, মৃতপ্ৰায় গাৱঁক পুনৰ সঞ্জীৱিত কৰি তুলিব লাগিব। এজাবৰ পথা পোহৰলৈ নিব লাগিব।

যিবোৰ গ'ল—গলেই। থকাচামে কষ্টেৰে হলেও এটা জাতিক জীয়াই ৰাখিব লাগিব।"

"আপোনাৰ নিচিনা শিক্ষিত যুৱক এজনে যদি এনে পিছ-পৰা গাওঁ এখনক আদৰি লয়—বহুখিনিয়েই কৰিব পাৰে সঁচাকৈ। কিন্তু আপুনি জানো চহৰৰ পৰা আহি এই লেতেৰা গাৱঁত থাকিব পাৰিব? ই জানো সম্ভৱ হব? পিছপৰা গাৱঁক তথা অঞ্চলক পোহৰৰ বেঙণি যোগাব পাৰিব জানো আপুনি? কলাবঁহ জানো পুনৰ যোৰা লগাব পাৰিব??

"নিশ্চয় কৰাইদেউ। ইযাৰ বাবে লাগিব আপোনালোকৰ একাগ্ৰতা আৰু সহযোগিতা।"

—★—

(পাঁচ)

সময় ৰাতিপুৱা।

আজি ৰাতিপুৱাতেই শৰত ওলাই গৈছে - বসন্তৰ লগত ফুৰিবলৈ। ৰেখা ঘৰত অকলে। শহুৰেক শাহুৱেকো ঘৰত নাই। প্ৰণীতাও স্কুললৈ গৈছে। ৰেখাৰ মনটো উকতা উকতা লাগিল। সময় কটাবলৈ বুলি তাই হাতত উল লৈ গুঠি থাকিল। এনেতে সুধন ক'ৰবাৰ পৰা আহি পালে। বৌয়েকক অকলশৰে থকা দেখি তাৰ কেনেবা কেনেবা লাগিল। ......তেতিয়া পুৱা ন বাজিছে। নিৰ্জ্জন এটা পৰিবেশে গোটেই ঠাই আৱৰি পেলাইছে। এই নিৰ্জ্জনতাত সি আৰু তাৰ নবৌয়েক। যৌৱনৰ উন্মত্ত বতাহত সি বলিয়া। তাৰ নবৌয়েকৰ দেহত তেতিয়া যৌৱনৰ পূৰ্ণ পয়োভৰ। লাৱণ্যভৰা দেহত প্ৰেমৰ মাদকতা। ......সি বহুত সময় বৌয়েকৰ ফালে চাই থাকিল। কিবাকিবি বহুত ভাবিলে — মনে মনে। ঠিক যেন এনে এটা সুযোগকে সি ইমানদিনৰে পৰা বিচাৰি আছিল। আজি সুবিধা মিলিছে। সি নীচ এটা মনোভাব লৈ বৌয়েকৰ ওচৰ চাপিল। মাত লগালে — 'নবৌ'।

"উ।" নাকেৰে উচ্চাৰণ কৰিলে ৰেখাই। সুধনে পুনৰ ৰেখাৰ তেজোদীপ্ত দেহলৈ চাই নীৰৱে এটি হুমুনিয়াহ কাঢ়িলে। শিৰাই শিৰাই বিজুলী শিহৰণ সঞ্চাৰিত হ'ল তাৰ। হঁতকুৱা কামুকি ৰেখালৈ দৃষ্টি নিক্ষেপ কৰিলে। 'নাই' আৰু দূৰ নোৱাৰি' সি মনতে ভাবিলে। ৰেখাই আগৰদৰেই উল গুঠি বহিয়েই থাকিল। নীৰৱ মুহূৰ্ত কেইটামান পাৰ হৈ গ'ল। "নবৌ", হঠাৎ কম্পিত স্বৰে সুধনে ৰেখাক মাত লগালে আৰু উল গুঠি থকা ৰেখাৰ

হাত এখনত খাপ মাৰি ধৰিলে। ৰেখাই বুজিলে তাৰ মতলব্। তাই খঙেৰে কলে — "গুছ ইয়াৰ পৰা।"

"নুগুছো।" দৃঢ় অথচ কম্পিতস্বৰে উত্তৰ দিয়ে সুধনে। ৰেখাৰ হাতখন তাৰ গাৰ ফালে লাহে লাহে টানিবলৈ ধৰিলে। নীচভাবে ভৰা সুধনৰ প্ৰতি ৰেখাৰ খং দুগুণে চৰিল। তাই এইবাৰ টানকৈ আঁজোৰ মাৰি খঙেৰে কলে — "আঁতৰ হ ইয়াৰ পৰা নীচ কৰবাৰ। ইয়াৰ পৰা তুৰন্তে গুছি যাব লাগিব। ককায়েৰ আহিলে এতিয়াই কৈ দিম সকলো।" —কথাখিনি কৈয়েই তাই ভোঁ-ভোঁৱাই বাহিৰলৈ ওলাই গ'ল। সুধনে তাতেই থিয় হৈ থাকিল। সি হতাশ নয়নেৰে আকাশলৈ চালে। তাত শত শূণ্যতাৰ বাহিৰে সি আৰু একো দেখা নাপালে......।

লাহে লাহে দিনৰ প্ৰখৰ ৰদ আঁতৰি গ'ল। সূৰ্য্য পশ্চিম আকাশত অস্তমিত হ'ল। সন্ধ্যা লাগিল। ৰাতি আহিল। জোনবায়ে আকাশত ভুমুকি মাৰিলে। গোটেই ধৰণি উদ্ভাষিত হ'ল।

ৰাতি ভাত পানী খাই উঠাৰ পিছত ৰেখাক শাহুৱেকে কলে— "যা আই। ইমান সময়ে জুইৰ কাষত কাম কৰি ঘামি ৰামি কিবাকনী হৈ পৰিছ। অলপ দূৰ বতাহকে লৈ'গৈ। মই ইফালে ঠিক্ ঠাক্ কৰি থম।"

শাহুৱেকৰ কথা শুনি ৰেখাই পদূলি মুখলৈ ওলাই গ'ল। দেখিলে—পূৰ্ণিমাৰ জোনবায়ে ৰূপালী জেউতি চৰাইছে তাত। গোটেই ঠাইডোখৰ উদ্ভাষিত হৈছে। কৃষ্ণচূড়াৰ ফাকেৰে জোন-বায়ে যেন তাইকো ভুমুকিয়াই চাইছে। ৰাশি ৰাশি কিৰণমালা ছটিয়াই দিছে। বতাহৰ মৃদুস্পৰ্শত গোলাপীজোপাই হাঁহি কান্দি নাচি আছে। চম্পাফুলবিলাকে পাহি মেলি দিছে—জোনালীৰ

স্নিগ্ধতাত। —তাইৰ ভাল লাগি যায়। গা মন শাত পৰি যায়। ....

বাগিচাৰ পৰা নানা তৰহৰ ফুলৰ সৌৰভ ভাহি আহে। তাইৰ মনটো ব্যাকুল হৈ পৰে। মৰম লাগে আকাশৰ জোনটোলৈ। মৰম লাগে পৃথিৱীৰ প্ৰস্ফুটিত ফুলবোৰলৈ। তাই যেন আদৰেৰে আকোৱালি ধৰি চুমা এটি খাব ফুলবোৰক !! চুমাৰে যেন দুইকুল ওপচাই দিব !! —তাই মনৰ আনন্দতে বাগিচাৰ মাজলৈ সোমাই যায়। আচৰিত! তাই দেখে—গোলাপজোপাৰ আঁৰত কোনোবা একজন লুকাই আছে। তাই অলপ স্তব্ধ হ'ল। এনেতে প্ৰণীতা খিল্‌খিল্‌কৈ হাঁহি তাৰ পৰা ওলাই আহিল। প্ৰণীতাৰ চকুবাদি দেখি ৰেখাৰো হাঁহি উঠিল। দুয়ো হাঁহিলে। হাঁহি হাঁহি ৰেখাই সুধিলে—"তই কাৰ কথা ভাবি আছিলি অ' প্ৰণীতা?"

"কাৰ কথা ভাবিম। ভাবিছিলোঁ আকাশৰ চন্দ্ৰৰ কথা।" উত্তৰ দিলে প্ৰণীতাই।

ৰেখাই পুনৰ ঠাট্টা কৰি সুধিলে—

"পৃথিৱীৰ 'ৰবিৰ' কথা নহয়তো?"

"ধেৎ। ৰবিৰ কথা কিয় ভাবিম। দৰ্কাৰেই বা কিয়?"

"কিয়? ৰবিয়ে দেখোন তোক খুব ভাল পায়।"

"ইস্। কি কথাবোৰ যে কোৱা।" —এইবুলি প্ৰণীতাই ৰেখাৰ গাত দুটামান চাপৰ মাৰে। ৰেখাই হাঁহি হাঁহি কয়—"কিনো কৰিলোঁ ঐ, এই আকৰীজনী। ৰবি মানে সূৰ্য্য নহয় জানো? মিছাতে মোক কিয় মাৰিছ?"

"পিছে তুমি জানো সূৰ্য্যৰ কথা কৈছা?" প্ৰণীতাই সোধে।

"পিছে একা?" —এইদৰে ৰং ধেমালি কৰি দুয়ো বহুত সময় কটাই দিলে। বাকি দহমান বজাত দুয়ো শুই থাকিলহি।

—✱—

(ছয়)

বহাগৰ আবেলি এটা।

আকাশত ডাৱৰ নাই তেতিয়া। ৰিব্ ৰিব্ কৈ বলি থকা বতাহচাটিত গছৰ পাতবোৰ লৰিছিল। চেঁচা বতাহৰ আলসুৱা পৰশে মনবোৰ শাত পেলাই গৈছিল। অস্তগামী সূৰুযৰ হেঙুলীয়া আভাত গোটেই পৃথিৱী ৰক্তাভ হৈ উঠিছিল। পশ্চিম দিগন্তত থিয় হৈ থকা ওখ ওখ গছবোৰৰ মাজত সূৰুয দেৱতাই লুকা-ভাকু খেলিছিল। যেন সেউজীয়া গছবোৰৰ ওপৰত লোহিত বৰ্ণৰ ঘূৰণীয়া বৃত্ত এটি টল্ বলাই আছে। চাই থাকিলে চাই থাকিবৰে মন যোৱা ছবিটিৰ দৰে এটি প্ৰাকৃতিক দৃশ্যত পৰিণত হৈছে।

এই সময়ত হয়তো কবিৰ মনত উদয় হৈছে কবিতাৰ ছন্দ। গায়কৰ কণ্ঠত বাজিছে সুৰৰ লহৰ। প্ৰেমীকাৰ হৃদয়ত বৈছে প্ৰেমৰ নিজৰা। আৰু ব্যৰ্থ জীৱনৰ? —ব্যৰ্থ জীৱনৰ হৃদয়ত বাজিছে — ব্যৰ্থতাৰ করুণ বিননি।

দীপালী আজি কি? ব্যৰ্থ। তাই ব্যৰ্থ — শৰতৰ কাৰণেই। শৰতে যদি তাইক আদৰেৰে আপ্যায়িত কৰি সাদৰে গ্ৰহণ কৰিলে-হেঁতেন, শৰতে যদি তাইক মৰমেৰে বুকুত সাৱতি ললেহেঁতেন, তাই নিশ্চয় সুখী হ'লহেঁতেন!! কিন্তু নাই। শৰতে সেইখিনি নকৰিলে। সেই কাৰণেই দীপালী আজি ব্যৰ্থ। ব্যৰ্থ তাইৰ ৰূপ, ব্যৰ্থ তাইৰ জীৱন — যৌৱন। হৃদয়ৰ প্ৰাচীৰ ভাঙি অবাধে ওলাই আহিছে দীপালীৰ বিফলতাৰ করুণ অশ্ৰুধাৰা। তাই যেন আজি চিঞৰি চিঞৰি কৈ ফুৰিব — "মই ব্যৰ্থ। মোৰ জীৱন অসাৰ্থক। পঙ্গু।" আৰু যেন কৈ দিব — "দুনিয়াত কোনেও কেতিয়াও কাৰো

প্ৰেমত নপৰিবা। প্ৰেমৰ নামত মিছাতে কলঙ্কৰ কালিমা নেসানিবা। প্ৰেমীক-প্ৰেমীকাৰ মুখা পিন্ধি অবাবত সময় নকটাবা।"
.... কিন্তু নাই। লাজ আৰু অপমানে তাইক হেঁচা মাৰি ধৰে। অব্যক্ত বেদনাত তাই ইচাটি-বিচাটি কৰে।

নানা ভাবৰ উৰ্ম্মিমালাত তাই বিচাৰি পালে — এটি পথ। দেশসেৱাৰ। ভীৰু কাপুৰুষৰ দৰে তাই আত্মহত্যা নকৰে নাইবা ভুল নীতিৰে পৰিচালিত সংগ্ৰামত অন্যান্য ডেকা গাভৰুৰ দৰে জপিয়াই পৰি দেশসেৱাৰ নামত আত্ম বলিদান নিদিয়ে। তাই ইয়াতে থাকিব, এই সমাজতে থাকি দেশসেৱা কৰিব। যি কেইজন বাচি আছে সেইবোৰক লৈয়েই এখন সুন্দৰ সমাজ গঢ়ি তুলিব। তাই ঠিৰাং কৰিলে — যি কোনো প্ৰকাৰে হলেও তাইৰ নিজৰ গাওঁখনক জাকত জিলিকা কৰি গঢ়ি তুলিব। তাই কিতাপে পত্ৰই পঢ়িবলৈ পাইছে — মহিলাৰ শিক্ষা আৰু শ্ৰমৰ আৱশ্যকতা কি?
.... তাই তাকেই কৰিব। নাৰী জাগৰণ গঢ়ি তুলিব। নাৰীমুক্তি আন্দোলন কৰিব। নাৰীক ঢেকীশাল আৰু ৰান্ধনীশালৰ অন্ধকূপৰ পৰা পোহৰলৈ তুলি আনিব। অন্ততঃ গাৱঁৰ নাৰীসমাজৰ কিছুমানক শিক্ষিতা কৰি তুলিব। তাই এখন অনুষ্ঠান গঢ়িব। তাত কমেও গাৱঁৰ তিৰোতাবোৰক বোৱন-কাটন শিক্ষা দিব পাৰিব। ...... তাই ভাবি যায়। ভাবি ভাবি মনত ভাল লাগে। দেশসেৱাৰ প্ৰতি তাইৰ প্ৰবল হেপাহ জন্মে।

—✱—

(সাত)

সিদিনা যি ভুল সুধনে কৰিলে — তাৰ কাৰণে সি আজি নিজেই অনুতপ্ত। সেইদিনাৰ পৰা সি নবৌয়েকক আৰু নামাতে। আনকি লগ-সমনীয়াৰ লগতো ৰবৰেছি কথা-বতৰা নাপাতে। কেৱল নিৰ্জ্জীৱ পদাৰ্থৰ দৰে কাম কৰি যায়। কাম কৰাই তাৰ ধৰ্ম্ম — কৰ্ত্তব্য।

সুধনৰ অৱস্থালৈ চাই ৰেখাৰ অজানিতে এটি হুমুনিয়াহ ওলাই আহে। তাই ভাবে — এয়া সুধনৰ দোষ নহয়। দোষ সময়ৰ। দোষ তাৰ যৌৱনৰ। যৌৱনৰ চঞ্চল বতাহে তাকো উকৰাই নিছিল — তেনে এটি নীচ প্ৰবৃত্তিত ব্ৰতী হবলৈ। .... তাই ভাবি যায়। এনেতে দীপালী তাইৰ ওচৰত হাজিৰ হ'ল। দীপালীয়ে হাঁহি হাঁহি ক'বলৈ ধৰিলে — "নবৌ, অতি সুখৰ বিষয়। আজি নাৰী জাগৰণৰ সোণালী সুযোগ আহিছে। পৃথিৱীৰ বুঢ়ী-যুৱতী সকলোৰে বাবে এই সুযোগ অতি আপুৰুগীয়া। তাহানিৰ দৰে আজি আৰু ঢেকীশালতে বন্দিনী হৈ থাকিব নালাগে। আজি আমাক সমাজে মুখ তুলি ক'বলৈ সুবিধা দিছে। জাগা নবৌ। জাগি উঠা সকলোৱে।" — নাটকীয় ভঙ্গিমাৰে দীপালীয়ে কথাখিনি কৈ শেষ কৰে। তাইৰ কথা শুনি ৰেখাই মাত লগালে— "বাঃ তুমি দেখোন বিৰাট লেক্‌চাৰ মাৰিলাহি। কিনো কথা, বুজাই কোৱানা।"

"এৰা নবৌ! যদি লেক্‌চাৰ দিছো বুলি ভাবিছা — তেনেহলে লেক্‌চাৰকে দিলোঁ দিয়া। মোৰ কথাত কিন্তু গুৰুত্ব আছে নবৌ।"

"তুমি দেখিছো বেছ কথা কব জানা।" ৰেখাই ধলাগে। তাকে শুনি দীপালীয়ে কয় —

"ধলাগৰ শৰাই বাদ দি তামোলৰ শৰাইখন দিলেহে আল পালোহেঁতেন নবৌ।" কয় আৰু হাঁহে। দীপালীৰ কথাত ৰেখাৰো হাঁহি উঠে। তাই খিল্ খিল্কৈ হাঁহি হাঁহি ভিতৰ সোমাল। ক্ষন্তেক পিছতে তামোল পাণেৰে ভৰপুৰ কৰি বটাখন দীপালীৰ কাষে আগবঢ়াই দিলেহি। দীপালীয়ে তামোল এখন মুখত ভৰালে। পাণত এখোপা চূণ লৈ মুখত ভৰালে আৰু গপ্ গপ্কৈ চোবাই কলে —

"স্কুল এৰিবৰে পৰা মোৰ এই চূণ বৰ প্ৰিয় হৈ পৰে। চূণ নাখালে তামোলখনত সোৱাদেই নুঠে।"

"এৰাতো। চূণেই বোলে গুণ, চূণ নাখালেনো তামোলখনে কি গুণ দিব।" ৰেখাই ধলাগে আৰু হাঁহে। দীপালীও হাঁহে। হাঁহি শেষ হোৱাৰ পিছত দীপালীয়ে কলে —

"এটা কথা নবৌ। আমাৰ গাৱঁত মহিলা সমিতি এখন গঠন কৰিব লাগে। গাৱঁৰ সকলো মহিলাই লগ লাগি এই কাম কৰিব লাগিব। ভাঙিব ধৰা গাওঁখনক পুনৰ যোৰা লগাব লাগিব। মৃতপ্ৰায় মানুহবিলাক পুনৰ সঞ্জীৱিত কৰি তুলিব লাগিব। তুমি যাব পাৰিবানে নবৌ?"

"কিয় নোৱাৰিম। এনে মহৎ উদ্দেশ্যত আমি সকলোৱে হাত ধৰাধৰিকৈ আগুৱাব লাগে। মই যাব পাৰিম।" ৰেখাই দৃঢ়তাৰে কয় আৰু ইচ্ছা প্ৰকাশ কৰে।

"ধন্যবাদ নবৌ! তোমাৰ দৰে আৰু কেইজনীমানে উৎসাহ দিলে আমি অনতিপলমে সমিতিখন গঠন কৰিব পাৰো।" এইদৰে কথা বতৰা হোৱাৰ পাছত দীপালী অন্যকালে উঠি গ'ল।

ইফালে শৰত আৰু বসন্তৰ বেধানেলেৰো পৰিয়ালৰ কলহ

গাঁৱঁৰ ভাঙিব ধৰা পাঠশালাটো পুনৰ সজীৱ হৈ উঠিল। আগৰ শিক্ষকজনে অনিয়মিতভাৱে স্কুল কৰাৰ বাবে বসন্ত নিজেই অবৈতনিক সহকাৰী শিক্ষকৰূপে স্কুলখন চলাব ধৰিলে। উচ্চ শিক্ষাৰে শিক্ষিত হলেও বসন্ত গৰ্বিত নহয়। সেয়েহে তেওঁ সাধাৰণ পাঠশালাখনত কণ কণ ল'ৰা-ছোৱালীজাকক শিক্ষাদানত কোনোগুণে কাৰ্পণ্য কৰা নাই। আজি-কালি স্কুলত ল'ৰা-ছোৱালীৰ সংখ্যাও বহুত বাঢ়িল। যাহওঁক, বসন্তৰ মনবাঞ্ছা পূৰ্ণ হ'ল। তেওঁ এতিয়া গাৱঁত এখন সমবায় সমিতি আৰু ৰাজহুৱা পুথিভঁৰাল এটা স্থাপন কৰিবলৈ সংকল্প কৰিছে। এই বিষয়ে ৰাতি শৰতৰ সৈতে আলোচনাত বহিল —

চকীখনত ভালদৰে বহি লৈ বসন্তই ক'বলৈ ধৰিলে — "বুজিছে ডেকা, সমবায় সমিতিৰ পৰা গাওঁবাসী বহুত উপকৃত হব। ইয়াৰ কাৰণে লাগিব আপোনালোক সমূহ ৰাইজৰ মতামত। — গাৱঁৰ ডেকাদলৰ অশেষ শ্ৰম। যাহওঁক, আমি প্ৰথমতে এটা পুথিভঁৰালকে আৰম্ভ কৰোহঁক।"

"নামত এটা পুথিভঁৰাল আছিলেই। 'জ্ঞান প্ৰদীপ পুথিভঁৰাল।' কিন্তু ডেকাদলৰ খাম-খেয়ালি, ৰাইজৰ অমনোযোগীতাত এইটো মৃতপ্ৰায় অৱস্থাত আছে।" শৰতে কলে। শৰতৰ কথা শুনি বসন্তই কলে —

"এই পুথিভঁৰালটোকে পুনৰ সঞ্জীৱিত কৰি তুলিব লাগিব। পুথিভঁৰাল থাকিলেহে ল'ৰা-ছোৱালীৰ কিতাপ পঢ়া অভ্যাস গঢ়ি উঠিব। আজি চৰকাৰে গাওঁবাসীৰ শিক্ষাৰ কাৰণে কিমান টকা খৰচ কৰিছে। কিমান যোজনা হাতত লৈছে। কিমান সুযোগ আগবঢ়াইছে। এই সুযোগ গাওঁবাসীয়ে লব জনা নাই। গাওঁবাসী কেৱল অঁৰিয়া-অঁৰি ভাৱত মত্ত হৈ থাকিলে নহব। ল'ৰা-ছোৱালী বিপথে গৈছে। গাৱঁৰ শিক্ষিত নিবনুৱা চহৰৰ ফালে ঢাপলি

মেলিছে। চৰকাৰে স্বনিয়োজন আচনি প্ৰস্তুত কৰি আমাৰ চকুৰ আগত দাঙি ধৰিছে। আমি তাক দেখা নাই। চৰকাৰী চাকৰি-কেই জীৱিকাৰ একমাত্ৰ সুগম পথ বুলি ভাবি প্ৰহেলিকাময় জগত এখনত ঘূৰি ঘূৰি হাবাথুৰি খাইছো। কিন্তু ইমানবোৰ আচনি আমাৰ আগত থকা স্বত্বেও তাক গ্ৰহণ কৰিব পৰা নাই। গতিকে এই সুযোগ আমি লব লাগিব। বিপথে যোৱা ডেকাচামক পুনৰ ঘূৰাই আনিব লাগিব।"

"মহিলা সমিতিখন একা?" শৰতে প্ৰশ্ন কৰে।

"মহিলা সমিতি হ'ব। অলপ জোৰ দিলেই আইদেউ সকলৰ মাজত সমিতিখন গঠন হৈ যাব। ইতিমধ্যে দীপালী এই কামত লাগি গৈছে।"

"আপোনাৰ ইচ্ছা হলে ই হৈ উঠিবই — এইটো ধুৰুপ।" শৰতে কয়।

—●—

(আঠ)

বসন্তৰ অনুগ্ৰহৰ ফলতেই আজি গাওঁবাসীৰ মনবোৰ সজীৱ হৈ উঠিছে। চহৰৰ শিক্ষিত যুৱক এজনে এনেকুৱা পিছপৰা গাওঁ এখনক আদৰি লোৱাৰ কাৰণে তেওঁক সকলোৱে ধন্যবাদ দিলে আৰু তেওঁৰ কথামতেই চলিবলৈ সম্মতি প্ৰকাশ কৰিলে। আজি কালি অময়াপুৰ গাওঁ আগতকৈ বহুত উন্নতিৰ পথত অগ্ৰসৰ হৈছে। গাৱঁৰ ৰাস্তাটোও এইবাৰ নতুনকৈ বন্ধোৱা হ'ল। আগৰ বোকা পানী আজি আৰু নাই। কোনো এক মহাপ্ৰলয়ৰ অন্তত পৃথিৱীৰ বুকুত যি এটা অৱস্থাৰ সৃষ্টি হব পাৰে — ঠিক তেনে অৱস্থাই খিতাপি লৈছিল অময়াপুৰ গাওঁতো। কিছুমান ভুল নীতি আৰু আদৰ্শৰে পৰিচালিত হব ধৰিছিল জনতা। উদ্দীপ্ত সূৰ্য্য ৰাহুৰ কৰাল গ্ৰাসত লুপ্তপ্ৰায় অৱস্থা। কিন্তু বসন্তৰ আবিৰ্ভাৱে যেন সকলোকে ৰক্ষা কৰিলে। সদায় পুৱা দুপৰীয়া আৰু গধুলি ল'ৰা-ছোৱালীহঁতে খেল-ধেমালিতে সময় নষ্ট কৰিছিল। এতিয়া সিহঁতে এইবোৰ বাজে খেল এৰি পঢ়া শুনাত লাগি গৈছে। ধূলিতে লুতুৰি-পুতুৰি হৈ পৰি থকা ল'ৰাবোৰে চাফচিকুণতাৰ ফালে মনযোগ দিছে। মুঠৰ ওপৰত এজনে আনজনক দেখি প্ৰায়বোৰ ল'ৰাই শিক্ষাৰ প্ৰতি ধাবিত হৈছে।

বসন্তই এই কেইদিন পুথিভঁৰালৰ কাৰণে বৰকৈ উঠি পৰি লাগিছে। কামত সহায় কৰিছে শৰত ডেকাই। গাৱঁৰ অৰ্দ্ধশিক্ষিত ডেকা সকলেও বৰ আগ্ৰহেৰে কামত লাগিছে।

আবেলি জিৰণিৰ সময়ত বসন্তই শৰতক কলে — "গাৱঁত সঁচাকৈ ভাল খোৱা পানীৰ ব্যৱস্থা নাই। নৈৰ পানী খবালি

ব্যৱহাৰ কৰিব পাৰি। কিন্তু বাৰিষা কেনে-কোটোকাৰে বাঢ়ি অহা পানী কেনেকৈ ব্যৱহাৰ কৰিব? সেই যে পুখুৰীটো, তাত মানুহে গা ধোৱে, কাপোৰ ধোৱে, গৰু মহেও তাতেই পানী খায়। তাৰেই পানী মানুহেও খায়। কিমান লেতেৰা, কিমান ঘৌশলগা!! এই-বোৰ লেতেৰা পানী খালে মানুহৰ বেমাৰ নহৈ হব কাৰ? চৰকাৰে বাইজৰ সুবিধা হওক বুলি ঠায়ে ঠায়ে দমকল বহুৱাই দিছে। ঘতুৰ অভাৱত সেইবোৰ তেনেকৈয়ে পৰি আছে। ব্যৱহাৰত নাই।" কিছু সময় বসন্ত মনে মনে ৰয়। পুনৰ কলে — "দমকল গাওঁৰ বাবে পৰ্য্যাপ্ত নহয়। ইয়াতকৈ পুখুৰীয়েই প্ৰশস্ত।"

"পুখুৰীৰ কাৰণে ভাল মাটি এডৰাৰ আৱশ্যক। এই মাটিৰ ব্যৱস্থা কৰিব লাগিব।" শৰতে কলে।

"এৰা, এডৰা মাটি লাগে। গাওঁৰ কেন্দ্ৰস্থলত হলে ভাল হয়।" বসন্তই কয়। এইদৰে কথা বতৰা হোৱাৰ পিছত শৰত আৰু বসন্তই গাওঁৰ এফাললৈ ওলাই গ'ল।

কেইদিনমান পিছতে শৰতৰ পদূলিমুখৰ মাটিডৰাতে পুখুৰী খন্দাৰ ধুম-ধাম চলিল। শৰতে স্বইচ্ছাই সমাজৰ মঙ্গলৰ কাৰণে, জনগণৰ হিতৰ কাৰণে নিজৰ মাটিডৰা স্বাৰ্থত্যাগী এৰি দিলে। পূৰা বিশদিন নেৰা-নেপেৰাকৈ লাগি থকাৰ পিছত পুখুৰী খান্দা কাম শেষ হ'ল। পুখুৰীৰ নিৰ্ম্মল পানী জলমলাই উঠিল। পুখুৰীৰ চাৰিওফালে লোৰ কাইটেৰে বেৰ দিলে যাতে গৰু-ম'হ আদি প্ৰবেশ কৰিব নোৱাৰে। —এইদৰেই অময়াপুৰ গাওঁখনি বসন্তৰ উদ্যমৰ ফলত ক্ৰমে ক্ৰমে উন্নতিৰ পথত আগবাঢ়িব ধৰিলে। গাৱৰ স্কুল-ঘৰ নামঘৰ টিনপাতৰ চালেৰে জিকমিকাই উঠিল।

শৰতৰ ঘৰৰ ওচৰতে গাৱৰ পাঠশালা স্কুলটো। স্কুলঘৰৰ সমুখত এখন ধুনীয়া ফুলৰ বাগিচা। বাগিচাৰ মাজেৰে পোনেই

স্কুলৰ সোমাব পৰা বাটটো। বাটৰ কাষে কাষে নানা ধৰণৰ ফুলৰ গছ। গছত আমোলমোলাই থকা অলেখ ফুল। ইত্যাদি নানা ধৰণে সুশোভিত স্কুলৰ প্ৰাঙ্গন।

সোমবাৰ। সপ্তাহৰ প্ৰথম দিন আজি। বসন্ত আজি অলপ সোনকালেই স্কুলত উপস্থিত হ'ল। ল'ৰা-ছোৱালীজাকে একে-সময়তে 'নমস্তে মহাশয়' বুলি গুৰুজনক নমস্কাৰ কৰিলে। তাৰ পিছত বসন্তই নতুনকৈ শিকোৱা গান এটা গাবলৈ ধৰিলে।

অনতিদূৰত বহি বহি ৰেখাই শুনে ল'ৰা-ছোৱালীবোৰৰ গান। গানৰ অৰ্থ বুজিবলৈ চেষ্টা কৰে তাই। মনেৰে কিবাবোৰ ভাবে। তাই ভাবে — কি স্বাৰ্থ আছে এই বসন্তজনৰ। চহৰ এৰি আহি গাঁৱৰ ল'ৰা-ছোৱালীজাকৰ লগত কষ্ট কৰি কি হ'ব তাৰ। চহৰৰ ল'ৰা চহৰত থাকিব লাগে। চহৰৰ গাড়ী মটৰত উঠি ঘূৰি ফুৰিব লাগে। চাকৰি কৰি ধন আৰ্জিব লাগে। চহৰৰ পিচ্‌দিয়া ৰাস্তাত জোতা-মোজা পিন্ধি ফিট্‌ফাট্‌ বাবু হৈ থকাৰ ইচ্ছা নাই নেকি এই মানুহজনৰ?! এই লেতেৰা গাওঁখনত খালি ভৰিৰে বোকা গছকি কি লাভ পাইছে বসন্তই!! নে কিবা লাভ হৈছে তাৰ? এইবোৰ সক সক ল'ৰা-ছোৱালীৰ মলিয়ন কাপোৰ কানিৰে দুৰ্গন্ধ-ময় অৱস্থাত কেনেকৈ থাকে বাৰু সি? আৰু এইবোৰ গান শিকা-য়েইবা কি জ্ঞান দিব ল'ৰা-ছোৱালীবোৰক। মাজে মাজে বিৰক্তি লাগে সদায় একেটা গানকে শুনি। তথাপি কিয় জানো ভাল লাগে বসন্তৰ একাগ্ৰতা। বসন্তৰ কণ্ঠৰে নিসৃত সুৰৰ লহৰ। ...... ৰেখাই কেৱল ভাবি যায়।

(৯)

আজিলৈ তিনিমাহ। ৰেখাৰ গাত মাতৃত্বৰ চিন ক্ৰমে ক্ৰমে মূৰ্ত্ত হৈ উঠিছে। দৈনন্দিন কৰ্মৰ প্ৰতি তাইৰ এলাহ ভাগৰ বেছি হৈ আহিছে।

শৰতে ৰেখাৰ মুখলৈ চায়। কিবা এটা পৰিবৰ্ত্তন দেখে। মনত তাৰ আনন্দৰ শিহৰণ জাগে। প্ৰাণত পিতৃত্বৰ গৌৰৱ ওপজে। তাৰ মনত দিনবোৰ কিবা গধুৰ গধুৰ যেন লাগে।

আজিকালি শহুৰেক শাহুৰেকে ৰেখাক বৰ মৰম কৰে। কিবা কঠিন কাম কৰিব খুজিলেই হঠাৎ শাহুৰেকে বাধা দিয়ে। কয়— "যা মাজনী, ময়েই কৰিম এইখিনি।" অগত্যা ৰেখা থৈ থাকিবলৈ বাধ্য হয়। শাহুৰেকৰ প্ৰতি শ্ৰদ্ধা ওপজে।

সিদিনা শৰত গাওঁৰ পৰা ঘূৰি আহোঁতে ৰাতি ভালেখিনি হ'ল। সি ঘৰ পায়েই ৰেখাক জগালে। ৰেখা তেতিয়া ঘোৰ টোপনিত নিমগ্ন আছিল। শৰতৰ মাত শুনি চক্‌মকৈ সাৰ পালে আৰু দুৱাৰখন খুলি দিলে। শৰত ভিতৰ সোমাল। সুধিলে—

"টোপনি আহিছিল নেকি?"

"আপোনালৈ অপেক্ষা কৰিব লাগিছিল নেকি?" অভিমানৰ সুৰত ৰেখাই উত্তৰ দিয়ে। শৰত মনে মনে ৰয়। একো নকলে। ৰেখাৰ বেয়া লাগিল। নম্ৰস্বৰে কলে—

"চাওঁক, আপুনি কিমান ভুল কৰিছে। একালে ঘৰত বিপদ। আনকালে মোৰ গৰ্ভত এটি শিশু। এই সময়ত যদি আপুনি টলৌ টলৌকৈ ঘূৰি ফুৰে, ঘূৰি ঘূৰি ইমান ৰাতি ঘৰ সোমায়হি...
...." হঠাৎ বৈ যায়। আকৌ কয়—"অন্ততঃ আগন্তুক শিশুৰ

কাৰণেতো ভাবিব লাগে।"

"এৰা, মই বহুত ভুল কৰিছো ৰেখা। জানো, মোৰ ভুলৰ শুধৰণি কেতিয়াকৈ হয়!!" দুখত শৰতৰ মন মৰহি যায়। অলপ পিছতে ভৰি হাত ধুই শৰত পুনৰ ঘৰত সোমাল।

ৰেখাই ভাতৰ সাজ্জা আনি দিলে। শৰতৰ কিন্তু খোৱা নহ'ল। চাৰি গৰাহমান খায়েই হাতমুখ ধুই উঠিল। এটি চিন্তাযুক্ত মন লৈ সি বিছনাত বাগৰি পৰিল।

দিন বাগৰি গ'ল।

এমাহ; দুমাহকৈ আৰু কেইটামান মাহ চকুৰ পচাৰতে আঁতৰি গ'ল। শৰতৰ কাৰণে নতুন দিনবোৰ ভিন্ন স্বাদেৰে আহিবলৈ ধৰিলে। ...."আৰু কেইমাহমান পিছতে এইখন পৰিয়ালৰ মাজতে আকৌ এটি আহিব — নৱজাত শিশু। শিশুটিৰ থুনুক থানাক মাতটি কিমান ভাল লাগিব। কিমান মৰম লাগিব চাগে!! তাৰ মুখেৰে প্ৰকাশ পোৱা 'দেউতা' মাতষাৰে মোৰ তাপিত হৃদয়ত মৌ বৰষাব! আথে বেথে কোলাত তুলি লম। আই ঐ দেহি! আৰু যে কি নকৰিম তাক!!" ......নানা ভাবৰ তৰঙ্গে তৰঙ্গে সি উটি ভাহি ফুৰে। বাওফালে জেঠিটোৱে হঠাতে 'টিক্ টিক্' কৰি উঠে।

চাওঁতে চাওঁতে আৰু এমাহ পাৰ হৈ গ'ল।......

হায়! শৰতৰেই দুৰ্ভাগ্য কিজানি। অদৃষ্টৰ কি নিষ্ঠুৰ পৰিহাস। যি সন্তানৰ মুখ চাম বুলি শৰতৰ মন আকাশত আশাৰ জেউতি দেখা গৈছিল, যি সন্তানক আশা কৰিয়েই এখন সোণৰ সংসাৰত এটি ছন্দ ৰচনাৰ দুৰ্বাৰ হেপাহ কৰিছিল — সেই সন্তানেই আশাৰ মূৰত কুঠাৰাঘাট কৰি গুচি গ'ল — নিশব্দে। কাৰো দৰ্শন নোলোৱাকৈ। সিটো গ'লেই। তাৰ মাককো কৰি গ'ল অসুস্থা — কম্পমানা।

প্ৰসৱ বেদনাত ৰেখা অসুস্থ হৈ পৰিছিল। সেইদিন ধৰি তাইৰ স্বাস্থ্য দিনে দিনে পৰি আহিল। শুকাই ক্ষীনাই কিবা এজনী হৈ পৰিল। তাইৰ শুকাই যোৱা মুখখনলৈ লক্ষ্য কৰি শৰতে একোদিন অজ্ঞাতে হুমুনিয়াহ এৰে। মনত পৰে বহু কথা — দূৰ অতীতৰ।

শান্তিৰেক মনত দুখ কৰে। ৰেখাৰ অৱস্থা দেখি তাই চকুলো টোকে। কি কৰিব — উপায় যে নাই। সকলো ভগৱানৰে ইচ্ছা।

ৰেখা বেমাৰত পৰিল।

ক্ৰমে ক্ৰমে ৰেখাৰ বেমাৰ টানৰ পৰা আৰু টানহে হৈ আহিল। পৰিয়ালৰ মাজত এটি গুৰুতৰ পৰিস্থিতিয়ে খাওঁ খাওঁ মূৰ্ত্তি ধৰি উপস্থিত হ'ল।

আজি আবেলি বেমাৰীৰ খুব টান। ডাক্তৰে এটি ইন্‌জেক্‌চন্ দি গলহি। শৰত বালিয়াপ্ৰায় হ'ল। বহুত মানুহ বেমাৰীৰ খবৰ লবলৈ আহিল। খবৰ লবলৈ অহা মানুহবোৰক বসন্তই সোধ-পোচ কৰিলে। শান্তিৰেকে বেমাৰীৰ কাষত বহি চকুপানী টুকি থাকিল। শৰতৰেকবো মন মৰহি গ'ল। কেওঁ ইফাল সিফাল কৈ ঘৰৰ যাৱতীয় কামবোৰ কৰি গল মাথোন। প্ৰণীতাই বৌয়েকৰ কাৰণে পানী তপতাই থাকিল।.....

আটাইৰে নেৰা-নেপাৰা চেষ্টাৰ ফলত বেমাৰীৰপ্ৰাণ কোনো-মতে ঘূৰি আহিল। ঘৰৰ সকলোৰে মুখত আনন্দৰ জেউতি দেখা গ'ল।

পৰেকদিন চকুপচাৰতে পাৰ হৈ গ'ল।

শৰতে যোৱা পৰেকদিন বাজহুৱা কামত লাগিব পৰা নাই। বেমাৰীৰ অৱস্থা কিছু ভালৰ ফালে অহা দেখি সি পুনৰ গ্ৰাম-উন্নয়নৰ ব্যৱস্থাত লাগি গ'ল। পাহৰি গ'ল — কোমল শিশুৰ

মৃত্যুবেদনা — পাহৰি গ'ল শয্যাগত্‌ৱা মৰমী জায়াক। সি মাথোন নিজ কৰ্ম্মত আপিবাটি গ'ল।

গাঁৱত স্কুল, লাইব্ৰেৰী, খোৱা পানী আদিৰ ব্যৱস্থা হ'ল। এতিয়া তেওঁলোকৰ উদ্দেশ্য — গাঁৱত সমবায় সমিতি এখন স্থাপন কৰা। ইয়াৰ কাৰণে ছয়ো ৰৰকৈ খাটিলে। গাঁওত সমবায় সমিতি স্থাপন কৰি — সমবায় পদ্ধতিৰে কাম কৰাই তেওঁলোকৰ আচল উদ্দেশ্য।

"সিদিনা শৰতে মানুহবোৰক মিটিঙলৈ আহ্বান জনাই গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰিলে। সন্ধ্যা গাঁওঁৰ পুথিভঁৰালৰ প্ৰাঙ্গনত গাঁওঁৰ সকলো মানুহ গোট খালেহি। বসন্তই উঠি ৰাইজৰ আগত কবলৈ ধৰিলে — "ৰাইজসকল প্ৰথমতে মই আপোনালোকলৈ মোৰ আন্তৰিক ধন্যবাদ আগবঢ়াইছোঁ। আপোনালোকৰ ঐক্য আৰু সংহতিৰ ফলতেই গাঁওঁৰ কেবাটিও কাম কৰিলোঁ। এতিয়াও মই আপোনালোকক অনুৰোধ কৰো যাতে মোৰ কল্পিত কামত সকলোৱে সহযোগ কৰে।" — কথাখিনি কৈয়েই বসন্ত অলপ মৌন হৈ ৰ'ল। ৰাইজৰ মাজত গুণগুণনি উঠিল। 'ৰাইজসকল', বসন্তই পুনৰ কবলৈ আৰম্ভ কৰিলে। এইবাৰ তেওঁ ৰাইজৰ আগত ধনী-দুখীয়াৰ পাৰ্থক্যৰ ছবিখন স্পষ্টকৈ দাঙি ধৰিলে। এইখন দেশতে, এনে এখন সমাজতে কেনেদৰে দুখীয়া শ্ৰেণীটোৱে খুদকণ এমুঠিৰ অভাৱত হাহাকাৰ কৰি মৰিব ধৰিছে আৰু আনহাতে লব্ধপ্ৰতিষ্ঠ তথাকথিত ধনী-সম্প্ৰদায়ৰ মানুহবোৰে দুখীয়াক শোষণ কৰি কেনেদৰে আৰামেৰে দিন কটাব ধৰিছে — সেই বিষয়ে হুবহু প্ৰমাণ দি বুজালে। বসন্তৰ বুজনিত ৰাইজ কাহ পৰি জীন গ'ল। এইবাৰ বসন্তই ৰাইজৰ আগত এই ধনী-দুখীয়াৰ প্ৰভেদ কেনেদৰে নিৰ্মূল কৰিব পাৰি সেই বিষয়ে কবলৈ ধৰিলে। তেওঁ এই সংক্ৰান্তত সমবায় পদ্ধতিৰ বিষয়ে বুজালে। এই সমবায় পদ্ধতিৰে খেতি কৰিলে

কোন কেনেদৰে লাভবান হব তাকো কলে। আৰু তেওঁ এই সমবায় পদ্ধতিটো যে গঞা ৰাইজৰ মাজতে প্ৰচলন কৰিব খুজিছে — তাকো ভাঙি কলে। ৰাইজ মান্তি হ'ল। বসন্তৰ মুখত বিজয় গৌৰৱৰ হাঁহি বিৰিঙিল।

কাৰ্য্যানুক্ৰমে এটা এটাকৈ মিটিঙৰ বাকী কামবোৰো শেষ কৰিলে। মিটিং শেষ হলত শৰত আৰু বসন্ত ঘৰলৈ গুচি আহিল।

* * *

"... এৰা। তোমাক মই মহিলা সমিতিৰ বিষয়ে কবলৈ আহিছো।" — বসন্তই মূঢ়াটোত বহি দীপালীৰ ফালে চাই কলে।

"মহিলা সমিতি গঠনৰ কাৰণে সকলোৰে মত আছে। কিবা যদি আকৌ সুধিব লগা আছে সোধক।" দীপালীয়ে কলে।

"শুনি বৰ সুখ পাইছো। তোমাক সম্পাদিকাৰ ভাৰটো দিব খুজিছো।"

"ভাৰ লবলৈ মোৰ ভয় লাগে। তথাপিও দিবলৈ ইচ্ছা কৰিছে যেতিয়া — বোজাটো মযেই কঢ়িয়াম বাৰু! হিঃ হিঃ হিঃ।" কথা কৈ কৈ দীপালী হাঁহে। বসন্তয়ো হাঁহে। লগে লগে শৰতেও হাঁহিবলৈ যত্ন কৰে। এইদৰে হাঁহি ধেমালিৰ মাজেৰে আলোচনা অন্ত পৰে। তাৰ পিছত তেওঁলোক গাওঁৰ এমূৰলৈ ওলাই গ'ল।

কেইদিনমানৰ পিছত গাওঁত এখন মহিলা সমিতি গঠন হৈ গ'ল। সমিতিৰ সম্পাদিকা হ'ল দীপালী।

এইদৰে এটাৰ পিছত এটাকৈ গাওঁৰ উন্নয়নমূলক কামবোৰ বসন্তৰ দ্বাৰা সম্পাদিত হবলৈ ধৰিলে। এতিয়া অময়াপুৰ গাওঁ সাক্ষাৎ মায়াপুৰী যেন হ'ল। টিনপাতেৰে সুগঠিত কুলঘৰ, গোসাইঘৰ, পুখিউঁবালেৰে অময়াপুৰ গাওঁ জিলিকি উঠিল। ......সময়ৰ সোঁতত বলি গ'ল।......

দিন যাৰ মন্দ তাক বিপদে কেতিয়াও এৰি নিদিয়ে। ইমান যত্ন, ইমান শুশ্ৰূষাৰ পিছতো যেতিয়া ৰেখাৰ বেমাৰ ভাল হৈ নাহিল — তাইৰ প্ৰতি ঘৰৰ আটাইৰে বিৰক্তি উপজিল।

শৰত। কিযে আপোনভোলা মানুহজন!! ইপিনে ৰোগাক্লিষ্টা ঘৈণীয়েক, আনপিনে ঘৰৰ বেমেজালি — তথাপি সি যায় গাওঁ উন্নয়নৰ কাম কৰিবলৈ। কিযে মতি এই মানুহজনৰ!! পুৱাতেই ওলাই যায় — ৰাতি এঘাৰমান বজাতহে ঘৰ সোমায়হি। কত যে কি কৰে, কত কি খায় — তাৰ হিচাপ নাই।

ইপিনে ৰোগাক্রান্তা ঘৈণীয়েকে তাক সদায় কয় — "মোৰ প্ৰতি আপোনাৰ মুঠেই মৰম নাই নহয়? জানেইতো মই পাটিত পৰি কান্দি থাকোঁ। লৰিব চৰিব নোৱাৰোঁ। মোক কোনে দিব খাবলৈ, কোনে দিব পিবলৈ এটুপি পানী।"

শৰতে মৰ্ম্মে মৰ্ম্মে অনুভৱ কৰে — ঘৈণীয়েকৰ করুণ দৰদ। হৃদয় বিগলি যায় — কন্যেকৰ কাৰণে। মূহুৰ্ত্তৰ বাবে যেন সি সকলো পাহৰি পেলায়। তাৰ মনৰ ৰঙিন কল্পনা, আশা-সপোন — সকলোবোৰ যেন দলিয়াই পেলাব!! বিস্মৃতিৰ গৰ্ভত সকলো জাহি পৰি লয় পাবলৈ দিব!! সি আৰু কেতিয়াও তাৰ মৰমৰ ঘৈণীয়েকক এৰি কলৈকো নেযাব। কিন্তু?

কিন্তু সি যেন ৰব নোৱাৰে। তাক যেন কোনোবাই আহ্বান জনায় — "আহ, তোৰ জন্মভূমিক এন্ধাৰৰ পৰা পোহৰলৈ তুলি আন।" — ৰাতিপুৱাৰ লগে লগে সি ঘৈণীয়েকৰ কাষে পিছ দিয়ে। ওলাই যায় গাওঁৰ কোনোবা এমূৰলৈ।

তেতিয়া দুপৰীয়া। ৰেখাই বিছনাতে পৰি আছে— আজি ইমান দিনৰে পৰা পাই অহা বেয়াৰী জীৱনৰ তিক্ত অভিজ্ঞতা-খিনিৰ কথা ভাবি ভাবি অকলে। কাষত এটি প্ৰাণীও নাই। আজিকালি তাইৰ কাষত কোনোবা বহি থাকিব দূৰৈৰ কথা — পানী এটোপ দিবলৈকো ওচৰলৈ কোনো নাহে। ৰেখাই কিন্তু খুব সঘনাই পিয়াহ লগা যেন অনুভৱ কৰে। তেনে কৰিলে কেতিয়াবা পালে খায়, নাপালে নাখায় — মনৰ পিপাসা মনতে মাৰ যায়।

আজিও তাই এই দুপৰীয়া বৰ পিয়াহ লগা যেন অনুভৱ কৰিছে। দুপৰীয়াৰ চোকা ৰদে যেন তাইৰ কলিজা শুকাই কক্ষ কৰি তুলিছে। সেই কলিজা তিয়াবলৈ তাইক পানী এটোপ লাগে। কিন্তু কাক খুজিব পানী? কোনে দিব তাইক শান্তিৰ জলধি? কোনেওতো তাইক পানী দিবলৈ ওচৰলৈ নাহে। তথাপি তাই কাতৰস্বৰে প্ৰণীতাক মাত লগালে —

"প্ৰণীতা, অ, প্ৰণীতা। ...... প্ৰণীতা।" বহুবাৰ মতাৰ পিছত প্ৰণীতাই পঢ়া কোঠালিৰ পৰা বিৰক্তিৰে মাত লগালে — "কিয়? কি হ'ল তোমাৰ? ধৰিলেই নহয় খেচ্‌খেচাবলৈ। ইফালে পৰীক্ষা ওচৰ চাপি আহিছে অলপ কিতাপকে পঢ়ো!! নহৈছে আক ইইতৰ কাৰণে!!"

"মোক অলপ পানী দিয়ানা। খুউব পিয়াহ লাগিছে।" ৰেখাই লেহাই লেহাই কয়। ৰেখাৰ কথা শুনি প্ৰণীতাৰ খং দুগুণে চৰিল। তাই আগতকৈ বেছি বিৰক্তিভৰা সুৰেৰে উত্তৰ দিলে — "নাই, মই যাব নোৱাৰো।"

"উস্‌" .... ৰেখাই দীঘলকৈ এটি হুমুনিয়াহ কাঢ়িলে। কিছু-সময় চকুহুটা মুদি পৰি থাকিল। ..... নাই, আক বৰ নোৱাৰে। তৃষ্ণাত আতুৰ হৈছে তাই। এইবাৰ শাহুৱেকক মাত লগালে — "আই, মোক অলপ পানী লাগে।"

ঘৰ চোতাল পৰিস্কাৰ কৰাকে আদি কৰি গৰু, ছাগলীৰ গোবৰ পেলোৱালৈ — এই সকলোবোৰ কাম কৰি কৰি শাহুৱেক ভাগৰি পৰিছিল। তাতে আকৌ ৰেখাই পানী খোজাত শাহুৱে-কৰো ভমকুকৈ খং উঠি গ'ল। তায়ো বিৰক্তিৰে কলে — "কেৱল পানী আৰু পানী। কিমান খায় পানীসোপা" — এইবুলি তাই কাহুৰ বাত্তিতকৈ পানী এবাতি আনি ৰেখাৰ ওচৰত থলে। ৰেখাই গোঁ গোঁকৈ গোটেইখিনি পানী গিলি পেলালে। পানী খাই তাই কিছু সকাহ পোৱা যেন পালে। কণীয়া মানুহ। কিছু গৰম পানীৰ নিতান্ত দৰ্কাৰ। কিন্তু যিয়ে কেঁচা, ঠাণ্ডা পানীকে নাপায়— তাই আৰু গৰম পানী পাব ক'ৰপৰা? যি পালে তাকেই তাই সাৰোগত কৰি ভগৱানৰ আশীষ ৰুকণ। বুলি ভাবি আত্মা সন্তুষ্ট কৰিলে। দিন পাৰ হৈ গ'ল।

ৰেখাৰ বেমাৰ বুলি শুনি বহুদিনৰ মূৰত মাক ওলালহি খবৰ লবলৈ। মাকৰ আগত ৰেখাই দুখ দুৰ্গতিৰ কথা বিবৰি কলে। কিন্তু বিয়েক বিয়নীয়েকে বেছ ভদ্ৰভাবে তেওঁক অভ্যৰ্থনা কৰিলে। গতিকে তেওঁ ভাবিলে — বেমাৰী জীয়েক। অলপ দুখ পালেই কাতৰ হৈ পৰে। এই বুলি ভাবি মাকে ৰেখাৰ কথাত বেছি গুৰুত্ব নিদিলে। খোৱা লোৱা শেষ হোৱাৰ পিছত মাক ঘৰলৈ গুচি গ'ল। এয়ে হ'ল মানুহৰ প্ৰকৃতি। পিছত যিয়েই নহওঁক আগত ভাল দেখিলেই সকলো ভাল বুলি মানে।

—✱—

(এঘাৰ)

দীপালীহঁতৰ মহিলা সমিতিৰ কাম পূৰ্ণগতিত চলিবলৈ ধৰিলে। গ্ৰাম উন্নয়নমূলক কামৰ একচতুৰ্থাংশ কাম মহিলা সমিতিয়ে ললে।

সমবায় সমিতিৰ তৰফৰ পৰাও সমবায় পদ্ধতিত খেতি কৰিবলৈ লাগি গ'ল। এইদৰেই অময়াপুৰ গাওঁৰ ডেকা-ডেকেৰীৰ মনত নতুন উদ্যম জাগিল। স্কুলতো ল'ৰা-ছোৱালীৰ সংখ্যা বাঢ়ি গ'ল।

মহিলা সমিতিৰ প্ৰথম কাম হ'ল ধন-সংগ্ৰহ কৰা। এই বিষয়ে বসন্তই দীপালীক কলে — "চৰকাৰৰ ধনলৈ আশা কৰিব নালাগে। এটা বুদ্ধি কৰিলে তোমালোকৰ মাজতে ধন সংগ্ৰহ হৈ যাব। মুষ্টিভিক্ষা। বুজিছা? মুষ্টিভিক্ষাৰ দ্বাৰা তোমালোকৰ বহুত ধন সংগ্ৰহ হ'ব। আৰু সেই ধনেৰে বেছি নহলেও অন্ততঃ কিছু কাম কৰিবলৈ সক্ষম হবা। যেনে ধৰা, দুই চাৰিখন তাঁতশাল কিম্বা, চাৰি পাঁচটা য'তৰ কিম্বা ইত্যাদি। আৰু চৰকাৰৰ ফালৰ পৰাও এইবোৰ লাভ কৰিব পাৰি।"

বসন্তৰ কথা শুনি আবেলি মহিলা সমিতিৰ মাজৰ পৰা কেইজনীমান ওলাল — মুষ্টিভিক্ষাৰ বিষয়ে বুজাবলৈ আৰু মুষ্টিভিক্ষা সংগ্ৰহ কৰিবলৈ। মুষ্টিভিক্ষা জমাবলৈ তেওঁলোকে ঘৰে ঘৰে একোটা সৰু পাত্ৰ দিলে। গাওঁৰ সকলোৱে মানি ললে। সেইদিনাৰ পৰাই গাওঁৰ মানুহে মুষ্টিভিক্ষা জমাবলৈ লাগি গ'ল।

গাওঁত কিছুমান মানুহ আছে, যিবিলাকে তিথি মানি চলে। কোনো কোনো তিথিত তেওঁলোকে অনাহাৰে থাকি ইষ্ট-দেৱতাক পূজা কৰে। গতিকে সেই দিনটোৰ বাবে তেওঁৰ প্ৰাপ্য খাদ্যখিনি

ৰাহি হয়। সেই ৰাহি হোৱা চাউলখিনি এভিয়া মুষ্টিভিক্ষাৰ পাত্ৰত জমা থবলৈ ধৰিলে। এইদৰে তিনিমাহৰ ভিতৰতে মহিলা সমিতিৰ বহু ধন সংগ্ৰহ হৈ গ'ল।

তেওঁলোকৰ আৰ্থিক উন্নতিৰ কাৰণে চিলাই কল, টাকুৰী, য'তৰ আদি সংগ্ৰহ কৰি ল'লে। তাঁতশালৰ কাৰণেও প্ৰজেক্ট অফিচাৰলৈ দৰ্খাস্ত কৰিলে। নতুন উদ্যমেৰে গাওঁৰ সকলো তিৰোতাই কামত আগবাঢ়ি গ'ল।

ইফালে সমবায় সমিতিয়েও সমবায় পদ্ধতিত খেতি কৰিবলৈ এখন আদৰ্শ কৃষিফাৰ্ম খুলিলে। সোণ বৰণীয়া ধানেৰে খেতি পথাৰ তিৰবিৰাই উঠিল। চাই চাই বসন্তৰ ভাল লাগি যায়। মনত অলপ গৌৰৱ ওপজে।

নৈশ বিদ্যালয়ৰ বিষয়ে বসন্তই শৰতক কলে —"বুজিছে ডেকা, আজিৰ যুগত মানুহে নিজৰ চহী দিব নোৱাৰাটো বৰ পৰিতাপৰ কথা। অৱশ্যে আপোনালোকৰ গাওঁৰ প্ৰায়ভাগ মানুহেই আগতকৈ কিছু শিক্ষা পালে। অৰ্দ্ধশিক্ষিত ল'ৰাবোৰে শিক্ষাৰ মূল্য ভালদৰে বুজি উঠিল। কিন্তু যিবিলাকে মুঠেই নাজানে তেওঁলোকক নৈশ বিদ্যালয়ৰ জৰিয়তে শিক্ষা দিয়াটোত আপোনাৰ কিবা আপত্তি আছে জানো?

"ময়ো তাকেই ভাবিছিলো। কৰ্ম্মৰ মাজেৰে তেওঁলোকক লিখা পঢ়া শিকোৱাটো বেছ ভাল হব।" শৰতে উত্তৰ দিলে।

"শিক্ষাৰ মূল্য এতিয়াও বহুতে বুজি পোৱা নাই। সাহিত্যৰ সমল উপন্যাসক এতিয়াও বহুতে বেয়া বুলি বিবেচনা কৰে। কিন্তু তেওঁলোকে নুবুজে বা বুজিব নোৱাৰে যে উপন্যাসৰ মূল উদ্দেশ্য কি বা ইয়াৰ দ্বাৰাই সমাজৰ কি কাম কৰা হয়। অৱশ্যে জানি সুখ পাইছো যে আপোনালোকৰ গাওঁৰ মানুহবোৰে কেতিয়াও কৰ্ত্তব্যত হেলা কৰা নাই।"

"বুজিব। যেতিয়া তেওঁলোকৰ মন জ্ঞানেৰে পৰিপুষ্ট হব, যেতিয়া প্ৰাণৰ শতদল বিকশি উঠিব — তেতিয়া সকলো বুজিব।" শৰতে মন্তব্য কৰে।

'পিছদিনা। শৰত-বসন্ত দুয়ো বহি আলোচনা কৰিছে। বসন্তই কলে —

"বন্ধু। এটি কথা হ'ল। মই ঘৰলৈ যাব লগীয়াত পৰিলোঁ। কিমান দিনৰ মূৰত ঘূৰি আঁহো ঠিক নাই। গতিকে মোৰ ওপৰত যি ভাৰ আছিল — আপোনাক দিলো।" এইবুলি বসন্তই বহী-পত্ৰ সকলো শৰতৰ হাতত তুলি দিলে।

"হঠাৎ কিয় যাব লগীয়া হ'ল?" শৰতে উদাস ভাবে সুধিলে।

"কালি এখন টেলিগ্ৰাম পালো। জৰুৰী সকাম এটা। মই যাব লাগে।"

"পলম নকৰিব কিন্তু। ও পিছে, চিঠি পত্ৰ দিবলৈ ঠিকনা দি যাওঁক।"

"সপোন কুটিৰ। ভৰলুমুখ। গুৱাহাটী।" বসন্তই কলে। শৰতে লিখি ললে।

আবেলি বসন্ত গুছি গ'ল। শাৰৰ প্ৰতিজন মানুহৰে অন্তৰ সুদা সুদা লাগিল।

(বাৰ)

আজি প্ৰায় এমাহ্ হ'ল। এই কেইদিন শৰতে বৰ পৰিশ্ৰম কৰিব লগীয়াত পৰিছে। বসন্ত নোহোৱা কাৰণে কামৰ ভিৰ বেছি হৈছে। গাৰেঁ গাৰেঁ ঘূৰি ফুৰোতে সি ৰেখাৰ পিনে পাহৰিয়েই গৈছে। কিন্তু ইফালে শয্যাগতা ৰেখা — ৰোগত আক্ৰান্তা।

শৰতৰ উদাসীন মনটোলৈ চাই ৰেখাৰ একোদিন বৰ দুখ লাগে। দুখত তাই চকুপানী টোকে। হায়! এনে আপোনভোলা মানুহজনৰ হাততহে পৰিলহি তাই!! তাই নিজৰ জীৱনক ধিক্কাৰ দিয়ে। ভাগিব ধৰা অন্তৰখনক হেচা মাৰি ধৰে।

সিদিনা ৰাতি। শৰতক কাষতে পাই ৰেখাই করুণ সুৰেৰে কলে — "আপোনাক মই কেনেকৈ বুজাম! কেনেকৈ কম মোৰ হিয়াৰ বেদনা!! ইমান আপোনভোলা, ইমান নিশ্চিন্ত। মই যে শয্যাগতা, তালৈতো আপোনাৰ চিন্তা নাই? কেৱল নিজৰ কামতে ব্যস্ত। কি কৰিম। ...... ভগবানে কেতিয়া যে ভাল কৰিব মোক!!" ৰেখাৰ করুণ কণ্ঠৰ আকুলিত স্বৰত শৰতে খন্তেকৰ কাৰণে সকলো পাহৰি যায়। ৰেখালৈ তাৰ খুউব মৰম উপজিল। ভাব হ'ল — সি যেন কান্দি কান্দি মৰম কৰিব তাইক। সৰ্ সৰ্ কৈ চকুপানী বৈ গ'ল তাৰ অজ্ঞাতে। বিগলিত কণ্ঠে মাত লগালে —

"ৰেখা।"

"এয়েতো দৰদ। এয়েতো মৰম। আজি খন্তেকৰ বাবে উপজিছে আপোনাৰ মৰম। খন্তেকৰ কাৰণে বুজিছে মোক। কিন্তু আপুনি সঁচাকৈ মোক বুজা নাই। চিৰদিন মই যে আপোনাৰ অৰ্দ্ধাঙ্গিনী।" এটি সেপ ঢুকি আকৌ কলে — "মই বুজিছো — মোৰ প্ৰতি

আপোনাৰ অলপো মৰম নাই। মোক এতিয়াও আপুনি অৰ্দ্ধাঙ্গিনী হিচাপে লব পৰা নাই।" আৰৌ এটি সেপ ঢুকি শৰতৰ হাতখন তাইৰ কক্ষ হাত দুখনেৰে আকোঁৱালি ধৰি খুব করুণ কণ্ঠে কলে— "এতিয়াও যদি আপোনাৰ কিবা কবলগীয়া আছে কওঁক!! তাৰ কাৰণে মই কিবা কৰিব পাৰো কিজানি!!" অভিমানত তাইৰ চকু দুটি তিৰ্‌বিৰাই উঠে। হাতখন হঠাতে এৰি দি কাতি হৈ শুই থাকে। শৰতে লাহে লাহে তাইৰ বুৰত হাত বুলাই করুণ কণ্ঠেৰে কলে "জানো দেৱী, এই ক্ষেত্ৰত মই কিবা ভুল কৰিছো? নিজৰ মাতৃভূমিৰ কাৰণে, সমাজৰ মঙ্গলৰ কাৰণে নিজৰ স্বাৰ্থ ত্যাগ কৰি অকণি পৰিশ্ৰম কৰাত জানো কিবা দোষ হৈছে?"

ৰেখাই শৰতৰ ফালে মূৰ তুলি চাই ধীৰে ধীৰে কৈ গ'ল— "আপুনি নিজৰ মাতৃভূমিৰ উন্নতিৰ কাৰণে, জনগণৰ মঙ্গলৰ কাৰণে যি কৰিবলৈ গৈছে তাত মই দোষ দিয়া নাই। যি গাৱঁতেই আপুনি জন্ম গ্ৰহণ কৰিছে, যি গাৱঁতেই লালিত পালিত হৈ ডাঙৰ দীঘল হৈছে — সেইখন গাওঁ আপোনাৰ তেনেই আপোন। কিন্তু তাতো-কৈ মই জানো আপোনাৰ আপোন নহয়? মই আপোনাৰ অৰ্দ্ধা-ঙ্গিনী। মই জানো আপোনাৰ লৈতে দেশসেৱা কৰিব নালাগে? তেনেহলে? তেনেহলে কিয় মোক মৃত্যুপথৰ পৰা উদ্ধাৰ কৰা নাই? কিয় মোক উদ্ধাৰ কৰিবলৈ যত্ন কৰা নাই??" ... চকুপানীৰে তাইৰ দুইগাল তিতি যায়। শোকৰ হুমুনিয়াহ এটি সৰি পৰে।

শৰতে বুজিলে, নাৰী হৃদয়ৰ করুণ ক্ৰন্দন। বাৰে বাৰে মনৰ পৰ্দাত বাজি থাকিল ৰেখাৰেই কথাফাকি — "কিবা কবলগীয়া আছে যদি কওঁক ......"। কিয়? কিয় কলে আজি ৰেখাই এইদৰে? তাই জানো তাক কিবা সন্দেহ কৰিছে? .... সি ভাবি যায়। মনত পৰে দীপালীলৈ। মনত পৰে মৰহি যোৱা অতীতৰ একাকি কথা — "স'চাকৈ তুমি যদি মোক ভালপোৱা

দীপালী — জীৱনত এদিন নিশ্চয় পাম।” ...... মনটো তাৰ কিবা কিবা লাগি যায়। যন্ত্ৰচালিতৰ দৰে সি নিশব্দে বাহিৰলৈ ওলাই আহে গহীন গম্ভীৰভাবে।

পিছদিনা পুৱা। তেতিয়া ৰাঙলী সূৰুযে ৰক্তাভ আভা ছটিয়াই দিছে ধৰণীলৈ। কৃষ্ণচূড়াৰ ফাকেৰে উষাদেৱীয়ে ভুমুকিয়াই চাইছে চিত্ৰ বিচিত্ৰ জগতখনলৈ। আকাশৰ বুকুত শুকুলা ডাৱৰ চটাই খেলিছে ৰং বিৰঙৰ খেলা।

শৰতৰ মনটোও উৰি গ'ল ডাৱৰৰ আঁৰে আঁৰে বহুত দূৰলৈ। নিমিষতে পাহৰি গ'ল ৰেখাক। পাহৰি গ'ল নিজকে। .. লাহে লাহে আগবাঢ়িল সমবায় কৃষি ফাৰ্মলৈ — নিজেই নজনাকৈ। সি মাত্ৰ খোজ পেলালে ধীৰ গম্ভীৰভাবে।

গৈ গৈ খেতি ফাৰ্ম পালে! পথাৰ ঢকা ধাননিৰ তিৰ্ বিৰণি তাৰ চকুত পৰিল। লগে লগে মনত পৰিল ৰুগ্না পত্নী ৰেখালৈ। কি যে ভুল কৰিলে সি! কি যে আপোনভোলা মানুহ সি!!! তাৰ নিজকে বেয়া লাগি গ'ল। মনত পৰিল শয্যাত পৰি কেকাই থকা মৰমী জায়া ৰেখালৈ — হয়তো তাইৰ চকুহুটিও ধান পাতত লাগি তিৰ্ বিৰাই থকা নিয়ৰ কণিকাৰ নিচিনাকৈ তিৰ্ বিৰাই উঠিছে। সি তাৰাতাৰিকৈ ঘৰলৈ উভতিল।

পদূলিমুখ পায়েই সি শুনিবলৈ পালে — দেউতাকৰ ক্ৰোধান্বিত কণ্ঠস্বৰ। দেউতাকে ৰেখাক উদ্দেশ্য কৰি ভনীয়েকৰ আগত কৈছে— “মুগৰ দাস্তি সদায় ক'ত পাব। মাটিমাহৰ দালিকে খাবলৈ দিয়া।” কথা শুনি খন্তেক সি থিয় হৈ ৰ'ল। তাৰ পাছত মাকে বিৰক্তিৰে কোৱা শুনিবলৈ পালে — “পাপিনী। পাপৰ প্ৰায়চিত্ত হৈছে। এইখিনিহে সাধি আহিছিলি দুৰ্কপালিনী!!” মাকৰ কথা শেষ হোৱাত এইবাৰ শুনিলে ভনীয়েক প্ৰণীতাৰ — “ইমান দিনে বিছনাত পৰি থাকিল। মাক দেউতাকৰ খবৰেই নাই। কি কৰিছে

— ঘৰলৈ লৈ যাব নোৱাৰে জানো ?

কথা শুনি অজানিতে শৰতৰ দুচকুৰে দুধাৰা দুৰ্ব্বোধ্য চকুলো বৈ গ'ল। আজি সি প্ৰথম উপলব্ধি কৰিলে একনী নিৰপৰাধিনী নাৰীৰ ওপৰত মাক-দেউতাকৰ নিৰ্ম্মম ব্যৱহাৰ, কি অসহ্য !! ...... এয়েতো মানৱ — যাৰ অন্তৰ লোৰ নিচিনা কঠিন, নিৰ্ম্মম, নিৰ্দ্দয়। অথচ এওঁলোকেই একদিন ৰেখাক আঁকোৱালি লৈছিল — ঘৰৰ একনী লক্ষ্মীস্বৰূপে। শৰতৰ কত আপত্তি চেৰ পেলাই আদৰি আনিছিল ঘৰৰ বোৱাৰী হিচাপে। কিন্তু এতিয়া কিয় ? এতিয়া কিয় তাইৰেই ওপৰত নিৰ্ম্মম অত্যাচাৰ ? ... সি আৰু থিৰেৰে থাকিব নোৱাৰিলে। সোনেই খোজ দিলে ৰেখাৰ ওচৰলৈ। দেখিলে ৰেখাৰ দুচকুত চকুপানী। আচৰিত ! তাই কান্দিছে। কান্দি কান্দি দুচকুৰে গঙ্গা যমুনা বোৱাই দিছে। ...... শৰতে হতভম্ব হৈ থিয় দি থাকিল মাথোন।

শৰতক দেখি ৰেখাৰ ক্ৰন্দন বেছিকৈ চলিল। হুকহুককৈ কান্দি পেলালে তাই। কক্‌বক্‌কৈ উঠিবলৈ যত্ন কৰিলে। উঠিব যে নোৱাৰে। চকুৰে মাত্ৰ চকুপানী বৈ গ'ল অবিৰামভাবে। কিছু ৰেলিৰ পাছত আকৌ উঠিবলৈ চেষ্টা কৰে। পুনৰ ঢলি পৰে বিছনাত। ইয়ান-সময়ে শৰতে ৰেখাৰ পিনে স্তব্ধ হৈ চায়েই আছিল। এইবাৰ ৰেখাই শৰীৰৰ সকলো শক্তি প্ৰয়োগ কৰি উঠি বহিল। হৃদপিণ্ডত কিহবাই যেন হেঁচা মাৰি ধৰিলে তাইক। উশাহ বন্ধ হৈ গ'ল। লগে লগে বিছনাত বাগৰি পৰিল। শৰতে চিঞৰি উঠিল "ই কি ? কি কৰিলা ৰেখা ? ..... উস্ ... ..." সি দৌৰি গৈ ৰেখাক সাৱতি ধৰিলে। ...... নাই ...... সকলো শেষ। ... সি হুকহুক্‌কৈ কান্দি পেলালে। হঠাৎ হুলস্থূল লাগি পৰিল। পক-ৰেক, শাহুৱেক ঘিয়ে যতে আছিল সকলোৱে তাৰ পৰাই 'কি হ'ল. কি. হ'ল' বুলি দৌৰি আহিল। শৰতে তেতিয়াও ৰেখাৰ ঢলি পৰা

শৰীৰটো বুকুৰ মাজত সাৰতি ধৰি কান্দিয়েই আছিল।

শাহুৱেকে কটা কাপোৰৰ টোপোলা সাজি ৰেখাৰ সৰ্ব্বাঙ্গ সেকিলে। শহুৰেকে বুকত ফুৰাই দিলে। চকুত চেচাপানী ছটিয়াই দিলে। প্ৰণীতাই বিছনীৰে বা' দি থাকিল। ......

জীৱনত যাৰ কষ্ট পাব লগীয়া আছে — সি জানো সহজতে এই পৃথিৱীৰ পৰা মুক্তি পাব? লাহে লাহে ৰেখাৰ প্ৰাণ পুনৰ ফিৰি আহিল। চকুমেলি চালে। দেখিলে — তাইৰ কাষত অজস্ৰ মানুহ। মানুহ নহয়, যেন অসংখ্য দানৱ। অসহ্য বেদনাত তাই পুনৰ চকু মুদি দিলে।

কিছু সময়ৰ পাছত আকৌ চকু মেলি চালে। দেখিলে — নিৰ্জ্জীৱ পদাৰ্থৰ দৰে তাইৰ কাষত বহি আছে শৰত। তাই পুনৰ উঠিবলৈ যত্ন কৰে। শৰতে বাধা দি কলে — "আকৌ কি কৰা তুমি?" ৰেখাই সেহাই সেহাই কলে — "মোক উঠিবলৈ দিয়ক। মোক আজি অনুমতি দিয়ক — মই অকলে অকলে ঘৰলৈ যাওঁ। ... দিয়ক, মোক যাবলৈ দিয়ক।" পুনৰ উঠিবলৈ যত্ন কৰে তাই।

"শান্ত হোৱা দৰদি। তুমিতো উঠিব নোৱাৰা সোণ। তোমাৰ শৰীৰ বৰ দুৰ্ব্বল। এনে অৱস্থাত তুমি কেনেকৈ ঘৰলৈ যাবা?"

"পাৰিম। নিশ্চয় পাৰিম। মনত বল থাকিলে শৰীৰৰ শক্তিৰ কি প্ৰয়োজন। .... দিয়ক। মোক উঠিবলৈ দিয়ক। মই যাম। নিশ্চয় যাম। ইয়াত আৰু মই কোনোপধ্যেই নাথাকো।"

শৰতৰ বুকুত যেন অজস্ৰ মৰম থুপ খাই আছিল। হঠাৎ জাগি উঠলি উঠিল ৰেখাৰ কাৰণে। সি মৰমতে গদ্‌গদ্‌কণ্ঠে কলে — "যাবা। যাবা সোণ। যিদিনা শৰীৰত শক্তি পাবা — যিদিনাই হৃদয়ত বল পাবা — সিদিনাই গুচি যাবা। সিদিনাই গুচি যাবা শূন্য কৰি শৰতৰ বিশাল আকাশ। এতিয়া থাকা। অন্ততঃ মোৰ

অনুৰোধ ৰক্ষা কৰা।" শৰতে তাইৰ গাত মৃদুভাৱে হেঁচা মাৰি ধৰে। অগত্যা ৰেখা বিছনাত বহি পৰে।

এইকেইদিন শৰতে ৰেখাৰ কিছু যত্ন ললে। সৌভাগ্যবশতঃ তাইৰ বেমাৰ ক্ৰমে ক্ৰমে ভালৰ ফালে চাল ধৰিলে।

ৰবিবাৰ। শৰতে বেমাৰীক অলপ পথ্য দি এইমাত্ৰ ক'ৰবালৈ ওলাই গ'ল। তাই পথ্যখিনি খাই কিছুসময় শান্তিত শুই থাকিল।

"মা।" কাষেৰাৰ মধুৰ সম্বোধনত তাই চক্ মক্ কৈ সাৰ পাই উঠিল। চকুমেলি চাই দেখে — মৰমী মাতৃয়ে মৰমসনা চাৱনিৰে তাইৰ ফালে চাই আছে — অপলক ভাৱে। তাই আবেগেৰে মাত লগালে —

"কেতিয়া আহিছা মা?"

"এতিয়াই আহিছোঁ।" মাকে উত্তৰ দিলে। কথা নোৱাৰা-কৈয়ে ৰেখাৰ চকুৰে চকুলো নিজৰি আহিল। জীয়েকৰ চকুপানী দেখি কন্যাপ্ৰাণ মাতৃহৃদয় বিগলিত লাভাৰ দৰে বিস্ফোৰিত হৈ গ'ল। সৰ্ সৰ্ কৈ বৈ পৰিল দুধাৰা অবোধ চকুলো। এক অব্যক্ত বেদনাই দুখন হৃদয়ত থুপ মাৰি গুছি গ'ল।

আজি ৰেখাই মাকৰ লগতে দেখাদেখিকৈ দুগৰাহমান ভাত বেছিকৈ খালে। তাইৰ প্ৰাণত যেন আজি নতুন শক্তি পালে। মাকৰ সৈতে আনন্দেৰে কথা পাতি পাতি ভাতখিনি খাই শেষ কৰিলে।

ভাত পানী খাই উঠাৰ পিছত ৰেখাই তাইৰ জীৱনত পোৱা সকলোবোৰ দুখৰ কথা বিবৰি কলে। মাকে এটি শোকৰ নিশ্বাস এৰিলে। ৰাতিটো কোনোমতে কটাই পিছদিনা ৰাতিপুৱাই ঘৰলৈ গুছি গ'ল।

ৰেখাৰ অৱস্থা ভালৰ ফালে যোৱা দেখি সমাজব্ৰতিৰ শৰতে পুনৰ সাংসাৰিক কামত লাগি পৰিল। অলপতে কলেজৰ পৰাও এখন চিঠি পালে যে — যাতে সি কৰ্ত্তব্যৰ পৰা কেতিয়াও

বিচলিত নহয়।

সমবায় পদ্ধতিৰে কৰা খেতিত তেওঁলোকে যথেষ্ট ধান পালে। প্ৰথম বছৰৰ কাৰণে সেই উৎপাদিত ধানখিনি প্ৰত্যেকে সমভাগে ভগাই ললে। বৰ্ত্তমান গাৱঁত এখন নৈশ বিদ্যালয়ৰ বাবে শৰতে বৰকৈ জোৰ দিছে।

মহিলা সমিতিৰ তৰফৰ পৰাও নৈশ বিদ্যালয়ৰ কাৰণে উঠি পৰি লাগিছে। সন্ধ্যা আজৰি সময়খিনিত পুথিভঁৰাল প্ৰাঙ্গনত গাৱঁৰ তিৰোতাবোৰক শিক্ষা দিবলৈ দীপালী আগবাঢ়ি আহিল। শিক্ষাৰ প্ৰতি ধাউতি থকা প্ৰত্যেক তিৰোতাই এই স্কুলত উপস্থিত হৈ ক, খ শিকিলেহি।

বৰ্ত্তমান মহিলা সমিতিয়ে বোৱন কাটনতো বিশেষ লাভ কৰিছে। উইভিং চচাইটি এটাও খুলিছে। সক ডাঙৰ সকলোৱে বোৱন প্ৰশিক্ষণত লাগি গৈছে।

গাভৰুৰ লাহি হাতৰ পৰশত তাঁতবোৰে গান গাবলৈ আৰম্ভ কৰে খট্ খট্ খট্। জাকে জাকে জীয়ৰীহঁতে তাঁত বোৱাত লাগি যায়। তাঁতৰ খট্ খট্ শব্দৰ লগত যঁতৰৰ ঘেৰ্ ঘেৰ্ শব্দই প্ৰতিযোগিতা চলায়। কোনোটোৱে মাত্ত কম নহয়। ঠাইডোখৰ মুখৰিত হৈ পৰে। এইদৰে অমৰাপুৰ গাওঁখনে অতি কম সময়ৰ ভিতৰতে উন্নতি লাভ কৰে। অন্তৰত স্পৃহা থকা সকলৰ কাৰণে উন্নতি লাভ কৰা স্বাভাৱিক। এলেহুৱা হৈ বহি থকা আজিৰ স্বাধীন দেশৰ নাগৰিকৰ কৰ্ত্তব্য নহয়। কৰ্ত্তব্য-উন্নতি সাধন কৰা। খোপৰ পিছত খোপ বগাই যোৱা। আজি চৰকাৰে কিমান টকা খৰছ কৰিছে সমবায় সমিতিৰ নামত। এই সুযোগতে আমি যদি অলপ শিক্ষা আহৰণ নকৰো, নিজক স্বাৱলম্বী কৰি গঢ়ি নলও — পিছলৈ সুযোগ নেপাবও পাৰো। সেয়ে টোপ খওঁতেই বৰশি টনা নিতান্ত দৰ্কাৰ।

—●—

(তেৰ)

সিদিনা ···ক ৰেখাৰ অৱস্থা দেখি মনত বৰ দুখ পাই গ'ল। তাতে আ··· জানিব পাৰিলে শৰতে হেনো ৰেখাৰ যত্ন লোৱা নাই। কথা ···নি তেওঁ মৰ্ম্মাহত হ'ল। ঘৰলৈ গৈ মৌজাদাৰৰ লগত সেই ···ৰষয়ে আলোচনা কৰিলে।

"মই আগ···তেই কৈছিলো নহয় — আমাৰ ছোৱালী তাত টিকিব নোৱাৰে। আপোনাৰ কথামতেহে তালৈ বিয়া দিছিলো।" চৌধুৰাণী···য়ে কৃত্ৰিম খং কৰি কয়।

"কি কৰিম! যাৰ ভাগ্যত যি লিখা আছে সেইটো হবই।" চৌধুৰীয়ে উত্তৰ দিয়ে। এনেতে চৌধুৰীৰ তৃতীয়া কন্যা অনুপমা ওপৰৰ খোটালীৰ পৰা নামি আহি সেইখিনি পালেহি। দেউতাকৰ শেষৰ কথাখিনি তাইৰ কাণত পৰিল। তাই সুধিলে — "কি ভাগ্যৰ কথা কৈছে দেউতা?" দেউতাকে উত্তৰ দিলে — "তোমাৰ বাইদেৰেৰাৰ কথা কৈছো আই।"

"বাইদেউ ভাল হোৱা নাই নেকি?" কৌতুহলৰ সুৰত সুধিলে তাই। মাকে দুখ মনেৰে কলে — "ভাল হবনে! দিনক দিনে বেয়াৰ ফালেহে ঢাল খাইছে। ...... উস্ ... কি কৰিম!! কপালৰ লিখন!!" এটি দীঘলকৈ হুমুনিয়াহ এৰিলে। কথা শুনি অনুপমাৰ মনত বৰ দুখ লাগিল। হঠাতে খং উঠিল শৰতলৈ। কি কৰিছে কাপুৰুষ শৰতে। স্বামী হৈ যদি তিৰোতাৰ প্ৰতি যত্ন লব নোৱাৰে, তিৰোতাক যি লাগে সেইখিনি দিব নোৱাৰে — কি অধিকাৰ আছিল বিয়া কৰোৱাৰ!! খঙেৰে কলে —

"যদি ভাল কৰিব নোৱাৰে ইমান দিনে ৰাখি থোৱাৰ কি

প্ৰয়োজন! লৈ নাহে কিয় আমাৰ ঘৰলৈ।” ...... কিছু সময় বৈ আকৌ কলে—“বলক দেউতা, কাইলৈ গৈ বাইদেউক আমি লৈ আহোগৈ।” কথাখিনি কৈয়েই তাই খট্‌খটিৰে ওপৰলৈ উঠি গ'ল।

জীয়েকৰ কথাত মাক দেউতাকে গুৰুত্ব দিলে। বহুত আলোচনা কৰাৰ পাছত ৰেখাক ঘৰলৈ অনাটোকে ঠিৰাং কৰিলে।

পিছদিনা পুৱা। মৌজাদাৰ ওলাল মটৰখন লৈ জীয়েকক আনিবলৈ। লগত অনুপমাও। ড্ৰাইভাৰক আদেশ দিলে—“গাড়ী চলা।” লগে লগে গাড়ীৰ চকা ঘূৰিল।

ৰেখা আগতকৈ বৰ্ত্তমান বহুত গুণে সুস্থ হৈ উঠিছে। হেৰোৱা স্বাস্থ্যও পুনৰ ঘূৰাই পাব ধৰিছে—অলপ অলপকৈ।

আজি তাই বাহিৰৰ বাৰাণ্ডাখনতে বহি উষাৰ কিৰণ আহৰণ কৰিছে। নিজকে কিছু সুস্থ যেন অনুভৱ কৰিছে। শৰতে ঘৰতে চকীখনত বহি তাইক ছুই এষাৰ কথা সুধিছে। এনেতে বাহিৰত শুনিবলৈ পালে মটৰৰ ছৰ্‌ছৰ্ শব্দ। শৰত পদূলি মুখলৈ ওলাই গ'ল। শহুৰেকক এটি সেৱা জনালে। তেওঁলোকক আদৰি লৈ আহিল।

অনুপমাই দূৰতেই বায়েকক দেখি দৌৰি আহি সাৱতি ধৰিলে—“বাইদেউ! বাইদেউ!! তোমাৰ এনে অৱস্থা? কিয় এনে হ'ল? কেনেকৈ হ'বলৈ পালে?”—তাইৰ লাগ বান্ধ নোহোৱা প্ৰশ্ন। বায়েকে একো উত্তৰ দিব নোৱাৰিলে। বহুদিনৰ মূৰত জীয়েকক দেখি মাত্ৰ চকুপানী টুকিলে। দেউতাকে সুধিলে—“এতিয়া কেনে পাইছা আজনী?” “আগতকৈ বহুত ভাল পাইছো।” ৰেখাই উত্তৰ দিলে। কিছু সময় পিতৃ-কন্যাৰ আলোচনাৰ পাছত চৌধুৰী সদানন্দৰ ওচৰলৈ গ'ল। চ'ৰাঘৰত বহি দুয়ো বন্ধুই আলোচনাত ব্যস্ত গ'ল।

ইফালে অনুপমাই বায়েকক সান্বতি ধৰি কান্দিবলৈ ধৰিলে। কান্দি কান্দি তাই বায়েকক সুধিলে—"বহুত কষ্ট পাইছা নহয় বাইদেউ ?"

"কি কৰিবা। সাংসাৰিক জীৱনত বহুভাৱে এবাৰ নহয় এবাৰ এনে অৱস্থা ঘটে।" দুখ মনেৰে উত্তৰ দিলে ৰেখাই।

"উস্ ...... কি মানুহ কি হৈ গ'লা।" অনুপমাই মাত্ৰ কান্দে। শৰতে মৰমেৰে কলে—"অনু ! আহা। বহা। অলপ জিৰণি লোৱা। তুমি বাইদেৱেৰাক শান্তনাহে দিব লাগে। এনেকৈ কন্দা কটা কৰিলে বাইদেৱেৰাহি দুখহে পাব।"

"আপুনি নাজানে ভিনদেউ ! আপুনি মুঠেই নাজানে—মোৰ অন্তৰ যে কিমান কোমল !!" তাই এক উশাহতে উত্তৰ দিয়ে। ৰেখাই কয়—"যোৱা অনু। ভৰি হাত ধুই লোৱাগৈ।" —অনুপমা কিছু শান্ত হ'ল। ভৰি হাত ধুবলৈ ওলাই গ'ল।

ইফালে মৌজাদাৰ আৰু অনুপমাক দেখি শৰতৰ মাহীমাকৰ চকুত পিৰ্‌পিৰনি উঠিল। ইস্ ইমান দৰদ, ইমান প্ৰীতি !! আজি এবছৰে ক'ত আছিলি তোৰ দৰদী বন্ধু ? তাই ভাবে। নিমাত নিবোলভাবে কেৱল কাম কৰি যায়।

অনুপমাই লক্ষ্য কৰে শৰতৰ মাহীমাকৰ গৰ্ব কিমান। পেটে পেটে খং উঠে—"কি অভদ্ৰ। কেনে ইডিয়ট !!" মনে মনে বিৰক্তি ওপজে পৰিয়ালটোৰ প্ৰতি। প্ৰণীতাৰ প্ৰতিও অনুপমাৰ মাৰাত্মক খং উঠি গ'ল। কিমানবাৰ তাইৰ কাষেৰে অহা-যোৱা কৰিলে প্ৰণীতাই। তথাপি তাইক এবাৰ মাত নিদিলে। 'কি অসভ্যনী এই ভূতবোৰ।' অনুপমাই মনৰ খং মনতে দমাই ৰাখে।

সুধনেও অনুপমাৰ আগেৰে কেইবাবাৰো অহা-যোৱা কৰিলে—সিও মাত এবাৰ নিদিলে তাইক। অভিমানত শৰীৰ জৰ্জৰিত হ'ল। কিঞ্চিত সময়ো যেন তাই আৰু বৈ নাথাকিব। অকস্মাৎ ৰেখাৰ

পৰা উঠিল। দেউতাকৰ ওচৰলৈ গৈ কলে—

"দেউতা, বলক। এই অভদ্ৰ পৰিয়ালত আমাৰ আৰু স্থান নাই। এতিয়াই ঘৰলৈ গুছি যাওঁ বলক।"

কথা শুনি দেউতাক অবাক হ'ল। কিছু অস্বস্তিবোধো কৰিলে। সদানন্দয়ো বৰ লাজ পালে। লাজ লাজকৈ তেওঁ কলে—"ইমান কিয় খং কৰিছা আই? অন্তৰত স্পৃহা থাকিলেও কিদৰে সন্মান দেখুৱাব লাগে আমাৰ ঘৰৰ মানুহে তাক নেজানেই।" কথা-ষাৰ কোৱাৰ লগতে কিছু ক্ষুন্নও হ'ল। গতিকে বহাৰ পৰা উঠি তেওঁ ভোঁ-ভোঁৱাই ঘৈণীয়েকৰ ওচৰলৈ গৈ কেইষাৰমান নকৰলগীয়া কথাও টানকৈ শুনালে। নবকিবলগীয়া কথাও বকিলে। মৌজা-দাৰে যাতে ভাল পায়—তেওঁৰ সপক্ষে বহুখিনি কথা কলে। কিন্তু ভাল কৰিবলৈ যাওঁতে বেয়াহে হ'ল। তাকেই কয় বোলে কেচু খান্দোতে সাপ ওলোৱা।

গিৰিয়েকৰ কথা শুনি ঘৈণীয়েকে খঙেৰে কলে—"যাওঁক, সন্মানৰ বিষয়ে বুজাব আহিছে মোক। ইমান যদি মৰমেই আছিল—আজি এবছৰে কিয় খবৰকে লোৱা নাছিল? এতিয়া হোৱা আগ্ৰাত নিমখ দিব আহিছে।" —কথাখিনি যাতে মৌজাদাৰ আৰু জীয়েক অনুপমায়ো শুনিব পাৰে—সেইভাবি কিছু টান-কৈয়েই কলে।

শাহুৱেকৰ এই কু-উক্তি শুনি অনুপমাৰ খং আৰু চৰিল। চিঞৰি কলে—"দেউতা! কি চাই আছে? ইমান অপমান জানো সহ্য হয়?" খঙত তাই থৰ্‌থৰ্‌কৈ কঁপিবলৈ ধৰিলে। চকুত যেন জুইহে জ্বলিছে।

জীয়েকৰ কথা শুনি মৌজাদাৰ উঠিল। সদানন্দই কথা বিষম দেখি কৰযোৰে মৌজাদাৰক বহিবলৈ অনুৰোধ কৰিলে। সদানন্দৰ একান্ত অনুৰোধত তেওঁক বহলৈ বাধ্য হ'ল। পৰিস্থিতি কিছু

শান্ত হ'ল। দুপৰীয়াৰ আহাৰৰ বাবে চৌধুৰীক সকলোৱেই হাতত ধৰি অনুৰোধেৰে কলে — "সকোৱা ভাতকিনি খাই যাওক। নোখোৱাকৈ গলে মই মৰ্মান্তিক দুখ পাম।" অগত্যা চৌধুৰী ভাতৰ পাতত বহিবলৈ বাধ্য হ'ল।

চৌধুৰী ভাত খাবলৈ বহিল। কিন্তু আত্মাভিমানী অনুপমাই কাৰো অনুৰোধ ৰক্ষা নকৰিলে। যেনে তেনে খুলি কলে — নোখোৱাকৈয়ে থাকিল। জীয়েকৰ কাণ্ড দেখি চৌধুৰীৰ খোৱা আৰু নহ'ল। কেইগৰাহমান খাইয়েই মুখ হাত ধুলে। ৰেখাৰো আজি পেট পুৰাই খোৱা নহ'ল। আজি আনন্দৰ দিনত মিলিলে— কৰুণ মুহূৰ্ত্ত।

ৰেখাৰ য'ত যিমান কাপোৰ কানি আছিল — সেই সকলোবোৰ অনুপমাই বান্ধি ঠিক ঠাক কৰিলে। ৰেখাৰ যাৱতীয় বস্তুবোৰ গাড়ীত তুলিলে। সকলোবোৰ ঠিক ঠাককৈ থৈ ৰেখাক কলে — "বাইদেউ! বলা, গাড়ীত উঠাগৈ।"

শৰতে ইমানসময়ে অকলশৰীয়াকৈ এটা কোঁচমচিত নিৰ্জীৱ পদাৰ্থৰ দৰে বহি কাণ্ডবোৰ চাই আছিল। অনুপমাৰ আচৰণ দেখি তাৰ চকুৰে ধাৰাসাৰে অশ্রু বৈ গ'ল। শোকৰ এটি হুমুনিয়াহ কাঢ়িলে।

ইফালে অনুপমাই ৰেখাক খেচ্‌খেচাব ধৰিলে — "উঃ বাইদেউ। দেৰি হ'ল। বলা সোনকালে।" অনুপমাৰ কথা শুনি ৰেখাই কলে — "বলাচোন। গাড়ীত উঠাগৈ। মই ভিনদেৱেৰাক মাত দি যাওঁ।"

বায়েকৰ কথা শুনি অনুপমা গাড়ীত উঠিলগৈ। ইফালে ৰেখাই ইটিসিটি কৰি এটা সৰু টোপোলা বুকুত বান্ধি লৈ পৰিল। টোপোলাটো বান্ধোতে তাইৰ চকুপানী নিগৰি আছিল। এবাৰ চালে বেৰখনলৈ। দেখিলে — বিবাহৰ কেইখিলমান নিমন্ত্ৰণ

তোলা তেওঁলোকৰ দুয়ো জীৱনৰ কটোৱন। ..... মিচিকি হাঁহিটি মাৰি তাই বহি আছে। কাষত আছে শৰত। শৰতৰ চকুত মৰমলগা চাৱনি। তাইৰ চকুত মূৰ্ত হৈ উঠিছে ভৱিষ্যতৰ এবুকু আশা। ...... তাই চালে। চাই চাই নিজকে পাহৰি গ'ল। কিমান সময় যে পাৰ হৈ গ'ল তালৈ তাইৰ ভ্ৰূক্ষেপ নাই। তাই মাত্ৰ নিৰ্নিমেষ নেত্ৰে চাই ৰ'ল অদূৰত জিলিকি থকা কটোৱনলৈ। অতীতৰ ৰঙীন দিনৰ ৰঙে ৰঙে, তাইৰ মন-পখিলাই, উৰি উৰি অজান পানি গ'ল।.........

"বাইদেউ।" অনুপমাৰ মাতত তাই চক্ খাই উঠিল।

"কি ভাবিছা বাইদেউ? বহুত সময় হ'লচোন।" অনুপমাই পুনৰ কয়।

"উ পৈছো ৰবা।" ৰেখাই উত্তৰ দিলে। অনুপমা পুনৰ গাড়ীত উঠিলগৈ।

ইফালে ৰেখাই চকুলো টুকি টুকি টোপোলাটো আটিলকৈ বান্ধিলে। প্ৰত্যেকটো গাঁঠিতে যেন এটি হুমুনিয়াহ বান্ধ খাই পৰিল।

ৰেখা যাবলৈ থিয় হ'ল। আকৌ এবাৰ কটোৱনলৈ চালে। কিবা ভাবি হঠাৎ বহি পৰিল। টোপোলাটো মজিয়াত থৈ দিলে। লাহে লাহে তাই শৰত থকা কবৰলৈ ওলাই গ'ল।

শৰত তেতিয়া চিত্ৰাৰ্পিত অৱস্থাত দণ্ডায়মান। দুচকুত অশ্ৰু প্ৰবাহ। কিবা ভাবি ভাবি খিড়িকিৰে চাই পঠিয়াইছে — দিগন্তত খেলা কৰা শুকুলা ডাৱৰচটালৈ।.........

"স্বামী।" নাৰীৰ কৰুণ কণ্ঠস্বৰত শৰতৰ তন্দ্ৰা ভাঙি গ'ল। দিগন্তৰ পৰা দৃষ্টি ঘূৰাই আনি ৰেখাৰ মুখখনিত থ'লে। ৰেখাই টপ্ কৰে লেৰা এটি মাৰিলে। শৰতে দুয়োখন হাতেৰে আলফুলকৈ ৰেখাক সাৱটি ধৰিলে। চাৰি চকুৰ অশ্ৰুৰ মিলন হ'ল। এই

মিলনত অনুভৱ কৰিলে দুয়োৰে হৃদয়ত প্ৰবল ধুমুহাৰ সোঁত।... দুয়ো দুয়োকে চাই ৰ'ল নিস্পলক দৃষ্টিৰে।...... সকলো নীৰৱ।

"মাৰ।" খোকাখুকি মাতেৰে ৰেখাই নীৰৱতা ভঙ্গ কৰি ধীৰে ধীৰে কবলৈ ধৰিলে,—"জীৱনত বহুত পালো। পাইয়ো যেন কিবা হেৰুৱালো। আপোনাক পাই মই বৰ সুখী হৈছিলো। কিন্তু .....”—কোৱাৰ লগে লগে ৰেখাৰ চকুৰে ধাৰাসাৰে বেদনাশ্ৰু বৈ গ'ল। মাত ক্ৰমে ক্ষীণ হৈ আহিল। যেন কিহবাই ডিঙিত চেপি ধৰিছে। কথা কব নোৱাৰিলে। মাত্ৰ কান্দিলে হুক্‌হুক্‌কৈ।

"ৰেখা।" বৰ আবেগেৰে, খুব মৰমেৰে সমৰে বুকুত সাবটি ললে—এবাৰ। পৰিদৃশ্যমান অৱস্থাত আবেগেৰে ৰেখাক সাবটি লোৱা—সমৰৰ জীৱনত এয়ে প্ৰথম—হয়তো এয়ে শেষ।

বৈ অহা চকুপানীখিনি মচি ৰেখাই ওলাবলৈ নোখোজা মাত-সাৰ জোৰকৈ উলিয়াই কলে—"আপোনাৰ কাৰণে আজি এটি টোপোলা এৰিলো। জীৱনত এয়ে মোৰ অন্তিম উৰ্পা।"......

ধীৰে ধীৰে ৰেখা ওলাই গ'ল। শেষবাৰৰ কাৰণে তাই ঘৰৰ চাৰিওকালে এবাৰ চালে।......... অজ্ঞাতে এটি হুমুনিয়াহ সৰি পৰিল।.........

ৰেখা মটৰত উঠি বহিল। ড্ৰাইভাৰে মটৰ ষ্টাৰ্ট দিলে। লগে লগে মটৰে গুজুৰি উঠিল।

মটৰ গুচি গ'ল। সমৰ বাটলৈ চাই আছিল।...গ'ল... মটৰ গুচি গ'ল। পাছত ৰৈ গ'ল মাত্ৰ অশেষ ধুলি।...... নিপলকহীন নেত্ৰেৰে চাই ৰ'ল যাযাবৰী মটৰখনলৈ। বহুত দূৰলৈকে, তাৰ দৃষ্টিৰ বাহিৰ নোহোৱালৈকে। হয়তো তাৰ হৃদয় বেঁকাবো চেকুৰ ধাবিলে দৌৰি দৌৰি মটৰৰ পাছে পাছে।......

ৰেখা যোৱাৰ লগে লগে ঘৰৰ পৰিস্থিতিটো এক বিষাদ

নীৰৱতাই অধিকাৰ কৰিলে। চাৰিওকালে উকতা উকতা লাগিল। ফাগুনৰ পছোৱাই যেন সকলো উকৰাই লৈ গ'ল।

শৰতৰ মন বলিয়াপ্ৰায় হ'ল। ইমান দিনৰ মূৰত সি অনুভৱ কৰিলে এক পূৰাব নোৱাৰা শূন্যতা। সি পোনেই নৈৰ পাৰলৈ খোজ ল'লে।

ফাগুনৰ আবেলি। ৰিৰ্‌ৰিৰ্‌কৈ মলয়া বতাহ বৈ আছে। ইৰিণা বিৰিণাৰ পাতবোৰ সোঁ-সোঁকৈ কঁপি উঠিছে। অস্তগামী সূৰ্য্যৰ শেষ কিৰণ কণা পৰি বসুন্ধৰাই এটি বেলেগ ৰূপ লৈছে। পানীৰ সৰু সৰু ঢৌবোৰো তিৰ্‌বিৰাই উঠিছে। লাহে লাহে শৰত গৈ সেই ঠাই পালেগৈ। ...শৰতে পানীৰ ফালে চকু ৰাখি দুখ মনে বহি পৰিল নৈৰ পাৰত।

বহুত সময় একান্ত মনে সি কিবা ভাবিলে। হঠাতে তাৰ মনত পৰিল — পকেটৰ ভিতৰত থকা কাগজ টুকুৰাটো। 'ৰেখা' নাম লিখা কাগজ টুকুৰা উলিয়াই তাৰ কোমল ওঁঠদুটিৰে স্পৰ্শ কৰিলে এবাৰ। খৰমেৰে বুকুত সাৱটি ল'লে। .... নিস্পলক দৃষ্টিৰে পানীৰফালে একলাপি চাই থাকিল। ......

বহুত সময় পাৰ হৈ গ'ল।

শৰতে কাগজ টুকুৰা পানীত পেলাই দিলে। পানীৰ সোঁৱতী সুঁতিয়ে তাক উটুৱাই লৈ গ'ল। বৈ যোৱা কাগজ টুকুৰাটো চাই চাই শৰতে খুব আবেগেৰে ক'লে — "যোৱা। জীৱন নৈৰ সাঁতিৰ তুমি। জীৱন নৈৰ ঘাটে ঘাটে বৈ যোৱা। — যদি সঁচাকৈ তুমি মোক অন্তৰেৰে মিলৰ বুলি জানি লৈছিলা — এদিন তোমাক মই নিশ্চয় বিচাৰি পাম।"

......কৈ যোৱা চকুপানীখিনি হাতেৰে মচি লৈ এটি শোকৰ নিশ্বাস এৰিলে। ইফালে বেলিটো পশ্চিম দিগন্তত অস্তমিত হ'লগৈ।

ধীৰে ধীৰে সন্ধ্যা গভীৰ হৈ আহিল। শৰত লাহে লাহে অন্ধুৰা হ'ল।

ঘৰ সোমোৱাৰ লগে লগে শৰতৰ বুকুভাঙি নামি আহিল বাৰিষাৰ ঢল। টোপ টোপকৈ সৰি পৰিল চকুলো। শূন্য — শূন্য — শূন্য। বিশাল শূন্যতাই পৰিস্থিতিটো গভীৰ কৰি তুলিলে।

মজিয়াতে পৰি থকা টোপোলাটো শৰতৰ চকুত পৰিল। ঘৰ আথেবেথে খুলি চালে। দেখিলে — বেনাৰ এখনি বিহা, এটা কটা ব্লাউজ আৰু লগতে খুৰীয়া বুলৰ টকা এটা। সি টকাটো জেপত লৈ কাপোৰবোৰ হাতত তুলি ললে। দেখিলে কাপোৰৰ ভাজত এখন চিঠি। চিঠিত লিখা আছে —

প্ৰাণৰ দেৱতা মোৰ!

চিঠি পোৱা মাত্ৰেই মোৰ শত সেৱা গ্ৰহণ কৰিব। ভাবিব — এয়া মই বহুত দূৰৰ পৰাই আপোনাক সেৱা কৰিছোঁ।

জীৱনজুৰি মই আপোনাৰ লগত খেলিবলৈ অক্ষম হলোঁ। হয়তো ভগবানৰে লীলা। মইতো হওঁ বুলি ভোৱা নাই। ...... সংসাৰ সমুদ্ৰৰ মাজভাগতেই মোৰ জীৱন তুলুঙা নাওখনি কোবাল সোঁতত বুৰ যাবৰ উপক্ৰম হ'ল। আপোনাক এৰি আহিব লগোহি জন্মদাতা পিতৃদেৱতাৰ। হয়তো স্বামী! পিছলৈ আকৌ চাপলি মেলিম আপোনাক বিচাৰি — এই পথেৰেই — বিটো পথ একা বেকা।

স্বামী! মোৰ এই জীৱন তুলুঙা নাওখনি সংসাৰ সমুদ্ৰৰ কোবাল সোঁতত যেন দোদুল্যমান। এদিন যে বুৰ যাব এইটো ঠিক। কিন্তু কোন দিনা যাব — তাৰ ঠিকনা নাই। আজিৰ পৰা আপুনি ভাবিব — মই যেন এই পৃথিৱীতেই নাই। মই যেন নিঃশেষ হৈ গৈছোঁ — কোনোবা চাকনৈয়াত পৰি। আপোনাৰ সুখৰ বাবে মই সদায় চিন্তা কৰো। কিন্তু বিগত জীৱনত মই কি সুখ দিলোঁ — নেজানো। আগত জীৱন তোমাত সঙ্গীবিহীনভাবে জানো আপুনি সুখ পাব পাৰিব? আপোনাৰ ভৱিষ্যত জীৱনৰ সুখৰ

যাৰে মই এই লিখনিৰে এটি অনুৰোধ জনালোঁ। আপুনি জীৱন সঙ্গিনী বাছি লৈ সুখী হ'ব। বিশেষ নাই। ইতি

আপোনাৰ অসীমত বুৰ যোৱা

সীমিত "ৰেখা"

চিঠিখন পঢ়ি শেষতে এটি দীঘল হুমুনিয়াহ কাঢ়িলে। খুব আবেগেৰে সি 'ৰেখা' নামটোলৈ চাই থাকিল। ......বহুত সময় তেনেদৰে চাই থকাৰ পিছত সি চিঠিখন বুকুৰ মাজত হেঁচি ধৰিলে।

(চৌধ)

দিন গ'ল। ৰাতি আহিল। নৱ বছৰে নৱ উল্লাসেৰে পৃথিৱীৰ বুকুত পাতনি মেলিলে। শৰতে পুনৰ গ্ৰামসেৱাত মনোযোগ দিলে। পূৰণি স্মৃতিবোৰ পাহৰিবলৈ যত্ন কৰিলে।

ইতিমধ্যে বসন্তয়ো আহি পালে। বহুদিনৰ মূৰত বসন্তক দেখি গাৱঁৰ আটাইবোৰে আনন্দ পালে। গ্ৰামত নতুন লতা সঞ্চাৰিত হ'ল। কিন্তু শৰতৰ জীৱনত ঘটা ঘটনাটোৰ কাৰণে বসন্ত মৰ্ম্মাহত হ'ল। হৃদয়ত ডাঙৰকৈ আঘাত পালে। তাহঁতক শৰত আৰু বসন্তই আগৰ দৰেই গ্ৰাম উন্নয়নত উঠি পৰি লাগিল।

সিদিনা সোমবাৰ। দীপালী, পাৰুল, প্ৰমীলা আদি কেইজনী-মান ছোৱালী উইভিং ঘৰত কাপোৰ বৈ আছিল। এনেতে শৰত আৰু বসন্ত গৈ তাত প্ৰৱেশ কৰিলেগৈ। বসন্তক দেখি আটাইকেইজনীয়ে হাঁহি সম্ভাষণ জনালে আৰু 'কেতিয়া আহি পালে, বহুত গৈ কি কি কৰিলে' ইত্যাদি প্ৰশ্ন সুধিব ধৰিলে। বসন্তয়ো যথাযথ উত্তৰ দি গ'ল। ছোৱালীজাকৰ মনৰ স্পৃহা দেখি তেওঁৰ অন্তৰত আনন্দৰ জেউতি চৰিল।

বসন্তৰ লগত দীপালীৰ বহু কথাই আলোচনা হ'ল। আলো-চনাৰ মাজে মাজে দীপালীয়ে একোবাৰ শৰতৰ মুখলৈ চায়। দেখে — তকাই থোৱা মুখখনত আনন্দৰ জেউতি ক্ৰমে ক্ৰমে ম্লান হৈ গৈছে। অজানিতে তাইৰ এটি হুমুনিয়াহ সৰি পৰে।

ৰাতি তাত পানী খাই দীপালী বিছনাত বাগৰি পৰিল। সুঁৱৰি সুঁৱৰি মনত পৰিল — পাহৰিব খোজা কিন্তু নোপাহৰা সেই অতীতলৈ। আগৰ প্ৰাণখোলা হাঁহি, প্ৰফুল্লিত মন, আবেগভৰা কণ্ঠ আদি

আৰু শৰত্তৰ নাই। বিস্মৃতিৰ গৰ্ভত সকলো লোপ পাই গৈছে। ...... 'হায়, এয়েতো জীৱন !!' দীপালীয়ে ভাবে। মনত দুখ পায়। যদি এই সময়ত তাই শৰতৰ ওচৰত থাকিলহেঁতেন। শৰত্তৰ সকলো দুখ, সকলো ভাগৰ অৱসান কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিলেহেঁতেন — তাই ভাবে। বুকুখনত সজোৰে হেঁচি ধৰে। কিবা এক উন্মাদনাত নিজেই বিভোৰ হৈ পৰে।

পিছদিনা আবেলি।

দীপালীয়ে হাতত উল কিছুমান লৈ গুঠি থাকে। এনেতে ল'ৰা এজনে কেইখনমান চিঠি আনি তাইৰ হাতত দিলে। তাই চিঠিকেইখন কাৰ নামত আহিছে চাই যাব ধৰিলে। প্ৰথমখন তাইৰ। এজনী বান্ধৱীয়ে দিছে। সেইখন তাই ৰাখিলে। দ্বিতীয়-খন তাইৰ মোমায়েক হৰি দাসৰ চিঠি। সেইখনো তাই একাষে ৰাখি বাকীবোৰো চাই গ'ল। সকলোবোৰ চিঠি পোষ্টকাৰ্ডত লিখা। কিন্তু মোমায়েকৰখন খামৰ ভিতৰত পঠোৱা। তাই চিঠিখন ক'ৰপৰা আহিছে চালে। তাত লিখা আছে — 'চি, ডেকা। বঙ্গিয়া।' এই-খিনি দেখিয়েই তাইৰ বুজিবলৈ আৰু বাকী নৰ'ল। তাৰাতাৰিকৈ তাই লোকফাটো চিৰি চিঠিখন উলিয়াই পঢ়ি চালে। চিঠিখনত লিখা আছে এইবুলি —

"প্ৰিয় বন্ধু!

আপোনাৰ কথামতে মই গৈ ছোৱালী চাই আহিলোঁ। ছোৱালী মোৰ পছন্দ হৈছে। যদি ছোৱালী পক্ষৰ মানুহ ৰাজী হয় — মই বিয়া কৰাবলৈ সাজু আছোঁ।

ইতি

আপোনাৰ বন্ধু,

চন্দ্ৰ ডেকা, বঙ্গিয়া

চিঠিখন পাই তাই কিছু সময় ভাবিলে। সময়ৰ সোঁতে জুৰিয়াই অনা দিনিৰ ঘটনাবোৰে তাইৰ মনত পৰি গ'ল।

সিদিনাও তাই আজিৰ দৰে হাতত একোছা ঊল লৈ অৰ্দ্ধপূৰ্ণ চুৱেটাৰটো গুঠি আছিল। কণ্ঠত এটি গানৰ সুৰ মূৰ্ত্ত হৈ উঠিছিল। এনেতে দুজন লংপেণ্ট পিন্ধা ডেকা সিঁহতৰ পদূলিত আহি উপস্থিত হ'ল। পদূলি মুখত চাইকেল ৰাখি তাইৰ ওচৰলৈ আহি সুধিলে —

"তৰুণ দাসৰ ঘৰ কোনটো?"

"এইটোৱেই।" তাই উত্তৰ দিলে।

"আপোনাৰ কি হয়?"

"মোৰ ভাইটি হয়।"

"হৰি দাসৰ ঘৰ কোনপিনে?"

"আৰু অলপ গ'লেই পাব। কেঁচুৱাবিটো পাৰ হলেই হৰি দাসৰ ঘৰ পাব।"

"বাৰু হ'ব। আমাক অলপ যেই লৰলৈ দিবনে?" কথা আৰু কামতে দীপালীয়ে গম পালে —তেওঁলোকে কিছুসময় বহিবলৈ বিচাৰিছে। তাই ভিতৰলৈ মাতি নি দুয়োকো দুখন চকী আগবঢ়াই দিলে। দুয়ো বহি পৰিল। দীপালীয়ে মাকক চাহৰ কাৰণে কলে। ইতিমধ্যে তৰুণো আহি সেইখিনি পালে। দীপালী তাৰ পৰা উঠি গ'ল।

কিছুসময়ৰ পিছত তাই দুকাপ চাহ আৰু প্লেটতকৈ চুজিৰ লাৰু আনি তেওঁলোকৰ আগত থলে। তামোলৰ শৰাইখনো আনি আগত দিলে। তেওঁলোকে খাই বৰ তৃপ্তি পালে।

চাহ তামোল খোৱাৰ পিছত তেওঁলোক যাবলৈ উঠিল। দীপালীৰ মাকে কিন্তু যাবলৈ নিদিলে। দুপৰীয়াৰ আহাৰৰ কাৰণে অনুৰোধ জনালে। তেওঁলোকো ব'ল। দীপালীয়ে বেছ আদৰভাবেই অনাহুত অতিথিক অভ্যৰ্থনা কৰিলে।

খোৱা লোৱা শেষ কৰি তেওঁলোকে হৰি দোৱাৰেকৰ ঘৰলৈ যাওঁ বুলি ওলাই গ'ল। কিন্তু কেনি গ'ল —তাই ক'ব নোৱা-

ৰিলে। পিছে ?

পিছে আজি এসপ্তাহৰ মূৰত গম পোৱা গৈছে আচল পৰিচয়। ভেওঁলোকৰ কাৰ্য্য কৌশল। ভাবি ভাবি তাইৰ হাঁহি উঠিল। মনৰ মাজেৰে হঠাতে এটি দুষ্ট বুদ্ধি খেলি গ'ল।

তাই খামটো চিৰি পেলালে। চিঠিখনৰ ওলোটা ফালে লিখিলে—

"নমস্তে। ছোৱালী চাবলৈ আহিলে এনেদৰে গৰু-ছাগলী চাবলৈ অহাৰ দৰে আহিব নালাগে। বেছ ভদ্ৰভাবে আগতীয়াকৈ জনাই ভদ্ৰভাৱে অহা উচিত। ইতি "মই"।

চিঠিখন লিখি নিজেই এবাৰ হাঁহিলে। তাৰ পাছত চিঠিখন এটা নতুন খামত ভৰাই ওপৰত ঠিকনাটো লিখি ভায়েকৰ হাতত ডাক-অফিচত দিবলৈ কলে। কামটো কৰি তাই এটি তৃপ্তিৰ হাঁহি মাৰি চকীত বহি পৰিল।

(পোহৰ)

সন্মুখত দুমহলীয়া পকী দালান দালানটোলৈ ঘৰৰ পৰা এটা বাট। বাটৰ দুয়োকাষে নানা ৰঙৰ ফুলেৰে সুশোভিত ফুলৰ বাগিচা। বাগিচাৰ কাষতে মটৰ গেৰেজটো। দূৰত এটা পুখুৰী। কাষত ডাঙৰ ডাঙৰ গছ কেইজোপা শাৰীকৈ থিয় হৈ আছে। বিয়লি বেলিকা দৃশ্যটো দেখাত বৰ বিজোপন হৈ উঠিছে।

আবেলিৰ ৰ'দজাক বৰ মোহলগা। কমনীয়। ওপৰ খোটালীৰ পুৰকালে খিড়িকি এখন মেল খাই আছে। তাৰ সেউজীয়া পৰ্দাখন বতাহত নাচিবলৈ ধৰিছে। ...... লাহে লাহে পৰ্দাখন আঁতৰি গ'ল। এজনী নাৰীৰ মুখ দৃষ্টি বাহিৰৰ চাৰিওকালে গতি কৰিবলৈ ধৰিলে। খিড়িকিৰ ৰেলিঙত ধৰি তাই মাত্ৰ চাই আছে — পৰিদৃশ্যমান জগতখনলৈ। তাই হয়তো ভাবিছে বহুত কথা। হয়তো অনুভৱ কৰিছে অন্তৰত তীব্ৰ বেদনা। যিটো বেদনাত তাইৰ দহিছে পৰাণ।

তাই কোন? কোন তাই?? — তায়েই সেই বেথা। যাৰ হৃদয় ক্ষত বিক্ষত। যাৰ প্ৰাণ তিক্ত। মচিব নোৱাৰা বেদনাৰে ভৰপূৰ। তাই মাত্ৰ চালে শূন্য আকাশলৈ — অপলক দৃষ্টিৰে। শূন্য আকাশখনৰ দৰেই তাইৰ হৃদয় ৰিক্ত। এক পূৰাব নোৱাৰা বাণী।

...... বিৰ্ বিৰ্কৈ বতাহ এজাক বৈ গ'ল। তাইৰ অলক্ষিতভাৱে কপাললৈ নামি অহা চুলিকোছা এবাৰ কঁপি উঠিল। আকৌ স্থিৰ হ'ল। ...... বগলী এজাক তাইৰ সন্মুখেৰে উৰি কৰবালৈ গুচি গ'ল। এটি কৰুণ বিষাদ ভৰা বেথাই কলে — "...... হোৱা বগলী! মোৰ বেদনাৰ ইতিহাস মোৰ প্ৰভু শৰণক কোৱাগৈ। লগতে আৰু

কথা — যে মই সুস্থ হৈয়ো অসুস্থতাকেই অনুভৱ কৰিছো।” ...... লগে লগে পৰ্দাখন হাতেৰে টানি দিলে। মুক্ত খিড়িকি পুনৰ আঁৰ হ'ল। মলয়াৰ মৃদু পৰশত পৰ্দাখন মাত্র কঁপিলে এবাৰ। .. ...

নিয়মিত পথ্যাদিৰ ব্যৱহাৰ আৰু ঔষধ প্ৰয়োগৰ ফলত প্ৰায় এসপ্তাহৰ ভিতৰতেই ৰেখা সম্পূৰ্ণ আৰোগ্য হৈ উঠিল। স্বাস্থ্য আগৰ দৰে তেজোদীপ্ত হৈ পৰিল। আজিকালি মাজে মাজে তাই গান গায়। গান গাই গাই নিজেই বিভোৰ হৈ পৰে।

ইকালে ৰেখা শৰতৰ কাষৰ পৰা আঁতৰ হোৱাত দীপালীৰ মাকৰ মনত সদায় এটা চিন্তা। কেনেকৈ শৰতৰ মন ঘূৰাব পাৰে। ৰাতি দিনমান পৰি মাত্র চিন্তা কৰে — ভাবে, গুণে - গাঠে। শৰতৰ মন আকৰ্ষন কৰিবলৈ উপায় বিচাৰে।

পিছদিনা পুনৰ দীপালীৰ মাক শৰতহঁতৰ ঘৰলৈ গ'ল। শৰতৰ মাকৰ লৈতে আলোচনাত বহিল —। সুধিলে —

“যোৱাবাৰ কিবা খবৰ পালেনে?”

“নাই। একো খবৰ পোৱা নাই।” শৰতৰ মাকে উত্তৰ দিলে।

“খবৰ বাতৰি একো দিয়া নাই নেকি?”

“নাই দিয়া।”

কিছুবেলি এইদৰে আলোচনা হোৱাৰ পিছত তাই ঘৰলৈ গুছি গ'ল। কিছুদিনৰ পিছত এদিন আবেলি আকৌ আহিল। সেইদিনাও সুধিলে — “যোৱাবাৰ খবৰ কিবা পালেনে?”

“পাইছো। তাই হেনো সম্পূৰ্ণ আৰোগ্য হৈছে।”

“অহা নাই কিয়?”

“কব নোৱাৰো। মাকৰ ঘৰত জীয়ৰীক ৰাখিবলৈ সুখ পাইছে হবলা।”

"মাকৰ ঘৰত থাকি সুখ পালেতো নহয়। বিবাহিতা ছোৱালী তেনেকৈ থাকিলে ভালো হয়? সে কিবা অসুখেই লাগিছে!!"

"অসুখ লাগিবলৈ আহিলো কি কৰিছো তাইক। বেমাৰ হৈছিল। চিকিৎসাও কৰিছিলোঁ। আৰু চিকিৎসা একবাৰেই থকাতো নাছিলোঁ।"

"আনিবলৈ নোযোৱা কেলেই?"

"নাযাও। যেনেকৈ গৈ সৈছে তেনেকৈ থকছি।"

"যদি নাহে?"

"আমাৰো আৱশ্যক নাই।"

দীপালীৰ মাক মনে মনে থকিল। 'আৱশ্যক নাই' কথাষাৰে বাৰে বাৰে তাইৰ মনত খুন্দিয়াবলৈ ধৰিলে। নানা চিন্তা ভাৱনা লৈ ঘৰলৈ উভতিল।

তাঁতৰ পাটত বহি দীপালীয়ে ভাবে — শৰতৰ কথা। ভাবে ৰেখাৰ কথা। হতভাগিনী ৰেখা। জীৱনৰ সুখ সম্ভোগ হেৰাই গ'ল তাইৰ। ব্যৰ্থতাকে পালে জীৱনৰ জয়মাল্য হিচাপে। ভাবি ভাবি তাইৰ দুখ লাগি যায়। তাৰ পাছত ভাবে নিজৰ কথা। নিজেওটো একে ব্যৰ্থতাকে পাইছে। জীৱনত যাক প্ৰাণৰ আপোন কৰি লবলৈ বিচাৰিছিল, যাৰ সবল বাহুৰ মাজত বিচাৰিছিল বুকুৰ অকণি ঠাই — তাক তাই নাপালে। তাই জানো ব্যৰ্থ হোৱা নাই? ...... তাই ভাবি যায়। লগে লগে খং উঠে ৰেখালৈ। শৰতৰ আকাশৰ সুনীল পথত ধূমকেতু তাই। হঠাতে আবিৰ্ভাৱ হৈছিল — আকৌ আঁতৰি গ'লও ...... এইদৰে ভাবি ভাবি তাই আপোন হৈ থাকে।

সিদিনা দীপালীহঁতৰ ঘৰলৈ শৰত আহিছিল। শৰতক দেখি দীপালীয়ে আবেগে চকী এখন আগবঢ়াই দিলে। শৰত যন্ত্ৰৰ দৰে চকীখনত বহি পৰিল। দীপালীয়ে শৰতৰ মুখলৈ চালে

এবাৰ। অজানিতে এটি হুমুনিয়াহ ওলাই আহিল। ৰবয়েৰে কলে — "কবাইদেৱে শৰত ইমান কিয় দুখ কৰি থাকে ?" শৰত নিৰুত্তৰ।

"নবৌলৈ মনত পৰিছে নেকি ?" দীপালীয়ে বগৰকৈ সোধে। এটা কোন হাঁহি মাৰাৰ বাহিৰে শৰতে একো উত্তৰকে দিব নোৱাৰিলে। দীপালীৰ মাকে আনি দিয়া চাহটোপা খাই ঘৰলৈ উভতিল।

ঘৰলৈ আহি শৰত বিছনাত দীঘলকৈ পৰিল। তাৰ আজি মনত পৰিব লাগিছিল দীপালীৰ কথা। কিন্তু পৰিল — ৰেখাৰহে কথা। ৰেখাৰ শান্ত সৌম্য মূৰ্ত্তিটো তাৰ চকুৰ আগত ভাহি উঠিল। মনত পৰিল — ৰেখাই মৰমসনা মাতেৰে কোৱা কথাশাৰীলৈ — "মোক আপুনি নিজৰ বুলি ভাবিবলৈ টান পাইছে নহয় ?" ......বুকু ভাঙি চুৰমাৰ হবলৈ উপক্ৰম হ'ল তাৰ।

পত্নী হৈ আহীৰ পৰা যি পাব লাগিছিল — সেইখিনি কেতিয়াও নাপালে ৰেখাই। যি বিচাৰিব লাগিছিল — বিচৰাৰ অধিকাৰ, বিচৰাৰ সাহস ৰেখাৰ আৰু নহ'ল !! এটি আকুলিত প্ৰাণী মৰম বঞ্চিতা হয়েই আঁতৰি গ'ল। ...... তাই জানো কিবা পালে ? কোনোদিনাইটো তাইক সি মৰমৰ মাতাৰ নেদিলে !! ...... ভাবি ভাবি তাৰ দুখ লাগি যায়। আকৌ ভাবে। যোৱাবেলি দুৰ্গাপূজাৰ সময়ত তাই এদিন শৰতক কৈছিল — "বিজয়াইত পূজা চাবলৈ গ'ল। মোক জানো পূজা দেখুৱাবলৈ নিনিয়ে ? চিনেমা দেখুৱাম বুলি কৈছিল যে — পাহৰি গ'ল নেকি ?" "তাইৰ আৰু অভিমান। কিন্তু শৰতে সময়ৰ অজুহাত দেখুৱাই তাইক কতোকে নেনিলে। চিনেমা চোৱা ৰেখাৰ আৰু নহ'ল। এই কথা মনত পৰিলে শৰতৰ বুকুখন ভাঙি চুৰমাৰ হৈ যায়। শৰতে জানো তাইক ভালপোৱা নাছিল ? নিশ্চয় পাইছিল। ৰবয়েৰে ভাল পাইছিল তাইক। কিন্তু ?

কিন্তু কিয় ? কিয় তাইৰ সকলো আশা-আকাংক্ষা, সকলো অভিমান, সকলো অনুৰোধ ব্যৰ্থ হৈ পৈছিল ? তাৰ কাৰণে দোষী কোনো নহয়। দোষী মাত্ৰ সময়। সময়ৰ তাড়নাত শৰতে ৰেখাৰ কোনো এটি অনুৰোধকে ৰক্ষা কৰিব নোৱাৰিলে। ...... যোৱঁতী স্ফূৰ্তিৰ দৰে এটাৰ পাছত আনটো ভাব তাৰ মনৰ মাজেদি প্ৰবাহিত হৈ গ'ল। বিদায় বেলিকাও ৰেখাই দি যোৱা চকুলোৰ ঘূৰণীয়া খিনি সি এবাৰ মনতে কল্পনা কৰি চালে। এবা, পৃথিবীখন ঘূৰণীয়া। সুখ-দুখ সকলো এইদৰে চক্ৰাকাৰে ঘূৰিব ধৰিছে। হঠাৎ কিহবাই যেন বুকুখনত সজোৰে খুন্দা মাৰি ধৰিলে। চকুযুৰি জোৰকৈ মুদি পৰি থাকিল।

তাৰ পাছত এটি দিন। এটি মুহূৰ্ত।

শৰত ওলাই গ'ল ৰাস্তাৰ ফালে। পাৰ্কত এখন মিটিং। মিটিঙত বক্তাই অস্পৃশ্যতা সম্বন্ধে ৰাইজক বহুত বুজালে। মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শ, তাৰ পৰিণতি কি — সকলোবোৰ খৰচি মাৰি বক্তৃতা দিলে। স্বাধীন দেশৰ নাগৰিক হিচাপে আমাৰ কৰ্তব্য কি — এই বিষয়েও তেওঁ বহুমূলীয়া এটি দীঘলীয়া বক্তৃতা দিলে।

(ষোল)

অময়াপুৰ গাওঁৰ যুৱকদলৰ ভিতৰত বৰ্ত্তমান সেৱাদল সমিতি এখন গঠন হৈছে। এই সমিতিৰ সভ্যসকলে গাৱেঁ গাৱেঁ ঘূৰি বাস্তা-ঘাটবোৰ চাফা কৰিব, দলং বান্ধিব। লাভৰ ভিতৰত এই সমিতিৰ একো নাই। মাত্ৰ যুৱকসকলৰ গ্ৰামসেৱাৰ প্ৰতি অশেষ স্পৃহা। এই সমিতিৰ পৰা গাওঁৰ বহুখিনি লাভ হৈছে। আগৰ বোকা পানীৰে ভৰা বাস্তা আজি আৰু নাই। আগৰ দৰে গাওঁৰ মানুহে লেতেৰা পুখুৰীৰ পানী খাব নালাগে। গাওঁৰ সেৱাদলৰ সভ্যসকলে নাদ পুখুৰী আদি সকলোবোৰ সময়ে সময়ে চাফ কৰি বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰিছে। —এইদৰেই বসন্তৰ আবিৰ্ভাৱত অময়াপুৰ তথা ওচৰ-চুবুৰীয়া গাওঁবাবেও নতুন পোহৰ ও জীৱন পালে। 'উচ্চ ভৰা আৰু সৰল জীৱন যাপন কৰা' — এই বিষয়ে বসন্তই সমাজক প্ৰায়েই কয়। আজিকালি গাওঁৰ প্ৰায়ভাগ মানুহে নৈশবিদ্যালয়ৰ জৰিয়তে অতি কম সময়ৰ ভিতৰতে বহুতো শিকিবলৈ সক্ষম হ'ল। আগতেই অলপ লিখিব পঢ়িব জনাবোৰে বৰ্ত্তমান ৰামায়ণ, মহাভাৰত আদি ধৰ্ম্মগ্ৰন্থবোৰ পঢ়িবলৈ তথা হৃদয়ঙ্গম কৰিব পৰা হ'ল। অন্ধ সমাজৰ নিচ মনোবৃত্তিবোৰ ক্ৰমে ক্ৰমে আঁতৰি গ'ল। অখ্যাত অময়াপুৰ গাৱেঁ বৰ্ত্তমান চাৰিওফালে খ্যাতি অৰ্জ্জন কৰিব ধৰিলে।

আজি কেবাদিন আগৰ পৰাই শৰতে মন মাৰি ফুৰে। বসন্তৰ লগত ফুৰিবলৈ প্ৰায়ে এৰি দিছে। বেদনাত যেন সি ক্লান্ত হৈ পৰিছে। চিন্তাক্লিষ্ট মনেৰে নিৰ্জ্জন ঠাইত বহি চিন্তাৰ সমল সোটোৱাত বেছিকৈহে ব্যাপৃত থাকিল তাৰ।

সিদিনাই বসন্তই শৰতক কলে — "নিৰ্জ্জন কোঠালিত অকলশৰে বহি থাকিলে আপোনাৰ মনত নানা চিন্তাই বাহ লবহি। তাৰ ফলত কি হ'ব জানে? তাৰ ফলত সৃষ্টি হ'ব—এক প্ৰবল ধুমুহা। মন আৰু বিবেকৰ তুমুল যুদ্ধ।"

"ইয়াৰ উপায়?" শৰতে সোধে।

"তাকেইতো ক'ব বিচাৰিছো। আপুনি ওলাওক মোৰ লগত। কৰ্ম্মময় জীৱনটো কৰ্ম্মত বিলাই দিলেই সকলো চিন্তা আঁতৰি যাব।"

শৰত ওলাল বসন্তৰ লগত। পুনৰ মনপ্ৰাণ ঢালি দিলে গ্ৰামসেৱাত। পাহৰি গ'ল বেথাক। আনকি পাহৰি গ'ল নিজকে। হাতত দাখন লৈ ওলাল — সেৱা সমিতিৰ কৰ্ম্মীদলৰ আগে আগে। বসন্তই কলে —

"ডেকা! আপোনাৰ লগত কথা আছে।"

"নাই। পিছে পৰেও হ'ব। মই আজি কৰ্ম্মীদলৰ লগত কাম কৰিম।" শৰতে উত্তৰ দিলে।

শৰতক যোৱা দেখি বসন্তয়ো হাতত এখন দা লৈ কামলৈ ওলাল। তাকে দেখি সেৱাদলৰ এজনে কলে —

"আপুনি জানো তেনে কাম কৰিব পাৰিব?"

"নোৱাৰিম কিয়। কাম কৰিবলৈ মোৰ জানো হাত নাই?"

সকলো নিমাত হ'ল। কৰ্ম্মীদল আগুৱাই গ'ল। ......

সন্ধ্যা হ'লত শৰত ঘৰ পালেহি। মাহীমাকে কলে — "শৰত! তোক দীপালীৰ মাকে এপাক যাবলৈ কৈ গৈছে। এতিয়াই যাব লাগে হেনো।"

শৰত চিন্তাত পৰিল। যাওঁ নেযাওঁকৈ সি ধীৰে ধীৰে দীপালী-হঁতৰ ঘৰলৈ বুলি খোজ পেলালে।

ইফালে শৰত যাব বুলি শুনি দীপালীৰ প্ৰাণে আনন্দত নাচি

উঠিল। তায়ো এইমাত্র সমিতিৰ পৰা আহি ঘৰ সোমাইছেহি। আহিয়েই দেখিলে — মাকে ইফালে পিঠা-পনাৰ আয়োজন আৰম্ভ কৰি দিছে। মাকৰ এনে আয়োজন দেখি তাই প্ৰথমতে আচৰিতেই হৈছিল। কিন্তু পিছলৈ সকলো বুজিব পাৰিলে। উল্লাস আনন্দ সম্মিলিতভাৱে তাই কাম কৰি গ'ল। শৰতৰ আগমনলৈ অপেক্ষা কৰি ৰ'ল।

...... তাই চকীখনত বহি কিতাপৰ পাতবোৰ এনেয়ে লুটিয়াই থাকিল। আগত এখন সুসজ্জিত টেবুল। টেবুলৰ ওপৰত কবিতা, উপন্যাস ইত্যাদি অনেক কিতাপ জাপ জাপ হৈ আছে। .... লেমৰ স্নিগ্ধ কিৰণত গোটেই কোঠালিটো পোহৰ হৈ উঠিছে।

"দীপা।" শৰতৰ মাতত দীপালী উচপ্ খাই উঠিল। চকীৰ পৰা উঠি আথে-বেথে কলে —

"ককাইদেউ আহি পালে? ভিতৰলৈ যাওঁক। মায়ে মাতিছে।"

শৰত ভিতৰলৈ গ'ল। গৈ দেখে দীপালীৰ মাকে ভিতৰত জলপান সজোৱাত ব্যস্ত। সি আচৰিত হ'ল। মনত প্ৰশ্ন জাগিল — "কাৰ কাৰণে এইবোৰ? কোন সেই ভাগ্যবান পুৰুষ — যাৰ বাবে গোটাইছে অলেখ সমল??" — ধীৰে ধীৰে সি ওচৰলৈ গৈ মাত লগালে — "মাহীদেউ!"

"ও, বোপা আহিলা? বহা।" আথে-বেথে ওচৰতে পীৰা এখন আগবঢ়াই দিলে।

"আহিলো মাহীদেউ।" উত্তৰ দিয়েই শৰতে পীৰাখনত বহি পৰিল। দীপালীৰ মাকে লাহে লাহে কথা আৰম্ভ কৰিলে।

"সিকালৰ একো খবৰ পোৱা নাই নেকি বোপা?"

শৰতে দুখ মনেৰে উত্তৰ দিলে — "নাই পোৱা। আজি দুমাহ উকলি গ'ল — ভাল বেয়াৰ খবৰটোকে নিদিলে।" কিছুসময় বৈ আকৌ কলে — "এখন দুখনকৈ কেইবাখনো চিঠি লিখিলো — কিন্তু

এখনবো উত্তৰ নাপালো। এতিয়া মই নিশ্চিন্ত মাহীদেউ। মোৰ অন্তৰত মায়াৰ বান্ধ আৰু নাই।

"জানো বোপা।" চিৰদিন এইদৰে কটাব পাৰিবানে বাৰু?"

"নিশ্চয় মাহীদেউ।" শৰতে দৃঢ়ভাৱে উত্তৰ দিলে।

"জানো পাই। কি কৰিব খুজিছা!!" এটি দীঘল নিশ্বাস এৰি দীপালীৰ মাকে কলে।

অলপ সময়ৰ পিছতে প্লেটত কেইখনমান পিঠা আৰু একাপ চাহ শৰতৰ কাষে আগবঢ়াই দিলে। শৰতে পিঠাত কামোৰ মাৰি চাহত এহোপা দিলে। দীপালীৰ মাকে দুহাতত দুই কুৰাই কুৰাই ক'বলৈ ধৰিলে — "আমাৰ দীপালীকো চাবলৈ আহিছিল — বহুতবে পৰা। সকলোৱে পছন্দ কৰিছে, কিন্তু দীপালীয়ে ক'তো মত দিয়া নাই। কি কৰিম এই আকৌজনীৰ লগত।"

"ভাল ল'ৰা পালে দি দিয়াটো বেয়া নেদেখোঁ।" শৰতে কলে।

"আমিতো ৰাজীয়েই। কিন্তু তাই কোনোমতে ৰাজী নহয়। সিদিনা বজিয়াৰ পৰা ঠিকাদাৰ এজন আহিছিল। ছোৱালী পছন্দ কৰিছে কিন্তু তাইক আমি কৈ কৈয়ো সম্মত কৰিব পৰা নাই।"

শৰতে বুজিলে মাহীয়েকৰ চতুৰালি। সি উত্তৰ দিলে — "অলপ ভালকৈ বুজালেই সম্মত হৈ যাব।"

"তুমিয়েই বুজাবাচোন অলপ।" আমি আৰু নোৱাৰো।" ...... কথাখিনি কৈয়েই দীপালীৰ মাকে দুখন পিঠা আনি আকৌ শৰতৰ প্লেটত দিব খুজিলে। শৰতে বাধা দিব নেপালেই—ইতিমধ্যে পিঠা আহি প্লেটত পৰিলহি। অগত্যা শৰত খাবলৈ বাধ্য হ'ল।

চাহ জলপান খাই উঠি শৰত দীপালীৰ ওচৰলৈ গ'ল। দীপালী তেতিয়া এনেয়ে এখন কিতাপৰ পাত লুটিয়াই আছিল। তাই শৰতক বহিবলৈ কৈ ভিতৰলৈ গ'ল।

কিছুসময়ৰ পিছত তাই তামোলৰ বটাখন আনি শৰতৰ আগত

থলেঁ'হি। শৰতে তামোল এখন মুখত সোমাই দীপালীৰ মুখলৈ চালে। সেইৰ স্নিগ্ধ পোহৰত দীপালীৰ তেজ-গোৰা গালদুখন ধুনীয়া হৈ উঠিছে। ঘনকৃষ্ণ চুলিটাৰে তাইৰ কপত কেইটি দুগুণে চৰাইছে। এবাৰ চালে চাই থাকিবৰ মন যায়। ...... শৰতে একে-থৰে চাই থাকিল দীপালীৰ মুখলৈ। দীপালীও চালে শৰতলৈ। দুয়োৰে চকুই চকুই পৰিল। আজি বহুদিনৰ মূৰত চাৰিচকুৰ বিনি-ময়ত দুটি প্ৰাণ উধাউস হৈ উঠিল। শৰতে অলমৰ কৰিলে। ...... এটি নীৰৱ মুহূৰ্ত্ত হঠাৎ পাৰ হৈ গ'ল।

ৰাতি দহমান বজাত শৰত ঘৰলৈ উভতিল। মনত নানা ভাবৰ উৰ্ম্মিমালাই জুমুৰি দি ধৰিলে তাক। সি ভাবে—কিয় বাক দীপালীয়ে ইমানকেইজন উপযুক্ত পুৰুষকো উপেক্ষা কৰিলে। কি কাৰণত!! কিয় তাই আজি অন্যমনা? কাৰ বাবে আজি তাই অপেক্ষাৰতা?? কাৰ পৰশ পাবলৈ বিচাৰে তাই! কাৰ? কাৰ?? ...... সীমাহীন চিন্তাৰ মাজত নিজেই উটি ভাহি ফুৰে।......

—✱—

(সোতৰ)

সময় ৰাতিপুৱা।

টাৱত ফুলবোৰ ৰমক্-জমক্‌কৈ ফুলি আছে। মৃদুমন্দ সমীৰণে দেহ মন জুৰ পেলাইছে। সুকণ্ঠৰ মৃদু পৰশনে পৃথিৱীক আটক্-ধুনীয়াকৈ গঢ়ি তুলিছে। খিড়িকিৰ সেউজীয়া পৰ্দাখন বতাহত নাচিবলৈ ধৰিছে। ৰজনীগন্ধাৰ মৃদুসৌৰভেৰে গোটেই ঠাইডোখৰ আমোলমোলাই আছে।

......টুংটাংকৈ ৰেখাই বীণত আঙুলি বুলায়। এটি গানৰ সুৰ টানে। লগে লগে নিজেই আত্মহাৰা হৈ পৰে। পাহৰি যায় অতীতক। পাহৰি যায় বৰ্ত্তমানক। তাই মাত্ৰ গানৰ তৰঙ্গে তৰঙ্গে উটি ভাহি ফুৰে। উটি যায় বহু দূৰলৈ—কোনোবা এক সপোন পুৰীলৈ।

গান গোৱা শেষ হ'ল। ৰব নোৱাৰাকৈয়েই লৈ অহা চকু-পানীখিনি মচি লৈ এটি হুমুনিয়াহ কাঢ়িলে। তাৰ পাছত বীণখন কোলাত তুলি লৈ একমনে কিবা কল্পনা কৰিবলৈ ধৰিলে।......বহু-সময় কল্পনা জগতত বিচৰণ কৰি বাস্তৱ জগতলৈ উভতি আহিল। বীণখনি আঁতৰাই থৈ তালৈকে বহিল। অতীতৰ স্মৃতিবোৰ পাহৰিবলৈ যত্ন কৰে। ......নাই, নোৱাৰে। বাৰে বাৰে ভাহি উঠে অতীতৰ এবোৰা স্মৃতি।......মনটো উচ্-পিচ্ কৰে।

মনত ভাবৰ ওচাবৰ কাৰণে তাই এখন উপন্যাস পঢ়িবলৈ ললে।

......বিমল......

আচলতে লেখকৰ অপৰিচিত নামটোৰ সঙ্কেতেৰে এয়ে পৰিচয়।

পাতনিৰে পৰা বিজয় আৰু বিজয়াৰ কথোপকথন বেছ মনোগত হৈছে। বোধকৰো এই বিজয় আৰু বিজয়াই উপন্যাসখনৰো নায়ক-নায়িকা। স্বামী-স্ত্ৰী। তাই পঢ়ি যায়। ......

উপন্যাসৰ বিজয়ক— বাস্তৱৰ শৰতৰ লগত তাই মিলাই চালে। দেখিলে দুয়োৰো চৰিত্ৰ একে। ...... উপন্যাসখন পঢ়ি তাই খুউব আনন্দ পালে। ভাবিলে— শৰতৰ দৰে জীৱন্ত পুৰুষ এজনো উপন্যাসৰ পটভূমিত বিদ্যমান। কিন্তু তাই? তাইতো বিজয়াৰ দৰে কেতিয়াও নহয়। হব নোৱাৰে। তাই ভাবে। আকৌ পঢ়ে।... ..

...... "তেনেহলে তুমি মোক ভাল নোপোৱা?" —বেদনা মিহলি সুৰেৰে বিজয়ে সোধে।

"আপোনাক ভাল পাওঁ। কিন্তু আপোনাৰ আদৰ্শক ভাল পাব নোৱাৰো।" অবাধে উত্তৰ দিলে বিজয়াই।

"তেনেহলে সমাজসেৱা তুমি ভাল নোপোৱা?"

"কেৱল ভাল নোপোৱাই নহয়। ঘিণো কৰো।"

"সেৱককো?"

"হবও পাৰে।"

"তেনেহলে মোকো?"

"উত্তৰটো তেনেই সহজ।"

"ঠিক। তেল-পানীৰ দৰেই— তোমাৰ আৰু মোৰ জীৱন অমিল। মই ধনীক ঘৃণা কৰো। মানে তোমাক। তোমাৰ ধনৰ গৌৰৱক।" —কথাষাৰ শুনাৰ লগে লগে বিজয়াৰ তমক্‌কৈ খং উঠি গ'ল। যেন এপাত চোকা শেল তাইৰ বুকুৰ মাজেৰে সোঁ-সোঁকৈ গতি কৰিলে। আঘাতপ্ৰাপ্ত ফণিনীৰ দৰে তাই ছট্‌ফট্ কৰিবলৈ ধৰিলে। ইচ্ছা হ'ল যেন স্পষ্টভাবে বিজয়ক কেইষাৰমান শুনাই দিব। তাই যেন চিঞৰি চিঞৰি কব—ধনীৰ গোলাম। দেউতাৰ ধনেৰে বি, এ, পাছ নকৰিলি কি কৰিলি?" কিন্তু নাই। সকলো

খং অভিমান মনৰ মাজতে দমাই ৰাখি তোঁ-তোঁকৈ বিজয়ৰ বাবৰ পৰা আঁতৰি গ'ল।......

এইখিনি পঢ়িয়েই ৰেখাই এটি হুমুনিয়াহ এৰিলে। তাৰপিছত আকৌ পঢ়িবলৈ ধৰিলে।......

গোটেই কিতাপখনি পঢ়ি শেষ কৰি তাই ভাবি গ'ল।

......স্বদেশপ্ৰেমী বিজয়ে দেশৰ উন্নতিৰ কাৰণে প্ৰাণ-পণে চেষ্টা কৰে। তাৰ মন পবিত্ৰ—এক স্বদেশহিতৈষী ভাবত আবদ্ধ। কিন্তু বিজয়া? তাই জানো বিজয়ৰ আদৰ্শক সন্মান কৰিলে? কিবা ধনভণি যোগালে? বিজয়ক কৰ্তব্যত কিবা সহায় কৰিলে জানো? নাই। তাৰ পৰিবৰ্তে তাই দিলে শত বাধা বিঘিনি। বিজয়ক বাৰে বাৰে পঙ্গু কৰি তুলিবলৈ চেষ্টা কৰিলে। কিন্তু তথাপি—বিজয়ে জানো এৰিলে? একনিষ্ঠ বিজয়—চিৰদিন সমান-অটল হৈ থাকিল। অগত্যা বিজয়া দেউতাকৰ ঘৰলৈ যাবলৈ বাধ্য হ'ল।

ধনীৰ দুলালী বিজয়া। চহৰৰ বাহ্যিক বাতাবৰণত মেটিতা তাই। গতিকে তাই কি পাৰিবে থাকিব বিজয়ৰ লগত? বিজয় হ'ল গাৱঁৰ ল'ৰা। চহৰত থাকি পঢ়িছিল যদিও—সি নিজৰ গাওঁখনক এৰিব নোৱাৰে। সেয়েহে গাওঁ আৰু চহৰৰ পাৰ্থক্যৰ দ্বন্দ্বে সিহঁতৰ সংসাৰখন জটিল হৈ পৰিল।......ভাবি ভাবি ৰেখাই চকুপানী টুকিলে। বিজয় আৰু বিজয়াক লৈ আজি তাই কথা পাতিলে। নিজৰ জীৱনক উপলব্ধি কৰিলে। তাইৰ নিজৰ জীৱনৰ ঘটা সকলো ঘটনা মনত পৰি গ'ল।—শৰতৰ দৰে দেশসেৱক একোজন বিজয়ৰ দৰে উপন্যাসৰ নায়কৰ চৰিত্ৰত চিৰদিন অমৰ হৈ থাকিব। চিৰদিন তেওঁলোক সমাজৰ আদৰ্শৰ প্ৰতীক হৈ ৰ'ব। তেওঁলোক পূজ্য, তেওঁলোক ভক্ত। কিন্তু বিজয়াৰ নিচিনা দুৰ্বিনীতা নাৰী এজনী সমাজৰ পূজ্যা নহয়—হব নোৱাৰে।......তাই কিতাপখন বুকুত সাৱতি ললে। বিজয়াৰ প্ৰতি তাইৰ মনত ঘৃণাৰ

ভাব উপজিল।......

পিছদিনা আবেলি।

চন্দ্ৰা এখনত বহি ৰেখাই দুখমনে কিবা ভাবি আছে। চুলি-কোছা বতাহত আউলী-বাউলী হৈ পৰিছে। টাবত ফুলি থকা ফুলবোৰলৈ নীৰৱে চাইছে তাই। এনেতে মাকে তালৈ উঠি আহি নীৰৱতা ভঙ্গ কৰি দিলে। কলে—"তেনেকৈ মন মাৰি বহি থাকিলেই নানা চিন্তাই আগুৰি ধৰে। অলপ বাহিৰলৈ নেযাৱ কিয় ফুৰিবলৈ।"

মাকৰ মাতত তাইৰ চিন্তা আঁতৰি যায়। তাই নম্ৰস্বৰে মাকক প্ৰশ্ন কৰিলে —

"অনু আহিলনে মা?"

"নাই অহা দেখোন।" মাকে উত্তৰ দিলে। এনেতে অনুপমা আহি পালেহিয়েই। তাই পোনেই ভিতৰলৈ সোমাই আহিল। মাকক কলে — "মা, মা। এখন ভাল থিয়েটাৰ আহিছে। চাবলৈ যাও দে মা।"

"কাৰ লগত?" মাকে প্ৰশ্ন কৰে।

"অজয় ককাইদেৱে লগ ধৰিছে। ৰেখা বাইদেউকো ওলাবলৈ কৈছে। তেওঁলোকৰ বীণাও হেনো যাবগৈ।"

মাকে ভাবিলে — সদায় ঘৰতে বহি বহি ৰেখাৰ চিন্তা বাঢ়িছে। বাহিৰলৈ ফুৰিবলৈ গলে মনৰ চিন্তা কিছু আঁতৰিব কিজানি!! প্ৰকাশ্যে কলে—"যা গৈ যা"

মাকৰ অনুমতি পাই অনুপমাৰ চকুত আনন্দৰ জেউতি বিৰিঙিল। বায়েকক কলে—"বাইদেউ! বোলা। ওলোৱাঁগৈ। সোনকালে।" এইবুলি অনুপমাই চাদৰখন সলাই ললে। অনা-গ্ৰহ্যক স্বত্বেও ৰেখাই এনেক্ৰে প্ৰস্তাৱ কৰিয়ালে। মো অলপ মুখত কি বাহিৰলৈ ওলাই আহিল।

ইফালে ৰেখাই ড্ৰেছিং টেবুলৰ ওচৰলৈ গৈ মূৰটো ভালদৰে ফণিয়াই ললে। সেন্দুৰৰ কোটটো কপালৰ আগত লৈ খোজো-তেই তাইৰ মনত পৰিল বহুত কথা। এদিন। বহুদিন আগৰ কথা। ভাল এখন থিয়েটাৰ চলিছিল তাত। থিয়েটাৰ চাবলৈ বুলি এইদৰে তাই সাজি-কাচি ওলাইছিল। যাবলৈ সাজু হোৱা ৰেখাই মনৰ আনন্দতে শৰতক কৈছিল — "বলক, মোৰ হ'ল।" কিন্তু সেই আনন্দৰ স্ফুলিঙ্গত শৰতে ঢেকাপানী ঢালিছিল। সি 'সময় নাই' বুলি কৈয়েই ক'ৰবালৈ গুচি গৈছিল। লগৰ পাৰুল, প্ৰণীতা, সবিতা সকলো গৈছিল। কিন্তু তাই মনৰ বেজাৰতে ঘৰতে বহি থাকিবলগীয়া হৈছিল। আৰু আজি? আজিও জানো তাইক কোনোবাই বিমুখ কৰিব। কোনোবাই যাত্ৰাপথত ভেটা দিব জানো? ...... এটি গভীৰ নিশ্বাস ওলাই আহিল তাইৰ অন্তৰৰ পৰা — অজ্ঞাতে। ...... চাদৰখন ভালদৰে খোঁচি ললে তাই। তাৰপিছত ধীৰে ধীৰে ওলাই আহিল বাহিৰলৈ।

ইতিমধ্যে অজয় আৰু বীণাও আহি পালেহি। ড্ৰাইভাৰক মটৰ উলিয়াবলৈ কলে। ড্ৰাইভাৰে মটৰ ষ্টাৰ্ট দিলে।

ৰেখাহঁতে যোৱাৰ পাছত ইফালে মাকে ভাবিলে — 'দিনে দিনে ৰেখাৰ চিন্তা বাঢ়িহে গৈছে। কি কৰা যায়।' লগে লগে শৰতলৈ খং উঠিল। শৰতে নিজৰ পত্নীক — পত্নীৰূপে পালন কৰিব নোৱাৰে। অপাৰগ।

সন্ধ্যা আঠ বজাত মোমাদাৰৰ লগত আলোচনাত বহিল। তাই অলপ চিন্তিতভাৱে কলে —

"ৰেখাৰ চিন্তা দিনক দিনে বাঢ়িহে যাব ধৰিছে দেখোন।"

"এটা কাম কৰিলে বেয়া দেখা নেকি?" মোমাদাৰে কলে।

"কি কাম?"

"সেই যে হৰেণ দত্ত বুলি মানুহজন! তেওঁ আমাৰ ৰেখাক

পছন্দ কৰিছে। পিছে কিবা বেয়া হব নেকি ?"

"একো বেয়া নহয়। পিছে ......"

"ও শৰতৰ কথা কব খুজিছা। যদি সি নিজৰ পত্নী বুলি ভাবে — তেনেহলে এবাৰৰ কাৰণে হলেও আহি খা-খবৰ লৈ যাব পাৰেহি। কিন্তু ক'তা ? আজি এবছৰ হৈ গ'ল। তাৰ দেখোন দেখা দেখিয়েই নাই।"

"তথাপি আপুনি এবাৰ তালৈ গৈ আহকচোন।"

মৌজাদাৰ মনে মনে থাকিল। শৰতৰ ঘৰলৈ যোৱাৰ কথাকে ভাবিলে তেওঁ।

ইফালে শৰতৰ মাহীমাকে জানিলে যে মৌজাদাৰে দুই এদিনৰ ভিতৰতে আহি ওলাবহি। তাই দীপালীৰ মাকৰ লগত আলোচনাত মন দিলে। দীপালীৰ মাকে কলে — "মৌজাদাৰে কিবা সুধিলে ছোৱালীৰ আকাল নাই বুলি কৈ দিবা।"

"তাকেইটো কম বুলি ভাবিছো।"

চোৱা। তাই ইয়াৰ পৰা গৈয়েই বহুত কথা লগোৱা বুলি শুনিব পাইছো। তাইক হেনো তোমালোকে বেমাৰত শুশ্ৰূষা কৰা নাই। ঔষধ পাতি দিয়া নাই। হেন-তেন বহুত কথা। আমিতো শুনিব পাওঁ। তোমালোকৰ কাণত জানো পৰে ?" — দীপালীৰ মাকে এইদৰে নোহোৱা নপজা কথাও কিছুমান লগালে। এক প্ৰকাৰ চাবলৈ গলে ৰেখাৰ কুৎসা ৰটনাও কৰিলে। শৰতৰ মাহী-মাকৰ মনোভাব দীপালীৰ মাকৰ মনত মিলি গ'ল। দুয়োৰে ভিতৰত ঘনিষ্ঠ সম্বন্ধ গাঢ় হৈ উঠিল।

তিনিদিনমানৰ পিছত মৌজাদাৰ আহি শৰতৰ ঘৰ পালেহি। শৰত তেতিয়া ঘৰত নাছিল। কিন্তু ইতিমধ্যে সদানন্দ ক'ৰবাৰ পৰা এইমাত্ৰ ঘৰ আহি পালে। চৰাঘৰত বহুকাল মৌজাদাৰক অকলশৰে বহি থকা দেখি মাত লগালে —

"ও, চৌধুৰী দেখোন? খবৰ পাইছে?"

"হয়।" মৌজাদাৰে উত্তৰ দিলে। তাৰ পাছত দুয়ো কথা-বতৰা আৰম্ভ কৰিলে।

শৰতৰ মাহীমাকে ইফালে কেনেকৈ মৌজাদাৰক কথাৰে এক-হাত মাৰিব পাৰে — তাৰে উপায় চিন্তা কৰি আছিল। লগে লগে সৰু সৰু ল'ৰা-ছোৱালীবোৰক কেটেৰা জেঙেৰাকৈ তাইৰ মনোভাব প্ৰকাশ কৰিবলৈ বিচাৰিছিল। এনেতে সদানন্দ আহি তাইক চাহৰ কাৰণে ক'লে। এই সুযোগতে তাই হেঁ'া-ভেঁাৱাই উঠিল। ক'লে — "কিয় আহিছে মৌজাদাৰ? কি সকামনো ওলাল?"

"তুমি কথাবোৰ অলপ লাহে লাহে কোৱা।" সদানন্দই নম্ৰস্বৰে ক'লে। গিৰিয়েকৰ কথা শুনি তাই বেছিকৈহে ভেঁা-ভেঁাৱাই ক'লে — "কি লাহে লাহে কৰ লাগে। কম লগা কথা কৈ দিছো। ইয়ালৈ আহিবলৈ তেওঁৰ কি সকামনো ওলাল? মে ছোৱালীৰ কথা কবলৈ আহিছে? যদি আহিছে — ছোৱালীৰ আকাল নাই বুলি কৈ দিয়ক।"

"হেৰা, তুমি মানুহৰ আগত লঘু কৰি মাৰা কিয়?"

"কি লঘু? ছোৱালীৰ আকাল নাই বুলি কওঁকহে।" মৌজাদাৰে শুনক বুলিয়েই তাই কথাকেইষাৰ আৱশ্যকতকৈও কিছু ডাঙৰকৈ ক'লে।

কথা বেয়া বেন অনুমান কৰি সদানন্দ সেমেনা-সেমেনিকৈ মৌজাদাৰৰ ওচৰলৈ গ'ল। মৌজাদাৰে শৰতৰ মাহীমাকৰ সকলো কথা স্পষ্টকৈ শুনিছিলেই। এক অব্যক্ত বেদনাত তেওঁৰ মুখ ক'লা পৰি গৈছিল। সদানন্দই গৈ মাত লগালে — "চৌধুৰী।"

"ঔ, মই এতিয়া যাওঁ বুলিছে। শৰতক মই এদিন মাতো বুলি কম। দুই এদিনৰ ভিতৰতে। বুজিছে?" — মৌজাদাৰে কথাষাৰ কৈয়েই যাবলৈ ওলাল। সদানন্দই চাহ খাবৰ কাৰণে

অনুৰোধ কৰিলে। কিন্তু তেওঁ আৰু অলপ সময়ো ৰৈ নাথাকিল। গাড়ীত উঠি ড্ৰাইভাৰক কলে—

"ড্ৰাইভাৰ। সোনকাল কৰ।" লগে লগে গাড়ী চলিল

খৰ পাই মৌজাদাৰে খৈৰ্ণীয়েকৰ আগত সকলো কথা বিৰৰি কলে। ৰেখাৰ মনত খুউব দুখ লাগিল। তথাপিও শৰতৰ আগমনৰ প্ৰতীক্ষাত ৰেখাই দিন নিৰাৱলৈ ধৰিলে।

ইফালে শৰত প্ৰতিদিনে ওলায়—শহুৰেকৰ ঘৰলৈ বুলি। প্ৰতিদিনে বাধা দিয়ে মাহীমাকে। তাই কয়—"তোৰ যদি লাজ আছে—তই কেতিয়াও নেযাব শৰত।"

মাহীমাক হলেও—ডাঙৰৰ কথা। অমান্য কৰিব নাপায়। শৰত ৰখলৈ বাধ্য হয়।

ইদিনে দীপালীৰ মাকেও কয়—"শৰত বোপা! তোমাৰ ছোৱালীৰ আকাল নাই। মিছাকৈ সেইজনীক আনি দেউতাৰৰ নাক কাণ কাটা কিয়? নুশুনিছানে সেইবোৰ কথা।" এইবুলি তাই শৰতৰ আগত বহুত কথা লগালে।

(ওঠৰ)

এদিন দুদিনকৈ কেইবাদিনো পাৰ হৈ গ'ল। এমাহ দুমাহ কৰি তিনিমাহত ভৰি দিলেহি। তথাপিও শৰত নোলাল — বেথাৰ ওচৰত। বেথা অস্থিৰ হৈ পৰিল। প্ৰাণে হাহাকাৰ কৰি উঠিল। ...... "তেনেহলে তেওঁ সঁচাকৈয়ে পাহৰিলে তাইক।" ...... তাই নিজকে প্ৰশ্ন কৰে। এক অব্যক্ত বেদনাত তাইৰ কলিজা থৰ্‌কবাই উঠে।

...... বিৰুলিৰ ব'দজাকত বহি তাই ভাবে — শৰতৰে কথা। তাইৰ প্ৰাণৰ দেৱতা শৰতে তাইক সঁচাকৈয়ে পাহৰিলে। সঁচাকৈয়েই নাও মেলি গুচি গ'ল। হয়তো বহুদূৰ পালেগৈ তেওঁ। ... লাহে লাহে মনত পৰে বিদায়ৰ বেলিকা লিখি থৈ অহা চিঠিখনলৈ। তাত তাই শৰতলৈ অনুৰোধ কৰি লিখিছে — যাতে জীৱনৰ সঙ্গী লৈ শৰত সুখী হয়। এৰা, সুখী হওঁক তেওঁ। তাই ভাবে — "মই লগত থাকি বহু দুখকেই দিলোঁ তেওঁক। মোৰ অনুপস্থিতিত যদি তেওঁ সুখী হ'ব পাৰিছে— তেনেহলে মোৰ আপত্তি কিয় ?" ... . তাই ভাবি যায়, চকুপানী মচি যায়। চিন্তাৰ যেন আদি অন্ত নাই।

বেথাৰ মন যোগাবৰ কাৰণে দেউতাকে কেৰম বোৰ্ড, প্লে-কাৰ্ড, আদি নানাৰকমৰ খেলৰ সামগ্ৰী আনি দিয়ে। এইবোৰ খেলা-ধূলাৰ মাজত থাকি বেথাই কিছু চিন্তা পাহৰি যায়।

আজিকালি বীণা, কমলা, ললিতা আদি কেইজনীমান সমনীয়া ছোৱালী বেথাৰ লগত খেলিবলৈ আহে। কেৰম-বোৰ্ড খেলি আটাই-কেইজনীয়ে ভাল পায়। ফুৰ্তিত হাঁহে। তামাচা কৰে। —এই-

দৰে হাঁহি তামাছাৰে ৰেখাই দিন নিয়াবলৈ চেষ্টা কৰে। দিনবোৰ আগবাঢ়ে।

ইফালে শৰত। তাৰ জীৱনটোও নিৰানন্দময়। সি বসন্তৰ লগত ফুৰি কিছু আনন্দৰ সমল গোটায়।

আজিকালি শৰত ঘৰত প্ৰায় নাথাকে। সি বসন্তৰ লগত গাঁৱে গাঁৱে ঘূৰি ফুৰে। কেতিয়াবা ৰাতিও ঘৰ আহি নাপায়হি।

বসন্ত আহে। যায়। বাৰিষাও আহে। আকাশ কলা মেঘে ঢাকি ধৰে। কেনে-কোটোকাৰে নৈৰ পানী বাঢ়ে। বানপানী উঠে।

এইবেলি বাৰিষা। ধাৰাসাৰে মাত্ৰ পৰিছে পানী। পানীৰ যেন শেষ নাইকীয়া। আকাশৰ বুকুত্তো যে ইমান পানী থাকিব পাৰে — কল্পনাও কৰিব নোৱাৰি। কলহৰ কাণেৰে মাত্ৰ ঢালিছে অশেষ পানী। এইবাৰ পানীয়ে সঁচাকৈয়ে প্ৰলয়ঙ্কাৰী ৰূপ ধাৰণ কৰিলে। চাৰিওফালে কেৱল পানী আৰু পানী। গাঁৱে-ভূঞে, নগৰে-চহৰে কেৱল পানী। মানুহবোৰে নাওত উঠি, ভেলত উঠি কোনোমতে প্ৰাণ ৰক্ষা কৰিছে। কিছুমানে চৰকাৰী ৰাস্তাৰ ওপৰত তম্বু সাজি দিন কটাইছে। ...... মানুহৰ কুলাই-পাচিয়ে নধৰা বিলাই-দুখ-দুৰ্গতি।

গৰু-ছাগলী, হাঁহ ইত্যাদি পানীৰ সোঁতত উটি যাব ধৰিছে। ঘৰৰ মুধৰ ওপৰেৰে কেৱল প্ৰবাহমান পানী। গৰুৰ হেম্বেলনি, ছাগলীৰ পেপনি, মানুহৰ কৰুণ আৰ্তনাদ — চাৰিওফালে মাত্ৰ বিপদৰ সঙ্কেত।

এই বিপদগ্ৰস্ত মানুহক সহায় কৰিবলৈ ঠায়ে ঠায়ে যুৱকদলৰ মাজত ৰিলিফ্ কমিটি গঠন হ'ল। বসন্তৰ নেতৃত্বত — শৰত, হেমেন, পৰমা, দেবেন আদিৰ মাজতো ৰিলিফ্ কমিটি এখন গঠন হৈ গ'ল। নাও এখন লৈ ডেকালোকে সৰহজাপ চুটমাহ আৰু কিছু চাউল লৈ চাপৰি মেলিলে বিপদগ্ৰস্ত ৰাইজৰ প্ৰাণৰক্ষার্থে।

উত্তৰ অঞ্চলৰ গাওঁবিলাকৰ ভিতৰত বানপানীয়ে আটাইতকৈ ভয়াবহ ৰূপ ধাৰণ কৰিলে ৰূপহী গাওঁত। বানপানীৰ কোবাল সোঁতে ঘৰৰ ভেটি খান্দি লৈ গ'ল। পানীৰে গোটেই গাওঁ একাকাৰ হৈ পৰিল। চৰকাৰী ৰাস্তাৰ ওপৰত মানুহ আৰু মানুহ। বিপদগ্ৰস্ত পীড়িত মানুহ। কিছুমানক দূৰত দেখা যায় — ভুলভুল ভুৰবনিত উঠি জিক্‌মিক্ চকুপানী টোকা। তেওঁলোকৰ মুখবোৰ শুকান।

ওপৰত মেঘৰ ৰুদ্ৰ গৰ্জন। তলত জলধিৰ উত্তাল প্লাৱন। ...... ইমান দুখ! ইমান যাতনা !! ...... বসন্তইত আগুৱাই গ'ল।

তেওঁলোকে প্ৰতিজন মানুহক বুট বিলাই দি গ'ল। ভোকাতুৰ প্ৰাণীবোৰে বৰ আগ্ৰহেৰে বুট চোবাবলৈ ধৰিলে। ...... লৈ লৈ তেওঁলোকে ৰূপহী গাওঁ পালে। তাতে তেওঁলোক চৌধুৰীৰ ঘৰত উপস্থিত হ'ল। পানীৰ মাজত পকী দালানটো মাত্ৰ গৌৰৱেৰে থিয় দি আছে। বাকীবোৰ তেনেই ভাগি চুৰমাৰ হৈছে। নাৰিকল, তামোল গছৰ মাজেৰে মাত্ৰ সোঁ-সোঁকৈ বৈছে অবাধ প্লাৱন।

ভীতিগ্ৰস্ত প্ৰাণীকেইটি ওপৰৰ খোটালীত দুখমনে বহি আছে। প্ৰত্যেকৰে মুখৰ হাঁহি যেন ক্ৰমাগত লুপ্ত হ'ব ধৰিছে। চৌধুৰীৰ মুখখনো বিষাদৰ ভাৰেৰে ঢাকি ধৰিছে।

বসন্তইত ওপৰলৈ উঠি গ'ল। দেখিলে বহুত মানুহ জুম বান্ধিছে তাত। গাওঁৰ প্ৰায় আধামানুহ তাতেই আছে। ...... প্ৰত্যেককে তেওঁ হাঁহি সম্ভাষণ জনালে আৰু খোৱা বাদ্যাদি দি গ'ল।

বসন্তৰ লগত মৌজাদাৰে দেখিলে শৰতক। শৰতক দেখি প্ৰত্যেকৰে মুখত হাঁহি বিৰিঙিল। এদিনৰ দুৰ্বল শৰতক চৌধুৰীয়ে দেখিলে — সবল, বহুৰূপী, মঙ্গলাকাংক্ষী। প্ৰশংসাত তেওঁৰ বুকু আচল্লাই গ'ল। চৌধুৰাণীয়েও ভাবে — শৰতৰ তাৰ কথা। — গুণবান শৰত। তাৰ আত্মা পবিত্ৰ সবল। তাৰ জীৱনটোৱেই

জনগণৰ মঙ্গলৰ কাৰণে। প্ৰশংসাত তাইৰো মন পবিত্ৰ হৈ পৰে। ইপিনে ৰেখাৰ মুখ দেখা যায় — শ্ৰদ্ধাত, ভক্তিত।

কিছুসময়ৰ পিছত বসন্তইঁত তাৰ পৰা গুচি গ'ল। ভীতিগ্ৰস্থ আত্মাক সান্ত্বনা আৰু অলপ খাদ্য দিয়াই তেওঁলোকৰ কাম। সেয়েহে তেওঁলোকে পুনৰ পানীৰ কোবাল সোঁতত নাও মেলি দিলে।

বতাহ ধৰমুধ সকলো নেওচি তেওঁলোক মাত্ৰ আগুৱাই যায়। মানুহৰ করুণ বিননিত তেওঁলোকৰ আত্মাও কান্দি উঠে। ....আকাশৰ কাণ তাল মৰা শব্দ আৰু ধুমুহা ধৰমুধৰ লগত তেওঁলোকৰ সম্বন্ধ নাই। তেওঁলোকৰ সম্বন্ধ কেৱল বিপদাপন্ন আত্মাৰ লগত। বাস্তাৰ ওপৰে ওপৰে যে কিমান মানুহ, কিমান বিবস্ত্ৰা নৰ-নাৰী দেখিবলৈ পালে— তাৰ সীমা সংখ্যা নাই।

এঠাইত দেখিলে এটি দৃশ্য। গা শিয়ৰি উঠে। ...... এজনী তিৰোতাই পুত্ৰশোকত কান্দি কান্দি পানীত জাপ দিলেগৈ। অশেষ চেষ্টা কৰিও তেওঁলোকে তাইক উদ্ধাৰ কৰিব নোৱাৰিলে।

...... গ'ল। পুত্ৰশোকত মাতৃৰো প্ৰাণ উটি গ'ল। এইদৰে কিমান যে জীৱন লয় পালে তাৰেইবা হিচাপ ৰাখিছে কোনে? বসন্তই এবাৰ ভাবিলে। এটা গভীৰ নিশ্বাস পেলাই পুনৰ নাও মেলি দিলে।

প্ৰায় পথেকদিন মানৱ মুখত তেওঁলোক নিজ গাৱঁলৈ উভতিল। প্ৰত্যেকৰে মুখত গৌৰৱৰ হাঁহি।

ইকালে মহিলা সমিতিৰ কামো পূৰ্ণোদ্যমে চলাইছে দীপালীয়ে। তেওঁলোকৰ ধাৰণা — বিপদগ্ৰস্থ মানুহক ইয়াৰ দ্বাৰা অতি কমেও লজ্জা নিবাৰণৰ কাৰণে একো জোৰৰকৈ কাপোৰ দি সহায় কৰিব পৰা যাব। ...... প্ৰত্যেকেই কামত ব্যস্ত হৈ পৰে। সূতা কটাই সূতা কাটিছে। কাপোৰ বোৱাই বৈছে। এক মহান আদৰ্শ আৰু বুকুত অদম্য উৎসাহ লৈ তেওঁলোকে কাম কৰি যায়। দীপালীৰ

এনে কৰ্মতৎপৰতাক বসন্তই শলাগে। তেওঁ প্ৰতিগৰাকী মহিলাকে দুগুণ উৎসাহেৰে কাম কৰিবলৈ উদগনি দিয়ে। দিনবোৰ আগুৱাই গ'ল।

—*—

(ঊনৈশ)

বৰ্ষা গ'ল। শৰতকাল পৰিল।

শৰতৰ সন্ধ্যা এটা। আকাশত শাৰদীয় চন্দ্ৰমা। মৰতত তাইৰেই ৰূপালী আভা। চতুৰ্দ্দিশ মুখৰিত হৈ উঠিছে। মলয়াৰ মৃদু পৰশে ধৰণীক জুৰ কৰি পেলাইছে।

শৰত আৰু দীপালী। এটা নিৰ্জ্জন কোঠালি।

“....মোক গ্ৰহণ কৰাত জানো আপোনাৰ কিবা আপত্তি আছে?” আকুল কণ্ঠে দীপালীয়ে সোধে শৰতক। লেমৰ ক্ষীণ পোহৰে কোঠালিটো পোহৰাই পেলাইছে। ৰিৰ্‌ ৰিৰ্‌কৈ বতাহচাটি বৈ আছে। বাহিৰত ৰূপালী চন্দ্ৰমাৰ উজ্জ্বল জেউতি। ভিতৰত আকুলিত পৰাণৰ কাতৰ মিনতি। শৰতে ধীৰে ধীৰে কলে—

“...গ্ৰহণ কৰাত কোনো আপত্তি নাই। কিন্তু তুমি জানো কষ্ট কৰিব পাৰিবা?”

“নিশ্চয় পাৰিম। মেধা বাইদেউৰ লগত মই খইনতাই সঙ্গিনী খাটিম। তাত আপোনাৰ আপত্তি কিয়?”

শৰতে এটা দীঘল নিশ্বাস কাঢ়িলে। ধীৰে ধীৰে দীপালী

শবতব কাবব পবা আঁতবি গ'ল বাহিবলৈ।

আজি শবতব চকুত ভাহি উঠিল—দুটি নাবীব দুখনি মুখাকৃতি। দীপালী আৰু বেখা। বেখা আৰু দীপালী। দুটি বপব দুটি নাবী। এটি সুখী, আনটো কাতবা। ...সি ভাবি যায়। 'দুদিন পিছতে দীপালী হ'ব তাব জীৱন সঙ্গিনী। তাব জীৱনব সকলো ভাব—সকলো স্বপ্ন দীপালীব ওপবত ন্যস্ত হ'ব। দীপালীয়েই হ'ব চিব লগবী। চিব সহচবী। আৰু বেখা? —বেখা ৰ'ব শবতব আকাশত দিগন্ত বিয়পি। হয়তো সূৰুযব কিবণত জেউতি চবাই।'...

শবতব মাহীমাকব ইচ্ছা দীপালীক বোৱাবী হিচাপে আনি সেই ঘবখনব লগত সম্বন্ধ পতাব। সেইকাবণে তাই গিৰিয়েকব ওচবত দীপালীব সৈতে শবতব বিয়াব প্রস্তাব তুলিলে। ঘৈণীয়েকব প্রস্তাব গিৰিয়েকে সমর্থন কৰিলে। শবতব মন বুজিবলৈ তেওঁলোকে ইচ্ছা নকৰিলে। ইতিমধ্যে দীপালীব মাকব সৈতে তেওঁলোকব গুপুত আলোচনাও চলিল।

এদিন। হেমন্তব হিমময় বাতি। সেউভাকে শবতব আগত কথাটো খোলা-খুলিকৈ ক'লে। শবত মনে মনে ৰ'ল। মুখেবে একো উত্তব নিদিলে।

পিছদিনা শবতে শহুবেকলৈ লিখিলে এখনি চিঠি। তাত লিখিলে—নিজব মানসিক, শাৰীবিক, পৰিবাবিক সকলো কথা। চিঠি লিখি সি উত্তব পোৱাব আশাত কিছুদিন ৰ'ল।

চিঠি গৈ চৌধুবীব হাতত পৰিলগৈ। বাতি চৌধুবাণীব সৈতে শবতব বিষয়ে আলোচনা হ'ল। চৌধুবীয়ে কলে—"ল'বাটোৰ কাৰণে তেওঁ সম্বন্ধ পুনব যোবা লগাবলৈ ইচ্ছা যায়। কিন্তু পৰিয়ালটোৰ কাৰণে ইচ্ছা নাই। পৰিয়ালটো একেবাৰে অভদ্র।" —আৱশ্যকীয় আৰু কেইটিমান বিষয়ে আলোচনা হোৱাৰ পিছত বাতি ভাত পানী খাই আঠাইয়ে শুই পৰিল।

...প্ৰায় এসপ্তাহৰ মূৰত শৰতে শহুৰেকৰ পৰা চিঠিৰ উত্তৰ পালে এইদৰে—

"কল্যাণীয় বোপা। তোমাৰ চিঠি পাই ভালেই লাগিল। তোমাৰ জীৱনত ঘটি যোৱা ঘটনাৰ বাবে মই দুঃখিত। কিন্তু মই কি কৰিম !!

মানুহৰ জীৱনত ঘটনা ঘটে। ঘটনাবোৰ জীৱনৰ একো একোটা স্তৰ। একো একোটা পৃষ্ঠা। আজি তোমাৰ জীৱনত যি অঘটন ঘটিল— ইয়াৰ কাৰণে অকল আমাৰেই নহয়— অনুভৱ-প্ৰৱণ প্ৰত্যেক মানুহৰেই দুখ লগা স্বাভাৱিক। কিন্তু কোনে কি কৰিব পাৰে। এয়া সকলো বিধিৰেই লিখন। যি হ'বলৈ আছিল— হৈ গ'ল। তাৰ কাৰণে ভাবি চিন্তি একো লাভ নাই।

সময়ত বাধ্য হৈ কোনোজনে দ্বিতীয় বিবাহ কৰিবলগীয়া হয়। গতিকে তোমাৰ দ্বিতীয় বিবাহত মই সম্মতি নেদি থাকিব নোৱাৰিলোঁ। ইতি— তোমাৰ শহুৰ "বসন্তকান্ত চৌধুৰী"

চিঠি পঢ়ি শৰত মৰ্মাহত হ'ল। যি আশা কৰি সি লিখিছিল এইখনি চিঠি সেই আশা কলিতে মৰহি হৈ গ'ল। ...এটি হুমুনিয়াহ কাঢ়ি শৰত বিছনাত ঢলি পৰিল। ...'বেথাক সঁচাকৈ নেপাৰ সি।' — মনতে ভাবিলে শৰতে।

লাহে লাহে শৰতে মিনাত মত দিলে। দুয়ো মনতে আনন্দৰ হাঁহি বিৰিঙিল। দুয়োঘৰৰ মানুহে ইঘৰে সিঘৰক আহ-যাহ কৰিবলৈ ধৰিলে। অলপ দিনৰ ভিতৰতে দুয়োজনৰে ঘনিষ্ঠতা আৰু বেছি গাঢ় হৈ উঠিল।

ইফালে বেথা। এক উদাস আৰু তিক্ততা ভৰা জীৱনত শান্তি বিচাৰি হাবাথুৰি খাইছে। খেলা আৰু গান-বাজনাৰ মাজেদি তাই জীৱনৰ তিক্ততাখিনি পাহৰিব খোজে। [illegible] কালি আইৰ গান শোৱা আৰু কেবাৰ [illegible] বাদ পৰিছে। [illegible]

থাকিলে গান গায়, লগ-সমনীয়া পালে কেৰাম খেলে।

মাজে মাজে অজয়ৰ লগত ফুৰিবলৈ যায়। চিনেমা চাৰ্কাচ আদিও চায়।

সঙ্গীতত ৰাপ দেখি দেউতাকে তাইক সঙ্গীত বিদ্যালয়ত নাম লগাই দিলে। তাই প্ৰতিদিনে গান শিকিবলৈ যায়। তাত লগ-সমনীয়াৰ সৈতে কথাপাতি মনৰ দুখ পাতল কৰে। এইদৰেই দিনবোৰ পাৰ হৈ যায়।

অজয় ডেকা প্ৰায়ে চৌধুৰীহঁতৰ ঘৰলৈ আহে। ৰেখাৰ লগত কেৰাম খেলে, তাচ খেলে। কেতিয়াবা সঙ্গীত বিদ্যালয়লৈ ৰেখাক আগবঢ়াই থয়। দুয়োৰে ভাল আলোচনা হয়।

ৰেখা আৰু অজয়ৰ মিলা-প্ৰীতি দেখি ৰেখাৰ মাক-বাপেকৰ মনত আনন্দ জাগে। অজয়ৰ লগত যদি ৰেখাৰ মন মিলে!! অজয়ৰ নিচিনা ল'ৰা এজনক পালেও তাই জীৱনত সুখী হ'ব পাৰিব। তেওঁলোকে ভাবে।

সিদিনা সোমবাৰ। ৰেখা ওপৰৰ কোঠালিত বহি কিতাপ এখন পঢ়ি আছিল। এনেতে অজয় তালৈ উঠি আহিল। ৰেখাই সুধিলে —

"কেৰাম খেলিব নেকি?"

"নাই, ফুৰিবলৈ যাওঁ বলা"। অজয়ে কলে।

"বলক তেনেহলে।" — ৰেখা উঠিল। দুয়ো তললৈ নামি আহিল। ৰেখাই দেউতাকক কলে —

"আমি অলপ আহোঁ দেউতা।"

দেউতাকে সন্মতি দিলে। সিহঁত দুয়ো ফুৰিবলৈ ওলাই গ'ল। চৌধুৰাণীয়ে চৌধুৰীক কলে —

"ল'ৰাটোৰ চৰিত্ৰত কুটিলতা নাই।"

"বৰ ভাল পাইছোঁ ল'ৰাটোক!! শিক্ষা দীক্ষাত বহু ওপৰত

যদিও অহংকাৰ বোলা বস্তু নাই।" চৌধুৰীয়ে শলাগিলে। তেওঁ-লোকে মনে মনে অজয়ক জোৱাই ৰূপে পাবলৈ ইচ্ছা কৰিলে।

ৰাতি নটা বজাত ৰেখাহঁত ঘৰ আহি পালে। ৰাতিৰ ভাতৰ কাৰণে চৌধুৰী চৌধুৰাণীয়ে অজয়ক জোৰ কৰিলে। অজয় ৰবলৈ বাধ্য হ'ল। ৰাতি অজয় আৰু চৌধুৰীৰ মাজত 'বৰ্ত্তমান সভ্যতাৰ যুগ' সম্পৰ্কে বহুত আলোচনা হ'ল। অজয়ৰ লগত আলোচনা কৰি চৌধুৰীয়েও বেছ আমোদ পালে।

এঘাৰ বজাত অজয়ে চৌধুৰী, চৌধুৰাণী, ৰেখা আদিৰ পৰা বিদায় লৈ ঘৰলৈ গ'ল। ঘৰ পায়েই বিছনাত বাগৰি [illegible] সি মনতে ভুকিয়াই চালে — ৰেখাৰ বেদনাভৰা ইতিহাস [illegible] সোঁতে লুটিয়াই নিয়া করুণ পৃষ্ঠাবোৰ। ....

ৰেখা এতিয়াও ষোড়শী গাভৰুৰ নিচিনা। যৌৱন-দীপ্ত দেহত ভুবন ভুলোৱা ৰূপ বিদ্যমান। তাইৰ মুখৰ মিচিকিয়া হাঁহিটোৱে শত যুৱকৰ প্ৰাণত পূৰ্ণিমাৰ জোনাক ছটিয়াব পাৰে। এতিয়াও যদি ৰেখাই ইচ্ছা কৰে — শৰতক এৰি আনৰ লগত ......। ভাবি ভাবি তাৰ ভাল লাগি যায়। তৃপ্তিত চকুযুটা মুদি দিলে সি।

ইফালে ৰেখাই ভাবে — অজয়ৰ কথা। অজয়ৰ মৰমবোৰৰ কথা। অদ্ভুত মৰম কৰিব জানে এই মানুহটোৱে। সঁচাকৈ শৰত যদি অজয় হ'লহেতেন !! ..... তাই ভাবি যায়। ক্ষণে ক্ষণে অজয়ৰ হাঁহিভৰা মুখখন আৰু মৰমমিহলি চাৱনিটো তাইৰ মানস চকুত ভাহি উঠে। অজয়ৰ প্ৰতি অজানিতে তাইৰ ভাল লাগি যায়। ...

(বিশ)

দীপালীৰ লগত শৰতৰ বিয়া হৈ গ'ল। এটি নতুন জগতত শৰতে নতুন পথেৰে নাওঁ মেলি দিলে। জীৱনৰ এটি নতুন অধ্যায় আৰম্ভ হ'ল।

শিক্ষিতা দীপালীয়ে আদৰি ল'লে শৰতক। আদৰি ল'লে শহুৰেক শাহুৱেকক। আদৰি ল'লে গোটেই ঘৰখনকে। সুখৰ সংসাৰৰ সোণ-সেন্দুৰীয়া আলিৰে খোজ কাঢ়ি যোৱাই তাইৰ উদ্দেশ্য।

এদিন। যিদিনা ৰেখাৰ লগত শৰতৰ ধুম-ধামেৰে বিয়াৰ আয়োজন চলিছিল — সেইদিনা শৰতেই কৈছিল দীপালীক — 'যদি তুমি সঁচাকৈ মোক ভাল পোৱা দীপা — তেনেহলে এদিন নিশ্চয় তোমাক পাম।' আৰু আজি? আজি এয়া মুকলি আকাশত উৰি ফুৰা দুটি মুক্ত বিহঙ্গম। — দুটি আকুলিত প্ৰাণী। শৰত জানো মুক্ত? এয়া শৰত মুক্ত। শৰত স্বাধীনচেতীয়া। তাৰ মনত দুখ নাই। অন্তৰত বেদনা নাই। কিন্তু?

কিন্তু তথাপিও অভাৱনীয় চিন্তাই, অভাৱনীয় বেদনাই তাৰ হৃদয়ত মাজে মাজে আঘাত কৰিবহি। মন আকাশত উদ্ভাসিত হয় এটি মাত্ৰ ৰেখা — যি অজেয় — চিৰদিন লাঞ্ছিত — চিৰদিন অৱলুণ্ঠিত।

শৰতৰ বিয়া হোৱা শুনি ইফালে ৰেখাৰ মনত শান্তি নাই। চকুত টোপনি নাই। পেটত ভোক নাই। কেৱল চিন্তা। মাক দেউতাকে সান্ত্বনা দি দিও তাইৰ মন আশ্বস্ত কৰিব পৰা নাই।

...... আউলী-বাউলী হৈ তাই বিছনাত বাগৰি পৰিল। কিবা এটা অদমনীয় শোকে তাইৰ বুকুত খুন্দা মাৰি ধৰিলেহি। গাকটো

বুকুৰ মাজত সজোৰে হেঁচি ধৰিলে। ...... দুচকুৰে দুধাৰা চকুলো বৈ গ'ল। ....

স্বামী শৰত, অৰ্দ্ধাঙ্গী শৰত — আজি আৰু নাই। আজি তেওঁ অন্য নাৰীগামী পুৰুষ। কোনোবা অক্টোপাচৰ সবল বাহুৰ মাজত আবদ্ধ। জানো তাই কেতিয়াবা আকৌ শৰতক পাব? — পাব জানো?? ...... চিন্তাৰ তৰঙ্গমালাত বেদনাৰ ঢৌ খেলে। পাৰে পাৰে খুন্দা খায়। বৈ যায় অবিৰাম, অবিশ্ৰামভাৱে। ......

তাইৰ আজি মনত পৰিছে বহু কথা। মনৰ মাজত পাত-লিয়াই খোৱা কথা। ...... ভাবি ভাবি তাই ভাৱাক্ৰান্ত হৈ পৰে। পিছ মুহূৰ্ত্ততে নিজকে চম্ভালি লয়। — 'তায়েইটো কৈছে শৰতক, অকল কোৱাই নহয়, অনুৰোধো কৰিছে — দ্বিতীয় বিবাহৰ কাৰণে। তেনেহলে? তেনেহলে দুখ কৰি লাভ কি? ...... ধীৰে ধীৰে তাই জীয়াই থকাৰ সমল গোটায়। মাটিৰ পৃথিৱীৰ প্ৰতি মৰম ওপজে।

তাই বিছনাখনৰ পৰা উঠি চকীখনত বহিল। এখন কিতাপ হাতত তুলি ল'লে। কিতাপৰ পাতে পাতে দেখিলে একেজন শৰ-তৰেই মুখ — যিখন মুখ চিৰসুন্দৰ। একেজন শৰতৰেই মনোভাৱ যিটো আত্মকেন্দ্ৰীক। ...... শৰতৰ আকাশৰ বাগুলী ভাৱৰথটোত বহি তাই শূণ্যে শূণ্যে বহুদূৰ ভ্ৰমণ কৰিলে। ......

"বীণা!" — অজয়ৰ মাতত ৰেখা উচপ্‌ খাই উঠে। অজয়ে আজিকালি ৰেখাক 'বীণা' বুলি মাতে। এইটো তাৰ মৰমৰ মাত।

"কিতাপত ইমান মনোযোগ দিছা। আজি দেখিছো তুমি কলৈকো নোযোৱা।" অজয়ে কয়।

আকাশৰ পৰা দৃষ্টি ঘূৰাই আনি লাহে লাহে ৰেখাই কলে — "যাম অজয়দা, নিশ্চয় যাম।" — মুহূৰ্ত্ততে কিবা এটা ভাবি ৰেখা বহাৰ পৰা উঠিল। পুনৰ কলে — "আপুনি অলপ বহক অজয়দা, মই ওলাই আহোঁ।" ৰেখাৰ মাতত কৰুণতা।

অজান ৰহিল। কিছুসময়ৰ পিছত ৰেখা ভিতৰৰ পৰা সাজি-কাচি ওলাই আহিল। দুয়ো ফুৰিবলৈ বাহিৰলৈ গ'ল।

কিছুদিন পিছৰ কথা। চৌধুৰী চৌধুৰাণী দুয়ো ৰেখাৰ কোঠালৈ উঠি গ'ল। ৰেখা তেতিয়া কিবা এটি লিখাত ব্যস্ত আছিল। মাকে ৰেখাক মৰমেৰে মাত লগাই ভিতৰ সোমাল। দেউতাকো আদৰ সাদৰকৈ ৰেখাক মাত লগাই ভিতৰলৈ প্ৰৱেশ কৰিলে। লগে লগে কথা বতৰা চলিল। কিছুসময়ৰ পিছত দেউতাক ওপৰৰ পৰা তললৈ নামি আহিল। মাকে মৰমসনা মাতেৰে ৰেখাক কলে — "অজয় ল'ৰাটো বেয়া নহয়। দেউতাৰায়ো পছন্দ কৰিছে। উচ্চ শিক্ষিত ল'ৰা। তই যদি অমত নহৱ — এইবেলি তোৰ লগত ......।"

মাকৰ অপ্ৰত্যাশিত প্ৰস্তাৱত ৰেখা উচপ্ খাই উঠিল। কলে,— "তেনে কথা হবই নোৱাৰে মা।"

"কিয়? আমি দেখিছো দুয়োৰে দেখোন বৰ মিল।"

"মিলাপ্ৰীতি থাকিলেই যে কিবা এটি হব লাগিব তেনে কথা নহয় মা। ই অসম্ভৱ। এনেবোৰ চিন্তা কেতিয়াও মনলৈ নানিবা মা, মোৰে শপত।"

জীয়েকৰ কথাত মাক স্তব্ধ হ'ল। সকলো আশা জলাঞ্জলি দি তাৰ পৰা গুচি আহিল। হাজাৰ হওক ৰেখা জনা-বুজা ছোৱালী। ভাল বেয়া বিচাৰ কৰিবৰ শক্তি তাইৰো আছে — মাকে ভাবিলে।

(একৈশ)

......"মই পঢ়িম দেউতা। পঢ়ি পঢ়ি জীৱন কটাই দিম। মায়াৰ সংসাৰত বান্ধ খাবলৈ মোক আক নকব।" —ৰেখাৰ কাতৰ মিনতি। কন্যাপ্ৰাণ পিতা। জীয়েকৰ ইচ্ছানুযায়ী কাম কৰিলে। উচ্চ শিক্ষা লাভৰ কাৰণে তাইক গুৱাহাটীত থলেগৈ। দিন বাগৰি গ'ল।

কিছুদিন পিছৰ কথা। বৰ্ত্তমান তাই গুৱাহাটীৰ ছোৱালী হাইস্কুল এখনৰ দশমমান শ্ৰেণীৰ ছাত্ৰী। লগ - সমনীয়াৰ লগত থাকি খেলা ধূলা কৰি তাইৰ ভালেই লাগিল। পুৰণি কথাবোৰ লাহে লাহে পাহৰি যাবলৈ চেষ্টা কৰিলে।

চহৰত থাকি তাইৰ চলন ফুৰণ 'আপ্‌টুডেট্‌' হৈ পৰিল। আজিকালি লগৰীয়াৰ সৈতে তাই টেনিচ খেলে। তামাচা ফূৰ্ত্তি কৰি দিনবোৰ কটাই দিয়ে।

লগৰ নীলিমা, অনিমা, ৰুন্দিতাহঁতে ৰেখাক খুব ভাল পায়। তেওঁলোক আটাইকেইজনী নৱমমান শ্ৰেণীৰ ছাত্ৰী। উচ্চ শ্ৰেণীৰ ছাত্ৰী হিচাপে ৰেখাক তেওঁলোকে বাইদেউ বুলি মাতে। সময় পালেই তেওঁলোকে ৰেখাৰ ওচৰলৈ আহে।

......সিদিনা কুঞ্জ কাকতীৰ সৈতে ৰেখাই কিবা কথা আলোচনা কৰি আছিল। এনেতে অনিমাহঁত গৈ ওলাল। ৰেখাই হাঁহি সম্ভাষণ জনাই আটাইকেইজনীকে বহিবলৈ কলে। প্ৰত্যেকেই বহি পৰিল।

আগতে আৰম্ভ কৰিলে নিজৰ শৰীৰৰ, মনৰ খবৰ। তাৰ পাছত খবৰ। তাৰ পাছত ফুলৰ আৰু সৰ্ব্বশেষত প্ৰেমৰ। কথা

হতে যুৱতী ছোৱালীবোৰে প্ৰেমৰ কথা উলিয়াই মনত আনন্দ পায়। সিহঁতৰ সাধুকথা সাধুকথা যেন লগা প্ৰেমৰ কাহিনী শুনি সঁচাকৈয়ে মুগ্ধ হ'ব লাগে।

এটি ঝিচিকি হাঁহি মাৰি ছন্দিতাই কলে —

"প্ৰেমত পৰিলেহে জীৱন সাৰ্থক যেন লাগে।"

"সঁচাকৈ। যিয়ে প্ৰেমত পৰা নাই — তাৰ জীৱন অসাৰ্থক। অসম্পূৰ্ণ। সি জীৱনৰ মধুৰতা উপভোগ কৰিব নাজানে। তাৰ মনৰ সূক্ষ্ম অনুভূতি বিকাশ নাপায়।" — অনিমাই সমৰ্থন কৰে আৰু দাৰ্শনিকৰ দৰে কথাবোৰ কৈ যায়।

"বাদ দে তহঁতৰ শুকান প্ৰেম। ডেকা ল'ৰা এজনে লগত লৈ চিনেমা চালেই তহঁতৰ প্ৰেমত পৰা হয়। কিন্তু প্ৰকৃত প্ৰেম পায়নে নেপায় কব নোৱাৰ।" — নীলিমাই কয়।

"তোৰহে বৰ সৰস প্ৰেমটো। বহুদিন আগতে প্ৰমোদ বৰা গুছি প'ল তোক এৰি। এতিয়ালৈ এখনো তাৰ পৰা চিঠিকে নেপালি।" ছন্দিতাই বগৰ কৰি কয়।

"মইতো তহঁতৰ দৰে প্ৰেমত পৰা নাছিলোঁ।" — নীলিমাই উত্তৰ দিয়ে।

ৰেখাই শুনি যায় সিহঁতৰ প্ৰেমৰ আলোচনা। মনটো তাইৰ সেমেকি উঠে। জীৱনত তাই কাৰো লগত প্ৰেমত পৰা নাই। পৰা নাছিল। আনকি প্ৰেম কি বস্তু তাকেই তাই জনা নাছিল। জানিবইবা কেনেকৈ। গাৱঁলীয়া ছোৱালী। লাজটো কিছু বেছি। ডেকা ল'ৰাৰ লগত চুপতি পাতি ঝিছিকি হাঁহিটি মাৰি মন ভুলোৱা স্বভাৱ তাইৰ নাই। চহৰৰ ছোৱালীৰ দৰে এজনক প্ৰৱ-ঞ্চনা কৰি আন এজনৰ হাতত আত্মসমৰ্পন কৰাৰ অসভ্যামী গাৱঁৰ সৰলপ্ৰাণা জীয়ৰীৰ থাকিব নোৱাৰে। ৰেখাৰো নাছিল। —জীৱনত তাই কাকো ভাল পোৱা নাছিল কোনোদিনে। কোনো-

দিলে তাই কাকো মিচিকি হাঁহিটি মাৰি মন ভুলোৱাৰ চেষ্টাও কৰা নাছিল। ... তাই নীৰৱে মাত্ৰ শুনি যায় নীলিমাইতৰ কথা। প্ৰেমৰ কাহিনী। বহু সময় কথা-বতৰাৰ পিছত সিহঁত উঠি যায়। ৰেখা যায় টেনিচ খেলিবলৈ।

চহৰত থাকি বৰ্ত্তমান ৰেখাৰ অভিজ্ঞতা বাঢ়িল। তাই আজি সম্পূৰ্ণকৈ উপলব্ধি কৰিলে — গাৱঁলীয়া জীৱন আৰু চহৰৰ জীৱনৰ পাৰ্থক্য।

তাই আজি কালি নিৰ্জনত বহি কবিতা লিখে। মন-প্ৰাণ ঢালি দিয়ে কবিতাৰ ছন্দে ছন্দে। কবিতাৰ সৌষ্ঠৱ বঢ়াবৰ কাৰণে যত্ন কৰে তাই।

আবেলি ৰেখাই কলমটো হাতত লৈ লিখি যায় —

'বহুদূৰ বহু আঁতৰত
তুমি হেৰা নাৱৰীয়া কাই
জীৱনৰ মেলি পালখনি
এৰি দিলা নাও ভটিয়াই।
মৰো যাত্ৰী অকলশৰীয়া
তুলবুল এখনি নাৱত
ভৰি মোৰ ক্ষুদ্ৰ পালখনি
এৰি দিলো কোবাল সোঁতত।
গতিহীন বঠাহীন ...।

তাই লিখি যায়। এনেতে অনিমাইও সোমাই আহে। অনিমাই ৰেখাক কৰি কলে —

"বাইদেউ! আপুনি নিজানত বহি চিন্তা ফুলৰ মালা গাঠিছে নেকি?"

"চিন্তাফুলৰ নহয়। কবিতাৰহে মালা।" —এইবুলি হাঁহিতাই বহীটো ৰেখাৰ হাতৰ পৰা টানি লৈ পঢ়িবলৈ ধৰিলে। ...... কবিতা

পঢ়া শেষ হ'ল। গভীৰ চিন্তাত আটাইকেইজনীৰে মন কলা পৰি গ'ল। ৰেখাই তলমূৰ কৰিলে। পৰিস্থিতিটো আনন্দমুখৰ কৰি তুলিবলৈ অনিমাই হাঁহি মাৰি ৰেখাক কলে।

"শুনিছেনে বাইদেউ! এই সবিতাজনী প্ৰেমত একেবাৰে মজি গ'ল।"

"কাৰ লগত?" ৰেখাই ধীৰস্বৰে সুধিলে।

"প্ৰবীণ মজুমদাৰ।" অনিমাই উত্তৰ দিলে।

নামটো শুনি ৰেখাই কিবা এটা ভাবিলে। অলপ সময় ভাবি পুনৰ মাত লগালে। —"ল'ৰাজনক মই চিনিছোঁ। বৰ বুদ্ধিয়ে ল'ৰাজনৰ।"

"ফোৰ টুৱেন্টিও।" ছন্দিতাই ক্ৰিটিচাইজ কৰে। আটাই-কেইজনীয়ে উচ্চস্বৰে হাঁহিবলৈ ধৰে। সবিতা মনে মনে থাকে। নেহাঁহে। ৰেখাই পুনৰ ধীৰস্বৰে কলে —

"সেই যে কামৰূপ একাডেমিত সদৌ অসম শিক্ষক সন্মিলন বহিছিল, সন্ধ্যা কালচাৰেল শো'ত সি গুৱাহাটী চহৰৰ বিষয়ে গান গাইছিল নহয়। কিবা বোলে — গুৱাহাটী চহৰখন, মানুহেৰে ভৰপুৰ। গোটেই চহৰ পাহাৰে আৱৰা নাম চাই কাম নাই, নামবোৰে মূল্য নাই, আচল কথা — ফাকিহে কৰা।" এই গান-টোকে গাইছিল — নহয় জানো?

"হয়।" আনিমাই মূৰ দপিয়াই।

"বাঃ এতিয়াহে সৰস প্ৰেমত পৰিল সবিতা। ছন্দিতাই হাঁহি হাঁহি কয়।

"তুমি জেনেকৈ নকবাহে ছন্দা। মোৰ হৃদয়খন ভাঙি যাব এতিয়া।" অনিমাই সবিতাৰ কাণে কেৰাহিকৈ চায় আৰু কয়। আটাইয়ে বুজিলে কাৰ কাণে মাৰিলে এইবাণ। সবিতায়ো বুজিলে। মুখখন ওলোমাই তাই কলে —

"মই..............তইঁত কোন ?"

"মই ভালপোৱা জন কোৰ টুয়েণ্টিয়ে হওক লাগে — বিদ্রুপ কৰিবলৈ তইঁত কোন ?"

"বিদ্রুপ কৰা নাইহে সখি। তোৰ সৰস প্রেম দেখি আমিও আনন্দত বুৰ গৈছো।" অনিমাই কয়।

"অনু! তই বাৰে বাৰে মোক তেনেদৰে কৈ নাথাকিবি। তোৰ যিটোহে বিমল। এক মাহ, দুই মাহ, নহয়, ছয় মাহ টকলি গলেও মূৰৰ চুলি নাকাটে সাক্ষাৎ জোটাধাৰী সন্ন্যাসী। কবিতা লিখে — সিও ছন্দহাৰা। এটা পাগল বুলি ক'ব পাৰি তাক !!" সবিতাই ধমক দি কয়।

"পাগল হলেও বিমল কবি।" অনিমাই গৰ্বেৰে কয়।

"ফোৰ টুয়েণ্টি হলেও প্রবীন গায়ক।" সবিতাই কয়।

"বাঃ কি ভাগ্যৱতী সখিতাইঁত। আমাৰহে কোনো নাই। কি কয় ৰেখা বাইদেউ!" ছন্দিতাই ৰেখাক ইঙ্গিত দিয়ে। এইবাৰ কথা ওলটাই কয় — "আনপিনে একজনীৰ হ'ল কবি আনজনীৰ গায়ক। ইমান ভাগ্য। দুৰ্ভগীয়া জীৱন কেৱল আমাৰহে। গায় (অক'ৰ ঠাইত গৰু হলেও কবিৰ পৰিৱৰ্তে মূলা খেতিকে কৰিব পাৰিলোহেঁতেন !! সিওখিনি নাই। হায়ৰে কপাল !!" — তাই কৈ কৈ ফিচিঙা-ফিচিঙিকৈ হাঁহে। অনিমা আৰু সবিতা মনে মনে থাকে। ৰেখাই শুনি থাকে সিহঁতৰ প্রেমপাত্রৰ আলোচনা। সময় বাগৰি যায়। ... .

—●—

(বাইশ)

ৰেখাই হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰিলে। অৰ্দ্ধশিক্ষিতা ৰেখাই শিক্ষাৰ পূৰ্ণাভাস লাভ কৰিলে। নিজৰ জীৱিকাৰ বাবে তাইৰ বাট সুগম হ'ল।

পৰীক্ষা পাছ কৰিয়েই ৰেখা ঘৰতে আছিল। শৰতৰ আদৰ্শেৰে তায়ো গ্ৰামসেৱা কাৰ্য্যত মনোযোগ দিলে। কিন্তু গ্ৰামসেৱাৰ তেনে কোনো বিশেষ সুবিধা নোপোৱাত তাই এখন এল, পি, স্কুলত কাম কৰিবলৈ ললে অবৈতনিক শিক্ষয়িত্ৰী হিচাপে।

সোমবাৰ। তাই স্কুলত প্ৰৱেশ কৰিয়েই এজনী ছোৱালীক সুধিলে — "তোমাৰ নাম কি?"

"কাঞ্চন।" ছোৱালীয়ে উত্তৰ দিলে।

তাৰ পাছত আন এজনীক সুধিলে। এনেকৈ প্ৰত্যেকৰে নাম সুধি চিনা পৰিচয় হ'ল আটাইকেইজনীৰ লগত। তাৰ পাছত সকলোকে সম্বোধন কৰি সুধিলে —

"গান গাব জানানে?"

"জানো বাইদেউ।" একেমুখে ল'ৰা ছোৱালীহঁত চিএঞৰি উঠিল।

"গোৱা তেনেহলে।" ৰেখাই আদেশ দিলে। ল'ৰা-ছোৱালী-জাকে গান আৰম্ভ কৰিলে —

কোমল কোমল শিশুৰ মধুৰ কণ্ঠস্বৰ মুহূৰ্ত্ততে জাউৰি দি উঠিল। ....গান গোৱা শেষ হ'ল। ৰেখাৰ অজানিতে এটি হুমুনিয়াহ সৰি পৰিল। মনত পৰিল দূৰ অতীতৰ বহুত কথা। এদিন কান্ত মাষ্টৰেও এইদৰে গান গাবলৈ শিকাইছিল। দুবৈৰ পৰা গান

শুনি তেতিয়া তাইৰ বিৰক্তি উপজিছিল সদায়ে একেটা গান। আৰু যেন এই মাষ্টৰজনৰ অন্য গান নায়েই। তাইৰ এই গানটো শুনি শুনি সঁচাকৈ আমনি লাগিছিল। কিন্তু আজি? আজি সেই গানটোকে এবাৰ শুনিলে। এবাৰহে শুনিলে — আকৌ শুনিবলৈ প্ৰবল হেপাহ যাক কিয় উপজিল। গানৰ প্ৰতিটো শব্দতে তাইৰ একো একোটা অনুভূতিৰ সৃষ্টি হ'ল। মনৰ হেপাহ দমাব নোৱাৰি তাই পুনৰ এবাৰ গানটো গাবলৈ ল'ৰা-ছোৱালীহঁতক আদেশ দিলে। ল'ৰাজাকে পুনৰ গান আৰম্ভ কৰিলে। তাই নীৰৱে শুনি গ'ল।

গোৱা শেষ হ'ল। ...... "চমৎকাৰ।" অপ্ৰত্যাশিতভাৱেই ৰেখাৰ মুখেৰে প্ৰশংসাবাণী ওলাই পৰিল। ল'ৰা-ছোৱালীজাকে মনৰ আনন্দতে হাঁহিলে।

পাঠ আৰম্ভ হ'ল। খুব মৰমেৰে তাই ল'ৰা-ছোৱালীবোৰক পাঠ বুজাই দিলে। ....

আজি কালি ল'ৰা-ছোৱালী প্ৰত্যেকৰ মুখতে মাত্ৰ একেটা কথা — "আমাৰ নতুন বাইদেউজনী খুউব ভাল।" ....

দিন বাগৰি গ'ল। ৰেখাই হঠাতে এটি সুবিধা পালে। কেই দিনমানৰ পিছতে তাই গ্ৰামসেৱীকা ট্ৰেইনিঙৰ কাৰণে দূৰলৈ গুচি গ'ল। যাহওঁক তাইৰ মনোবাঞ্ছা পূৰ্ণ হ'ল। ....

ইকালে শৰত আৰু দীপালীৰ সংসাৰলৈ আহি পৰিল নতুন কোমল মীনা। মীনা ধুনীয়া। পূৰ্ণিমাৰ চন্দ্ৰটোৰ নিচিনাই জননি। মুখৰ ছবিটো ঠিক মাকৰ দৰে।

শৰতৰ প্ৰাণত মায়াৰ সঞ্চাৰ হ'ল। মীনাৰ টুলুক-ঠানাক আতত ভাব হিয়া পমি যায়। মীনাৰ সুন্দৰ মুখৰ মিচিকি হাঁহিটিত সি সংসাৰৰ দুখ গ্লানি সকলো পাহৰি পেলায় ......। লাহে লাহে

দিনবোৰ মধুৰ হৈ আছে। কৃষ্ণচূড়াৰ পাতবোৰ মৰমলগাকৈ সেউজীয়া হৈ উঠে। কৃষ্ণচূড়াৰ ৰাঙলী আভাই যেন গোটেই পৃথিৱী ৰঙীন কৰি তুলিছে।

ফাগুনৰ বলিয়া বা শান্ত হ'ল। চ'ত পৰিল। বসন্ত আহিল। নতুন নতুন সাজেৰে প্ৰকৃতি ৰমক্-জমক্ হৈ পৰিল। ....

—★—

(তেইশ)

বছৰে বাগৰ মাৰে। নৈয়ে সুঁতি সলায়। গছ পাতে নতুন ৰূপ ধৰে। ফল-ফুল লাগে, সৰে, মৰহি যায়, আকৌ লাগে। .. অনাথ আশ্ৰম। এই আশ্ৰমতেই কত শত নিৰাশ্ৰয়, নিঃসঙ্গ অকিঞ্চন প্ৰাণীয়ে শিক্ষা দিক্ষা লৈ অনায়াসে নিজৰ জীৱন গঢ়ি তুলিলে। মৰহা জীৱনক পুনৰ ৰঙে-ৰসে সজীৱ কৰি তুলিলে।

আজি ছমাহ হ'ল। এজনী ছোৱালী এই আশ্ৰমতে থাকে। নাম তাইৰ চপলা। তাই বোধকৰো বোৱন প্ৰশিক্ষণত নাম ভৰ্ত্তি কৰিছেহি।

চপলা আশ্ৰমতে থাকে। তাই থকা ঘৰটোৰ খিড়িকিখন মেলিলেই বাজুআলিটো স্পষ্ট দেখা পোৱা যায়।

পুৱা আৰু গধূলি তাই প্ৰতিদিনেই দেখে — এজনী ছোৱালী

তাই থকা ঘৰটোৰ কাষেৰে অহা-যোৱা কৰে। খোলা খিড়িকিৰে চপলাৰ কাষে চাই যায়। বহু মানুহেই সেই পথেৰে তাই থকা ঘৰৰ কাষেৰে অহা-যোৱা কৰে। ল'ৰা-ছোৱালী ডেকা-গাভৰু সেই পথেৰেই যায়। কিন্তু প্ৰায়ভাগ মানুহেই তাইৰ খিড়িকিৰ কালে নাচায়। চালেও এবাৰতে গোটেইখিনি চোৱাৰ হেঁপাহ সামৰি থয়। কিন্তু যিজনী ছোৱালী সদায় অহা-যোৱা কৰে তাই প্ৰতিদিনেই, প্ৰতিবাৰেই খিড়িকিৰ কালে চাই গৈ থাকে। দৃষ্টি তাইৰ নিৰ্নিমেষ — উদ্দেশ্য ৰহস্য।

চপলাই বুজিলে — প্ৰতিদিনেই ছোৱালীজনীয়ে তাইৰ কালে চাই যায়। কিবা ক'ব খোজে। কব নোৱাৰে। মনৰ খুহুৱনিত একো নকৈ সকলো কথা মনৰ মাজত সামৰি থয়।

এদিন চপলাই সেই ছোৱালীজনীক দুৱাৰতেই দেখা পাই বাটলৈ আগবাঢ়ি আহিল। ছোৱালীজনী ক্ৰমে ক্ৰমে ওচৰ চাপিল। আজি তাই ওচৰতে পাই সুধিলে।

"ভনীটি! তুমি ইয়াতে থকা নেকি?"

"হয়।"

"কিবা কাম শিকিছা?"

"উইভিং ট্ৰেইনিং লৈছো।

কিছু সময় দুয়ো নীৰৱ। ছোৱালীজনীয়ে চপলাক আকৌ সুধিলে —

"কোন গাঁৱত তোমাৰ ঘৰ?"

"অমৰাপুৰত।"

ছোৱালীজনীৰ মুখখন হঠাতে কলা পৰি গ'ল। চপলাই ক'ব নোৱাৰাকৈয়ে এটি হুমুনিয়াহ এৰিব খুজিলে। কিন্তু চপলাৰ দৃষ্টিত সকলো ধৰা পৰি গ'ল। তাই সেইদিনা চপলাক পুনৰ একো নুসুধিলে। নিশব্দে আঁতৰি গ'ল তাৰপৰা।

বিছনাত বহি চপলাই ভাবে — ছোৱালীজনীৰ কথা। হয়তো তাইৰ দৰেই বেচেৰী আশ্ৰয়হীনা। তাইক দেখি হয়তো বহুত কথাই মনত পৰি গ'ল সেই অবোধ ছোৱালীজনীৰ। সেয়েহে অব্যক্ত হমুনিয়াহ এটি পেলাই গ'ল - শূন্য আকাশত - এই শূন্য পৃথিৱীতে।

* * *

আজি কালি ছোৱালীজনীয়ে আহোতে যাওতে সদায় চপলাৰ ঘৰত সোমাই যায়। দুয়ো কথা পাতে। হাঁহে, তামাচ্ছা কৰে। মাজে মাজে দুখৰ কথাও পাতে। সুখ-দুখ, হাঁহি-কান্দোনৰ মাজেৰে দুয়োৰো আত্মীয়তা গঢ়ি উঠে। কিন্তু চপলাই এতিয়াও ছোৱালী-জনীৰ বিষয়ে একো জনা নাই। তাইক একো সোধাও নাই। এইদৰে বৈ যায় অনাহুত ছোৱালী এজনীক বুজিবলৈ। থাকি যায় বহু কথা — হয়তো এখনি ৰহস্য উপন্যাস, এটি গুপুত বেদনা। ...... দেখাত ছোৱালী যেন লাগিলেও শিৰত ডগ্ মগ্ কৈ জ্বলি থকা সেন্দুৰৰ ফোটটোৱে বুজায় — তাইৰ বিয়া হৈ গৈছে। কিন্তু সংসাৰৰ প্ৰতি যেন তাই উদাসীন — নিৰুদ্বেগ।

দিন যাবলৈ ধৰে। ক্ৰমাত চপলাৰ কৌতূহল বাঢ়ি আহিল। তাইৰ ইচ্ছা হ'ল — ছোৱালীজনীৰ বিষয়ে জানিবলৈ — তাইৰ জীৱন অধ্যয়ন কৰিবলৈ। তাই ঠিৰাং কৰিলে — এদিন ছোৱালী-জনীক সঁচাকৈ সুধি পেলাব — তাই কোন? কি কৰে? ক'ত থাকে?

সিদিনাও পুৱা আহোতে ছোৱালীজনী চপলাৰ কমত সোমাই চপলাৰ বিছনাখনতে ক্লান্তভাবে বহি পৰিল। চপলাই কাষ চাপি আহি সুধিলে — "বাইদেউ! ইমান দিন আপোনাৰ লগত কথা-বতৰা হ'ল, কিন্তু আপোনাৰ বিষয়েতো মোক অলপো জানিবলৈ নিদিলে।"

চপলাৰ কথা শেষ হোৱাৰ লগে লগে হোৱালীজনীৰ চকুৰে দুধাৰা লো বৈ গ'ল। মুখেৰে একো নকলে। চপলাৰ নিজকে অপৰাধী যেন লাগিল। কিছু সময়ৰ পাছত হোৱালীজনী তাৰ পৰা ধীৰে ধীৰে বাহিৰ ওলাই পশ্চাৎস্থানলৈ গুচি গ'ল।

আজি তিনিদিন হ'ল। চপলাই হোৱালীজনীক বিগত তিনি-দিনত দেখা পোৱা নাই। তাই সেইদিনে অহাও নাই। চপলাই খিড়িকিৰে বাটলৈ চাই থাকে — হোৱালীজনীক দেখা পোৱাৰ আশাত। কিন্তু নাই। সকলো বিফল। সকলো শেষ।.....

......সেইদিনা সোধা কথাবাৰৰ বাবে তাই দাৰুণ আঘাত পালে কিজানি — চপলাই ভাবে। পুনৰ লগ পালে কোনো কথা সুসুধিবলৈ চপলাই ঠিৰাং কৰে।

সিদিনা ৰবিবাৰ। স্কুল কলেজ, অফিচ আদি সকলো বন্ধ। চপলাই বিছনাত কাগৰি এনেয়ে এখন কিতাপ পঢ়ি আছে। আচৰিত! হঠাৎ সেই হোৱালীজনী আহি চপলাক তুষ্ক কৰি দুহাতেৰে আঁকোৱালি ধৰি হুকহুকাই কান্দি পেলালে। চপলাই হতভম্ব হ'ল। হোৱালীয়ে কান্দি কান্দি কলে — মই যি ভাবি-ছিলো, যি সন্দেহ কৰিছিলো সেয়ে সত্য। সেয়ে ঠিক। জান চপলা, আজি মোৰ হৃদয়ত কি যন্ত্ৰণাৰ বন ধৰিছে। কি ধুমুহাই কি উকৰাই লৈ গৈছে। তই নেজান? তোৰ ককায়েৰে নেজানে— আনকি পৃথিৱীৰ কোনেও নেজানে — মোৰ হৃদয়ৰ দুৰ্বহ বেদনা— উমি উমি জ্বলি থকা বিৰহৰ অগ্নিস্ফুলিঙ্গ।

চপলা আচৰিত হ'ল — অপৰিচিত হোৱালী একজনীয়ে হঠাতে আপোনজনী হৈ আঁকোৱালি ধৰাত। তাতোকৈ আচৰিত হ'ল তেতিয়া — যেতিয়াই হোৱালীজনীয়ে কবলৈ ধৰিলে — 'তোৰ ককায়েৰে নেজানে, আনকি কোনেও নেজানে মোৰ বিৰহৰ অগ্নি-স্ফুলিঙ্গ......!' বৰ দৃষ্টিৰে চপলাই তাইৰ মুখলৈ চাই আছিল

আথোন। জোৱালীজনীয়ে পুনৰ বিষহৰ হুমুনিয়াহ এৰি কৰলৈ ধৰিলে — "......তই ভেতিয়া নিচেই সৰু জোৱালীজনী আছিলি। নবৌ, নবৌ বুলি মোৰ কোলাত উঠিছিলি।..... তই . তই... নেজান ..... তই পাহৰিছ ...... উস্‌ ..... !" গদ্‌গদ্‌ স্বৰে কৈ যায় জোৱালীয়ে।

এইবাৰ চপলা আকৌ আচৰিত হয়। মনত প্ৰশ্ন জাগে— 'কোন এয়া শৈশৱৰ চিৰলগৰীয়া। যাৰ কোলাত উঠিছিলো নবৌ নবৌ বুলি !! কোন জানো হ'ব পাৰে— এয়া ক্ৰন্দসী নাৰী ?' ...... বিস্ময়ত চপলাৰ চকু থৰ লাগে। জোৱালীজনীয়ে পুনৰ আৰম্ভ কৰিলে — "মই কোন জান ? জান মই কোন ? —মই ৰেখা। শাওণী আকাশৰ ম্লান এটি একা বেকা ৰেখা। ৰেখা নাইবা পথ। মোৰ চকুত ভাৱৰ আছে, আছে বৰ্ষা। মোৰ বুকুত ধুমুহা আছে — আছে শিলোৎক্ষেপ। মই ৰেখা।......চিনিচ জানো এতিয়া ? চিনি পাইছ ?" — এটি সেপ ঢুকি পুনৰ কলে— ...... "মোক তেওঁ পাহৰিলে। তেওঁ, মানে তোমাৰ ককায়েৰা।" এটি দীঘলকৈ হুমুনিয়াহ এৰি আকৌ কবলৈ ধৰিলে। .. ... "তেওঁ এতিয়া অন্য নাৰীগামী পুৰুষ। ... ও, ভুল বকিছো।, মিছাকৈ ভুল বকিছো।" ......হঠাৎ তাই নিয় হাল আৰু বৈ অহা চকুপানীখিনি মচি ললে। চপলা ইমান সময়ে একোকে বুজাৰ দৰে ঠিৰ হৈ আছিল। ভাবিছিল — এয়া সপোন নে দিঠক ? ...... লাহে লাহে চপলাই মাত লগালে —"নবৌ !"

"মাত চপলা। তোৰ অভাগিনী ৰেখাক প্ৰাণভৰি নবৌ বুলি মাত। তাতে মোৰ শান্তি। তাতে মোৰ সুখ।" — কিছু-সময় নীৰৱে থাকিল। তাৰ পাছত আকৌ কলে —

"মই তোৰ ককায়েৰাকৈ কিয় পাইছিলো জান ? তোক মই সন্দেহ কৰিছিলো। ভাবিছিলো — তোৰ দৰে অন্য একজনীত

হ'ব পাৰে বুলি।...... সিদিনা কিয় কান্দিছিলোঁ জান? সিদিনা হঠাৎ মোৰ মনত পৰিছিল তোৰ ককাইদেৱাৰালৈ।" কথাখিনি কৈ তাই চপলাক বুকুত সাৱটি ললে। যাকে জীয়েকক আদৰ কৰাৰ দৰে তাৰো চপলাৰ মূৰত ধৰমেৰে হাত বুলাই দিলে। গালত এটি মৰমৰ চুমা খালে। আনন্দত অধীৰা হৈ পৰিল ছুটি পৰিলা।

"আপুনি ইয়াত কি কৰে নবৌ?" চপলাই ৰেখাৰ মুখলৈ চাই প্ৰশ্ন কৰিলে।

"গ্ৰামসেৱীকা।" ৰেখাই উত্তৰ দিলে। এইদৰে কিছুমেলি কথা ৰতৰাৰ পিছত ৰেখা তাৰপৰা আঁতৰি গ'ল। ৰেখা যোৱাৰ ফালে চপলাই ৰ লাগি চাই থাকিল মাথোন।......"

—★—

(চৌবিশ)

"প'লা, প'লা !! " —বেথা সোমাই আছে। চপলাক তাই আজিকালি প'লা বুলি মাতে। বেথাৰ মাত শুনি চপলা পাকঘৰৰ পৰা দৌৰি ওলাই আহিল।

"কি কৰিছিলি? ইস্, গোটেইজনী দেখোন খাৰ্মি জামি কিবাজনী হৈ পৰিছ !! " বেথাই কয়।

"ভাত বান্ধিছিলোঁ।" তাই উত্তৰ দিয়ে। লগে লগে দুয়ো বহি পৰে। বেথাই আলোচনাৰ পাতনি মেলে। চপলাই সুধিলে—

"আপোনাৰ কামনো কি নবৌ? কি কৰিব লাগে?"

"মোৰ কাম গ্ৰামসেৱা। জনগণৰ মঙ্গল কামনা কৰা। অৱহেলিত অনাদৃতভাৱে পৰি থকা গাওঁবোৰক পোহৰৰ বাট দেখুওৱা। গাওঁৰ সহজ সৰল যুৱক যুৱতীক দেশৰ প্ৰতি মন আকৰ্ষণ কৰা। অবাটে পৰিচালিত হোৱা কণ কণ ল'ৰা-ছোৱালীক বাট দেখুওৱা।

নবৌয়েকৰ কথাবোৰ চপলাৰো মনে ধৰে। মনত উদাৰ ভাব জন্মে। ভাবে—বৌয়েকৰ এই কাৰ্য্য সঁচাকৈয়েই মহান। ...... তাই ভাবি যায়। এবাৰ বৌয়েকৰ ফালে চালে। দেখিলে বৌয়েকৰ চকুত অশ্ৰুবিন্দু।

"নবৌ! আপুনি কান্দিছে? কিয় কান্দিছে নবৌ?" চপলাই কৈ কৈ বেথাৰ বুকুত মুখ গুজি দিয়ে। বেথাই চপলাক বুকুৰ মাজত সাৱতি ধৰি ভাবি যায়— ......"এয়া চপলা। শহুৰৰ জেঠায়েকৰ জীয়েক। কিমান যতন কৰিছিল তাইক চপলাৰ মাকে। নিজৰ বোৱাৰী যেন যতন কৰিছিল বেচেৰীয়ে। বেচেৰীৰ একেজনী জীয়েক চপলা। চপলাক অকলে এৰি তেৰো গুচি গ'ল। তেওঁ

গ'ল — চপলাৰ জীৱনকো পঙ্গু কৰি গ'ল।" ...... মেখাই ভাবি যায়। প্ৰকাশ্যে কলে —

......"অৱশেষত তয়ো অকলশৰীয়া হলি। কিমান আশা কৰিছিলোঁ — তইও ডাঙৰ হবি। উচ্চ শিক্ষাৰে শিক্ষিতা হৈ বিখ্যাত হৈ পৰিবি। চিৰদিন পুৰুষাধীন নাৰীসমাজক চেকীশাল, ৰান্ধনীশালৰ পৰা মুক্ত কৰি বাহিৰৰ পোহৰ পাবলৈ দিবি॥ কিন্তু নহ'ল। তই নোৱাৰিলি। তোৰ দেউতাৰা গ'ল। অৱশেষত মাৰাও তোক এৰি গুচি গ'ল। কি কৰিবি। পোৰা কপাল॥ পৃথিৱীৰ একা বেকা পথ। ...... এয়াইটো জীৱন খেলা। তোৰো। মোৰো। ...... উস্‌ ..." তাই দীঘলকৈ হুমুনিয়াহ এৰে। চপলাই চকু-পানী টোকে।

কিছু সময়ৰ পিছত মেখা গুচি গ'ল।

শিক্ষাত চপলা হওতে মেট্ৰিক পাছ। মাক মৰাৰ লগে লগে তাই পৰীক্ষাটো কোনোমতে দিবলৈ পালে। স্কুলত ভাল ছোৱালী হিচাপে চপলাৰ কৃতিত্ব আছে। কিন্তু কি হব। সকলোৱেই যদিও আশা কৰিছিল — গাৰ্ৰৰ ভিতৰত চপলাই অনায়াসে বি. এ পাছ কৰিব। এদিন এম, এ পাছ কৰি এজনী শিক্ষিতা নাৰী হ'ব— কিন্তু সকলো ওলট্‌-পালট, হৈ গ'ল। পঢ়াৰ একান্ত ইচ্ছা থাকিলেও তাই কলেজত পঢ়িব নোৱাৰিলে। আনৰ কথাক তাই বিশ্বাস কৰিব নোৱাৰে। তাই অকলশৰীয়া হোৱাত বহুতে তাইক নানা প্ৰলোভন দেখুৱাইছিল। মানুহৰ স্বাৰ্থ জানো কম। শেষত তাই নিজেই নিজৰ পথ বাচি ললে। এতিয়া তাই নগৰখনীয়াৰ লৈতে বেছ হাঁহি খেমালিৰে দিন কটাইছে।

মেখা যোৱাৰ পিছত চপলাই নিৰ্জন কোঠালিত বহি ভাবিবলৈ ধৰে —

মাহীয়েকৰ পুতেক শৰত। আৰু সেই শৰতেই গৰ্ভপথী

ৰেখাই হ'ল তাইৰ নবৌয়েক। কিমান মৰম, কিমান চেনেহ কৰে তাইক ৰেখা নবৌয়েকে !! কিন্তু? ......কিন্তু এনে এজনী সবল-চিত্তীয়া বোৱাৰী কিয় ঘৰ-বাৰী এৰি লোকজনৰ আত্মনিয়োগ কৰিবলগীয়া হৈছে। ....তাই ভাবে — 'যদি তাইৰ মাহীয়েক এতিয়াও জীৱিত থাকিলেহেঁতেন !! নিজপুত্ৰ শৰত আৰু বোৱাৰী ৰেখাৰ বাবে হয়তো ভাবিলেহেঁতেন !! হায়ৰে কপাল! তাইৰতো মাক মৰিলেই, তাইৰ মাহীয়েকো জীয়াই নাথাকিল !!! সেয়েহে ককায়েক শৰত আৰু নবৌয়েক ৰেখাৰ ইমান দুখ-দুৰ্গতি হ'বলৈ পালে।' ....

তাই ভাবি যায়। এনেতে ৰেখা পুনৰ ক'ৰবাৰ পৰা ঘূৰি সোমাই আহে। আহি একেউশাহতে প্ৰশ্ন কৰে —

"প'লা! প'লা!! মীনা কিমান ডাঙৰ হ'ল!"

মাতত তাইৰ উম্মত্তা। প্ৰাণত চঞ্চলতা। চকুত সীমাহীন অশ্ৰুবিন্দু।

"লৰি-চাপৰি ফুৰিব পৰা হৈছে।" চপলাই উত্তৰ দিয়ে।

ৰেখাই ক্লান্তভাবে ভাবি যায়। লগে লগে খুউব আবেগেৰে নিজকে নিজে কোনোবা দৰে মুখেৰে বিৰ্ বিৰাই কৈ যায় —

"...... অকণমানি মীনা! থুনুক-থানাক মাত !! কিমান ভাল লাগে !! পূৰ্ণিমাৰ চন্দ্ৰৰ দৰেই তাইৰ মুখ হাঁহিৰে ভৰা !! আই ঐ দেহি ......" লগে লগে ৰেখা থামি যায়। তাই নিজৰ হাত-দুখনেৰে এনেয়ে বুকুত হেঁচা মাৰি ধৰে। অবোধ চকুলো দুধাৰি বাগৰি পৰে।

চপলাই একেথৰে চাই থাকে ৰেখালৈ। মুখেৰে একো নোমাতে। মাত্ৰ অনুভৱ কৰে — এক মৌনমুখৰ ভাষা — এক কৰুণ বেদনা। টোপ্ টোপ্ কৈ চকুলো সৰি পৰে — ধূলিৰ পৃথিৱীত।

লাহিয়া ৰেখা শুহি প'ৰা। তাই গ'ল তাইৰ থকা ঠাইলৈ।

ইকালে চপলাই শৰতলৈ লিখিলে এখনি চিঠি। এখনি কৰুণ ইতিহাস।

পূজনীয় ককাইদেউ।

মোৰ সেৱা গ্ৰহণ কৰিব। মোৰ ভাল। মোৰ সৰাপকা মৰোঁক মোৰ শ্ৰদ্ধা জনাব।

ধূপ নীৰৱে জ্বলি নিঃশেষ হৈ যায়—থাকে মাত্ৰ ধোঁৱা। সময় নিঃশব্দে উটি যায়—ৰৈ যায় মাত্ৰ স্মৃতি। ধূপৰ ধোঁৱা শূন্যত বিলীন হৈ যায়—তথাপি ৰৈ যায় তাৰ সৌৰভ। স্বাৰ্থপৰ এই পৃথিৱীৰ মানুহ। ধূপৰ সৌৰভ আমি সব জানো—কিন্তু ধূপ নীৰৱে জ্বলি পুৰি শেষ হয়—তাৰ বেদনা আমি নুবুজো। বুজিবলৈ চেষ্টা নকৰো। চিঠিখন পাওঁতে পঢ়ি আপুনি চাগে আচৰিত হৈছে। ভাবিছে—কি লিখিব খুজিছে সেই আকৰীজনীয়ে—ইমানকৈ পাওঁতে যেতিয়া? পঢ়ি যাওকচোন বাৰু।

ঘটনা এটি বিশেষ সময়ৰ সীমান্তবৰ্তী। কিন্তু স্মৃতি সীমান্ত-বৰ্তী নহয়। ই অনাদি, অনন্ত। চিৰ প্ৰবাহমান।......হৃদয়ত অঙ্কিত স্বৰ্ণাঙ্কিত স্মৃতিচিহ্ন বিলুপ্ত কৰিবলৈ ব্যৰ্থ প্ৰয়াস কৰা মিছা। স্মৃতিক কোনেও লুপ্ত কৰিব নোৱাৰে। ই অবিচ্ছিন্ন—অক্ষয়।

.... অচিনাকি ছোৱালী এজনী হঠাৎ মোৰ হৃদয়ৰ আপোন হৈ পৰিছিল সেইদিনা। তেতিয়া আকাশত ঘনঘোৰ কলা ডাৱৰ উৰিছিল। পৃথিৱীত ধুমুহা বাহিছিল। আৰু কাৰ হৃদয়ত কি হৈছিল—সেই কব নোৱাৰো। হয়তো উকলাই দিছিল—জীৱন কালেজৰ গোল।

এদিন সেই ছোৱালীজনীক হঠাৎ সুধি পেলাইছিলো—তাই কোন, কি? সেইদিনা তাই পহুমপহোৱা চকুযুৰিৰে মাত্ৰ বোৱাইছিল অবিৰত বেদনাশ্ৰু। মোৰ হৃদয়খনো সেমেকি উঠিছিল। তাৰপিছত? তাৰপিছত ছোৱালীজনী বহুতদিন নাহে। ভাবিছিলো ছোৱালীজনী মোৰ ওচৰত আৰু কোনোদিন নাহিব। কিন্তু?

সেইদিনা অপ্ৰত্যাশিতভাৱেই তাই মোক সাৱত্তি ধৰি স্তব্ধ কৰি দিছিল। স্তব্ধ কৰিছিল মোৰ হৃদপিণ্ড। পৃথিৱীখন যেন ঘূৰিছে। মই যেন সৰি পৰিম — বহুত তললৈ। ...... তাই কেঁকুৰি কেঁকুৰি কলে বহুত কথা। অতীতৰ বিৰহ বেদনা ..। সেইবোৰ কব নোৱাৰি।

আপোনাৰ বোধকৰো কৌতূহল জন্মিছে ছোৱালীজনীৰ বিষয়ে জানিবলৈ। ছোৱালীজনীক আপুনি জানে। বহুত জানে। কিন্তু নিচিনে। নুবুজে। বুজিব নোৱাৰে। বুজিবলৈ চেষ্টা নকৰে।

তাই ৰিক্তা। তাই এখনি করুণ উপন্যাস। তাই কোন জানে? জানে কোন? তাইয়ে আপোনাৰ ভাৰ্য্যা ৰেখা। .. ৰেখা... ৰেখা। যিটো ৰেখা এৰা বেঁকা। হয়তো সৰল, পোন। তাই মোৰ মৰমৰ নবৌ। তাই মোৰ অতি হেঁপাহৰ নবৌ। সঁচাকৈ ককাইদেউ! ইয়াত যে হঠাতে নবৌক লগ পাম— মই কোনোদিন ভবাও নাছিলোঁ। ই কল্পনাতীত, অভাবনীয়। সপোনৰো অগোচৰ। তাই ইয়াত গ্ৰামসেৱিকা। ৰূপে, গুণে অতুলনীয়া মোৰ দৰদী নবৌজনী। তাইক মই নেপাহৰো। আপুনিও পাহৰিব নোৱাৰে।

...... সিদিনা মীনাৰ কথা সুধি তাই কান্দি পেলাইছিল। মীনাক তাই কিয় ইমান মৰম কৰে? তাইতো মীনাক দেখা নাই। মীনা তাইৰ কোনো নহয়। একো নহয়। তথাপি?

তথাপি তাই মীনাক ভাল পায়। মীনাক মৰম কৰে। কিয়? কিয়??

বেছি আৰু নিলিখোঁ। চিঠিৰ উত্তৰ আপুনি নিজেই বিচাৰি লব। আপুনিতো মাটিৰ সংসাৰত আবদ্ধ। ৰেখা নবৌৰ কিন্তু হৃদয়ৰ খবৰ লবলৈ জানো আপোনাৰ সময় হ'ব? শৰতকাইৰ দৰে পৃথিৱীৰ শ শ মানুহে ৰেখা নবৌৰ নিচিনা শ শ অকিঞ্চন, অবাঞ্ছিত আত্মাৰ খবৰ লবলৈ অৱকাশ পাব জানো? ইতি

আপোনাৰ ভনী

"চপলা"

—★—

(পাঁচিশ)

চিঠি গৈ শৰতৰ হাতত পৰিল। শৰত তেতিয়া মীনাক 'আব্দাৰ' কৰাত ব্যস্ত আছিল। সি চিঠিখন পঢ়ি চালে। বেদনাত তাৰ মন মৰহি গ'ল। অসহনীয় জ্বালাত সি চাটিফুটি কৰিলে। ......

তেতিয়া আবেলি। এজাক বগলী উৰি উৰি দূৰত কোনোবা এঠাইত স্ব গৃহ বিচাৰি আঁতৰি গ'ল। আঁতৰি গ'ল বৰ্ষাৰ আকাশক শূন্য কৰি। এটি হুমুনিয়াহ শৰতৰ অন্তৰ ভেদি ওলাই আহিল।

এয়া বৰ্ষা কালৰ শেষ আৰু শৰত কালৰ আৰম্ভণি। পশ্চিম দিগন্তত সূৰ্য গৈ আশ্ৰয় লৈছেগৈ তেতিয়া। সন্ধ্যাবেলাকৈ কেইডালমান ৰেখা আকাশত স্পষ্টহৈ উঠিছে। ৰঙা, কলা, নীলা বহুত ৰেখা। সীমাহীন—অন্তহীন। চপৰা-চপৰ ডাৱৰবোৰ উৰি ফুৰিছে। ৰিব্ৰিব্কৈ বতাহ বলিছে। ...... শৰতে ওলাই আহি ধৰা চকুপানীখিনি নিশব্দে মচি লৈ মুকলি পথাৰলৈ ওলাই গ'ল। মুকলি পথাৰখন পাৰ হৈ সি নৈৰ পাৰ পালে। নৈৰ পাৰত কিছু-সময় এনেয়ে বহি পৰিল। আজি তাৰ চাৰিওকালে কেৱল উদাস উদাস লাগিছে। সি অনুভৱ কৰিছে এক বিশাল শূন্যতা।

.... আজি তাৰ অতীতৰ বহু কথাই মনত পৰি গ'ল। বিবাহৰ প্ৰথম আৰু বিচ্ছেদৰ শেষৰ দিনটো তাৰ মনৰ মাজত স্পষ্টকৈ ফুটি উঠিল। ......

... এখনি কোমল হিয়া লৈ আহিছিল ৰেখা। হয়তো তাৰ ওচৰত বহুতখিনি বিচাৰিছিল তাই। কিন্তু নাপালে। পুনৰ এখনি ভগ্ন কৰুণ হিয়া লৈ গুছি গ'ল—তাৰ ওচৰৰ পৰা—

বহুত দুৰ্বলৈ। ...... জীৱনত তাইতো একো নাপালে তাৰ পৰা !! বেচেৰী নিৰিহ প্ৰাণীটো !!! .... ভাবি ভাবি তাৰ দুখ লাগি যায়। বিদায়ৰ সময়ত এৰি থৈ যোৱা তাইৰেই কাপোৰখিনি আৰু কপৰ টকাটোৰ ঘূৰণীয়াখিনি আকৌ তাৰ চকুৰ আগত এটি এটিকৈ সকলো ভাহি উঠিল। ......সি অপলক দৃষ্টিৰে শূন্য আকাশলৈ চাই থাকিল মাথোন।

... 'উস্ — আবেগত গদ্‌গদ্ স্বৰে কৈ গ'ল শৰতে — ৰেখা। প্ৰাণ মোৰ! জীৱনত তোমাক মোৰ পত্নী হিচাপে একো দিব নোৱাৰিলোঁ। তাৰ কাৰণে বেজাৰ নাপাবা সোণ !! ...... তুমি মোক স্বামী হিচাপে ভাল পাইছিলা, পোৱা আৰু পাবা। ময়ো পাইছিলোঁ, পাওঁ আৰু পাম। প্ৰেম চিৰন্তন। অনাদি - অনন্ত। তোমাক মই কেতিয়াও নেপাহৰিম সোণা। তুমি মোৰ জায়া, তুমি মোৰ দেৱী স্বৰূপা ভাৰ্য্যা। তুমি ৰেখা। তুমিয়েই ৰেখা। নীলিম আকাশৰ বুকুত জীৱন্ত এটি ৰেখা। ৰঙীন-অসীম-উজ্জ্বল। তুমি চিৰদিন শৰতৰ আকাশত জেউতি চৰাবা। শৰতৰ বিক্ত আকাশত জিলিকি থাকিবা। ..... ৰেখা ...... ৰেখা। ......উস্'

...... পিৰ্ পিৰ্ কৈ তাৰ চকুৰ পৰা চকুপানী বাগৰি আহিল। .... দিগন্তৰ ওপৰেদি আকৌ এজাক বগলী উৰি উৰি দূৰ দেশলৈ গুচি গ'ল। ....

(সমাপ্ত)